REFERENCE
(Not for issue)
(56)

# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III
## NO. 25

**The 28th March, 1979** 3 APR.

सत्यमेव जयते

**1987**

PRINTED AT PURBADESH MUDRAN, GUWAHATI-781008

REFERENCE
(Not for Issue)
Reference Only Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

**( Budget Session )**

**VOLUME III**

**No. 25**

**Dated the 28th March, 1979**

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... ... | 1—34 |
| 2. | Miscellaneous ... ... ... ... | 35—38 |
| 3. | Statement by Minister ... ... ... | 39 |
| 4. | Miscellaneous ... ... ... ... | 39 |
| 5. | Calling Attention ... ... ... | 40 |
| 6. | Matter Under Rule 301 ... ... ... | 41—43 |
| 7. | Introduction of Government Bills ... ... | 44—45 |
| 8. | Consideration and Passing of Government Bills ... | 46—82 |
| 9. | Discussion Under Rule 49 ... ... ... | 82—90 |
| 10. | Statement by Minister ... ... ... | 90—91 |
| 11. | Adjournment ... ... ... | 91 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Sixth General Election under the Democratic Sovereign Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 28th March, 1979 with the Hon. Deputy Speaker in the Chair, 12 (Twelve) Ministers, 4 (Four) Ministers of State, 4 (Four) Parliamentary Secretaries and 92 (Ninety Two) Members Present.

## STARRED QUESTIONS AND ANSWERS

Date : 28th March, 1979

**(To which oral answers were given)**

*Re :* **Bongaigaon Normal School**

**Shri Mathura Mohan Sinha** asked :

*366. Will the Minister, Education be pleased to state—

(a) Whether any amount (Non-recurring grants) has been sanctioned to the Bongaigaon Normal School during the current fiinancial year 1978-79 ?

(b) If so, what is the amount and for what purpose ?

(c) Whether Government is aware that the teaching has been hampered due to want of adequate staff and building of the said school ?

(d) If so, whether Government will look into the matter ?

**Shri Lakshyadhar Choudhury** (Minister, Education) replied :

366. (a)—No.

(b)—Does ont arise.

(c)—Yes.

(d)—Yes.

শ্ৰীমথুৰা মোহন সিংহ ঃ—উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই স্কুলখনত কিমানজন ষ্টাফ আছে আৰু বাকী থকা শিক্ষক কেইজন নিয়োগৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ—স্কুলখনত বৰ্ত্তমান যিমান কেইজন শিক্ষক থাকিব লাগে তাতকৈ কম আছে। তাৰে ভিতৰত স্কুলখনত সম্পূৰ্ণ শিক্ষক দিয়াৰ কাৰণে ঠিক কৰি এইবাৰ ২ জন শিক্ষক দিবলৈ ব্যৱস্থা কৰা হৈছে আৰু ৬ জনক দিবলৈ বাকী আছে। যিকেইজন কম আছে সেইকেইজন এইবাৰ দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। বোধকৰো অহা বছৰলৈ এই কাম সম্পূৰ্ণ হব।

শ্ৰীনগেন শৰ্ম্মা ঃ—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কোনোবা শিক্ষক বদলি কৰাৰ স্বত্তেও তালৈ নোযোৱাৰ ফলত তাত শিক্ষক কম হৈ আছে নে আন কিবা কাৰণত কম হৈ আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ—বদলি কৰা হোৱা নাই। এই নৰ্ম্মাল স্কুলখনৰ ঘৰ আৰু বাসস্থানৰ পৰিস্থিতি একেবাৰে বেয়া হোৱাৰ ফলত সেই স্কুলত ক্লাচ আদি কৰাত বহুতো অসুবিধা হয়। তথাপি 'টেম্পৰেৰী চেদ'ৰ ব্যৱস্থা কৰি ক্লাচ কৰিবলৈ দিয়া হৈছে। এইবাৰ আমি গড় কাপ্তানী বিভাগক প্লেন এষ্টিমেট আদি দি সেই ঘৰ অতি সোনকালে নিৰ্ম্মাণ কৰিবলৈ অনুৰোধ কৰিছো আৰু যাতে অতি সোনকালে ঘৰ আদি বান্ধি দি স্কুলখন সম্পূৰ্ণকৈ চলাবৰ কাৰণে ব্যৱস্থা কৰিব পাৰি সেইকথা আমি চিন্তা কৰি আছো।

শ্ৰীপ্ৰেমধৰ বৰা ঃ—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই স্কুলখনত শিক্ষক থাকিব লাগে কেইজন আৰু বৰ্ত্তমান আছে কেইজন ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ—সেই হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই। গতিকে সেইটো মই পিচত কব পাৰিম।

শ্ৰীফণী মেধী ঃ—উপাধ্যক্ষ মহোদয়, ১৯৭৫ চনত এই স্কুলখন চৰকাৰে লৈছিল। এই স্কুলখনৰ যি ঘৰ আছে তাৰ বেৰ আৰু চালবোৰ থেৰৰ। আনহাতে 'চিটিং এৰেঞ্জমেন্ট'ৰ কাৰণে বাহৰ কাঠি কাটি কাটি কিছুমান ঢাৰি সাজি ল'ৰা-ছোৱালীক তাত বহিবলৈ দিয়া হয়। তাৰোপৰি সেই স্কুলত যিবিলাক সা-সজুলিৰ প্ৰয়োজন সেইবোৰো পাবলৈ নাই। লগতে শিক্ষকৰ অভাৱ। এনে অৱস্থাৰে এই স্কুলখন আৰু কিমান দিন চলিব মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ—মই দুখেৰে সৈতে জনাব লগা হৈছে এই অৱস্থাৰে স্কুলখন বহুদিন চলিব লগা হৈছে আৰু কিছুদিন চলিব লাগিব। কিন্তু সেই স্কুলখনৰ উন্নতি সাধন কৰিবলৈ ততাতৈয়া ব্যৱস্থা হাতত লোৱা হৈছে। সেই স্কুলখনত বৰ্ত্তমান প্ৰিন্সিপাল—১ জন, গ্ৰেজুৱেট টিচাৰ—১ জন, নৰ্ম্মাল টিচাৰ—১ জন, অফিচ এচিষ্টেন্ট—

১ জন, গ্ৰেড ফ'ব—১ জন, আছে। আমি এতিয়া আকৌ সেই স্কুলখনত দিব বিচাৰিছো—ভাইচ প্ৰিন্সিপাল—১ জন, গ্ৰেজুৱেট টিচাৰ—৩ জন, মেট্ৰিক টিচাৰ—১ জন, হেল্‌থ টিচাৰ—১ জন, মিউজিকেল ইন্সট্ৰাক্টৰ—১ জন, ফিজিকেল ইন্‌ষ্ট্ৰাক্টৰ—১ জন, আৰু ডাফ্‌ট্ৰি ১ জন, কিন্তু আমি সেইবিলাক দিলেও উপযুক্তভাৱে ঘৰ নোহোৱাৰ কাৰণে আমাৰ অসুবিধা হৈ আছে। সেই কাৰণে আমি গৰকাপ্তানী বিভাগক ঘৰটো সোনকালে বান্ধি সম্পূৰ্ণ কৰিবলৈ অনুৰোধ কৰিছো আৰু আমি আশা কৰিছো তেওঁলোকে সোনকালে প্লেন এষ্টিমেট দিব।

**Shri Ranendra Narayan Basumatari**—Sir, I want to know from the hon'ble Minister whether the Minister is aware of the fact that there is a large number of students in the school because this is the oldest Govt. normal school in the area and so in view of that fact whether Govt. is considering sanction of non-recurring grant for construction of buildings as well as construction of teachers' quarters so that the teachers who are sent there are interested to go there.

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ):—নৰ্মাল স্কুলখনৰ অৱস্থা এতিয়া বৰ শোচনীয় হৈ আছে। ঘৰ নবন্ধাকৈ তালৈ শিক্ষক পঠালে একো কাম নহব। বৰ্ত্তমানে তাত টেম্পৰেৰী ঘৰ বান্ধি কোনোমতে কাম চলাই থকা হৈছে। কিন্তু ইতিমধ্যে ঘৰ নিৰ্ম্মাণ কৰিবলৈ গড়কাপ্তানী বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। মই নিজে যিহেতু সকলো কাম কৰিব নোৱাৰো সেই কাৰণে গড়কাপ্তানী বিভাগৰ লগত যোগাযোগ কৰি কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰি আছো। কিন্তু আমাৰ ফালৰ পৰা যিথিনি ডিপাৰ্টমেন্টেল মঞ্জুৰী দিয়া আৱশ্যক সেইথিনি দিয়াৰ বন্দোবস্ত কৰিব বিচাৰিছো। স্কুলখনৰ তেনে অৱস্থা হোৱা হেতুকে তালৈ শিক্ষক আদি পঠোৱা হোৱা নাই।

শ্ৰীনিশীথ ৰঞ্জন দাস—মাননীয় উপাধ্যক্ষ মহোদয়, আমাদের রাজ্যে শিক্ষকদের প্রশিক্ষণের জন্য বেসিক এবং নর্মাল স্কুল ও বি, টি কলেজ আছে। কিন্তু রাজ্যের প্রত্যেকটি প্রশিক্ষণ কেন্দ্রে প্রশিক্ষকের অভাব আছে। সুতরাং মাননীয় শিক্ষামন্ত্রী মহোদয় এই দিকে দৃষ্টি দিয়ে নর্মালস্কুল বেসিক স্কুল এবং বি,টি কলেজগুলিতে যাতে উপযুক্ত প্রশিক্ষক থাকেন—তার ব্যবস্থা করবেন কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ):—স্কুলখনৰ ষ্টাফ পেটাৰ্ণ যি ধৰণে আছিল সেই ধৰণেই আছে। অৱশ্যে ২-১ জন নাথাকিব পাৰে। কিন্তু এইবাৰ দিলেও তাত থকা-মেলা বা স্কুলঘৰৰ অসুবিধা হৈ আছে। সেইকাৰণে নতুন শিক্ষক পঠোৱা হোৱা নাই।

শ্ৰীমথুৰা মোহন সিংহ :—মন্ত্ৰী মহোদয়ে এইকথা জানে নে তাৰে কিছুমান শিক্ষকে যোৱাবছৰ তেখেতক এটা ডেপুটেশ্যন দিছিল আৰু তেওঁলোকে সেই স্কুলখনৰ ষ্টাফ আৰু স্কুল ঘৰ নোহোৱাৰ কাৰণে শিক্ষাত ব্যাঘাত হোৱা কথাটো তেওঁৰ দৃষ্টিগোচৰ কৰিছিল। মন্ত্ৰী মহোদয়ে এই বিষয়ত কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাব নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—কোনো টিচাৰে ডেপুটেশ্যন দিয়া নাছিল। মই নিজেহে গৈছিলো।

শ্ৰীনজমুল হক :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বঙাইগাওঁ আৰু হাউলিত যি নৰ্মাল স্কুল আছে তাত স্কুল ঘৰ আৰু বিশেষকৈ শিক্ষক নথকাৰ কাৰণে শিক্ষাত যি ব্যাঘাত হৈছে সেই কথা সঁচা নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—সেইটো সঁচা। আমাৰ নিজৰ ফালৰ পৰা সেই ব্যৱস্থা লোৱাৰ দিহা কৰি আছো।

শ্ৰীজীৱন বৰা :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই নৰ্মাল স্কুলখন কোন বছৰ স্থাপন কৰা হৈছিল আৰু তিনিজনীয়া শিক্ষকৰে কিমান দিনৰ পৰা চলি আছিল?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—কেতিয়া স্থাপন হৈছিল সেই কথাটো মই চাব লাগিব। কিন্তু মই জনাত ইংৰাজৰ দিনৰ পৰাই এই স্কুলখন চলি আছে। কংগ্ৰেছৰ দিনত লালিত পালিত হল। এতিয়া আমি কি কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :—মন্ত্ৰী মহোদয়ে কৈছে যে গড়কাপ্তানী বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। কিন্তু প্লেন এষ্টিমেট লওঁতে গড়কাপ্তানী বিভাগৰ কেই বছৰ সময় লাগিব? মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই বিষয়ে স্পেচিয়েল ইন্টাৰেষ্ট লৈ যাতে সেই স্কুলখন সোনকালে সম্পূৰ্ণ কৰিব পৰা হয়।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—গড়কাপ্তানী বিভাগৰ বেচি সময় নালাগে। মই নিজে গৈ গড়কাপ্তানী বিভাগৰ লগত এই সম্পৰ্কে আলোচনা কৰিছো। তেওঁলোকৰ ফালৰ পৰা সম্পূৰ্ণ কাম কৰি দিলে সোনকালে হব বুলি মই ভাবো।

## বি : হাৰিপাৰা পাৰঘাটৰ অলপ উজনীত গড়াখহনীয়া

শ্ৰীযোগেন গগৈয়ে সুধিছে :

*৩৬৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) থাওৰা সমষ্টিৰ বকতা মৌজাৰ ভিতৰত থকা দিচাং নদীৰ সোঁপাৰে অৱস্থিত থামুন গাঁৱৰ মাজ অংশত হাৰিপাৰা গড়কাপ্তানী পাৰঘাটৰ পৰা অলপ উজনীত গড়াখহনীয়া হোৱাৰ ফলত মঠাউৰিটোৰ ক্ষতি হোৱাৰ সম্ভৱনাৰ বিষয়ে জানেনে?

(খ) এই মঠাউৰিটোৰ প্ৰতিৰক্ষাৰ বাবে আচুতীয়াকৈ এটা সু ব্যৱস্থা কৰি শক্তিশালী স্পাৰ দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে তেন্তে এই বছৰৰ ভিতৰতে তাৰ প্ৰাথমিক কাম আৰম্ভ কৰিবনে?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৬৭। (ক)—বৰ্ত্তমান গড়াখহনীয়া হোৱা নাই।

(খ) আৰু (গ)—প্ৰশ্ন নুঠে।

শ্ৰীযোগেন গগৈ ঃ—উপাধ্যক্ষ মহোদয়, এইটো মোৰ সমষ্টিৰ কথাই নহয়, মোৰ নিজৰ মৌজাৰ কথা তাত গৰাখহনীয়া হৈছে আৰু যদি সেইবিলাক যদি নিৰাপত্তা দিয়া নাযায় তেনেহলে অহা বছৰ আকৌ মথাউৰি ভঙাৰ উপক্ৰম হব। মই চৰকাৰক জনাব বিচাৰিছো যে এইটো এটা বাণ বিধস্ত মৌজা। গতিকে গৰাখহনীয়াই যদি মথাউৰি ভাঙি গৈ থাকে তেনেহলে গোটেই মৌজাটোৱেই ক্ষতিগ্ৰস্ত হৈ গৈ থাকিব। সেই কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো তাৰ আগতে কিবা ব্যৱস্থা লোৱা হব নে নহয় ?

শ্ৰীৰমেশ মোহন কুলী ( মন্ত্ৰী ) ঃ—উপাধ্যক্ষ মহোদয়, তেখেতে যি গৰাখহনীয়াৰ কথা কৈছে তাত ১৯৬৭-৬৮ চনৰ পৰা বিশেষ ভাবে গৰাখহনীয়া হোৱা নাই। কিছু কিছু ঠাইত হৈছে যদিও তেখেতে যি হিচাবে কৈছে তেনে ধৰণে আমি খবৰ পোৱা নাই। যোৱা ১৫।৩।৭৯ তাৰিখে আমি তাৰ একজিকিউটিভ ইন্‌জিনিয়াৰৰ পৰা এটা ৰিপোৰ্ট পাইছো আৰু মাননীয় সদস্যই যিটো কথা কৈছে সেইটো পুনৰ বিবেচনা কৰি চোৱা হব।

## বিঃ উৰিয়াম ঘাটৰ D. S. P. বদলি

শ্ৰীকালিৰাম ডেকা ৰজাই সুধিছে ঃ

*৩৬৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উৰিয়াম ঘাটত থকা D. S. P. শ্ৰীঅজিত দাসক অসম নগালেণ্ডৰ সীমান্তৰ ঘটনাৰ পিচতে বদলি কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা, শ্ৰীঅজিত দাসে ৬-১-৭৯ তাৰিখে বনমন্ত্ৰীক ৫ তাৰিখে অসম নগালেণ্ড সীমান্তত হৈ যোৱা সত্য ঘটনা দাঙি ধৰাৰ অপৰাধত অপৰাধী কৰা কথাটো সঁচা নেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৬৮। (ক)—প্ৰশাসনিক স্বাৰ্থৰ খাটিৰত শ্ৰীঅজিত দাসক উৰিয়াম ঘাট B.O.P. ৰ পৰা চুঙাজান B.O.P. লৈ বদলি কৰা হয়।

(খ)—সত্য নহয়।

শ্ৰীকালিৰাম ডেকাৰজা ঃ—উপাধ্যক্ষ মহোদয়, এই বিষয়া জন ডি, এচ, পি, শ্ৰীঅজিত দাস সেই সময়ৰ একমাত্ৰ জনজাতীয় বিষয়া আৰু তেখেতৰ সেই সময়ত দুৰ্ঘটনা ঘটিছিল, মন্ত্ৰী মহোদয়ক ৫ তাৰিখে হোৱা ঘটনাৰ সকলো বিবৰণী দিয়াৰ বাবেই এখেতক বদলি কৰা হৈছিলনেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ—কথাটো সত্য নহয়। কাৰণ সদস্য সকলে জানে যে, চুঙাজান বি, অ, পি-ত থকা ঘনশ্যাম থাপ্পা নামৰ মানুহজন যিজনে প্ৰথমে নেতৃত্বলৈ আছিল সেইজনতকৈ এইজন বিষয়া সুদক্ষ বাবেই তাত দিয়া হৈছিল। সেই অঞ্চলত বেছিভাগ মানুহ জনজাতীয় কাৰণে বিশেষ যোগ্যতাৰে তেওঁলোকৰ প্ৰতি নজৰ দিব বুলিয়েই তেওঁক তালৈ বদলি কৰা হৈছিল।

শ্ৰীমুকুট শৰ্মা ঃ—চুঙাজান আউট পোষ্টৰ বিষয়া সকলে ফেল কৰাৰ কাৰণে এনেকুৱা দুৰ্ঘটনা ঘটিছিল। ১৬ মাৰ্চ তাৰিখে লোক সভাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী এইটচ, এম, পেটেলেও ৫ তাৰিখৰ ঘটনাৰ কাৰণে অসমৰ পুলিচ বিভাগক জগৰীয়া কৰিছে। গতিকে গোটেই পুলিচ বিভাগটো চাচপেন কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ—গোটেই বিভাগটো চাচপেন কৰিলে কাম কেনেকৈ চলিব ?

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ—মন্ত্ৰী মহোদয়ে খ প্ৰশ্নৰ উত্তৰত কৈছে সচাঁ নহয়। এইকথাটো সচাঁ নেকি যে, ৬-১-৭৯ তাৰিখে অজিত দাসে বন মন্ত্ৰীক লগ পাইছিল ?

শ্ৰীগোলাপ বৰবৰা ঃ— ( মুখ্যমন্ত্ৰী ) লগ পাব পাৰে। অকল বন মন্ত্ৰীয়ে নহয় সেই সময়ত আন আন মন্ত্ৰীও তালৈ গৈছিল আৰু বহুতো মানুহক লগ পাইছিল।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ—৬-১-৭৯ তাৰিখে বনমন্ত্ৰীক লগ পাই নিশ্চয় কিবা কথা বতৰা হৈছিল, কি কথা হৈছিল জনাব নে ?

শ্ৰীগোলাপ বৰবৰা ঃ— ( মুখ্যমন্ত্ৰী ) সেইটো সদনত উত্থাপন কৰা কোনো আবশ্যক নহব।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ—মন্ত্ৰী মহোদয়ে খ প্ৰশ্নৰ উত্তৰত খাটাং ভাবে "সচা নহয়" বুলি কৈছে। মই সুধিব খুজিছো, ৬-১-৭৯ তাৰিখে এই বিষয়া জনে মন্ত্ৰী মহোদয়ক লগ পাওতে কি আলোচনা কৰিছিল ? এইটো একেবাৰে ৰিলেভেন্ট কথা।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ—উপাধ্যক্ষ মহোদয়, বন মন্ত্ৰীয়ে সেই অঞ্চললৈ গৈ বহুতো মানুহ লগ পাইছিল আৰু ঘটনাৰ বুজ লবলৈ বহুতৰ লগত কথা পাতিছিল।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ঃ—উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যিহেতুকে মন্ত্ৰী মহোদয়ৰ উত্তৰত কৈছে অজিত দাস ক্ষমতা সম্পন্ন অফিচাৰ গতিকে সেই একে সময়তে উৰিয়াম ঘাটত যি ঘটনা ঘটিছিল সেই সময়ত সেই জন অফিচাৰক তাৰ পৰা ট্ৰেন্সফাৰ কৰাৰ কি কাৰণ আছিল ? আৰু তেওঁ উৰিয়াম ঘাটত কেই বছৰ কাম কৰিছিল ?

শ্ৰীগোলাপ বৰবৰা ঃ— ( মুখ্যমন্ত্ৰী ) এই সম্পৰ্কে মই আগতে কৈছো ঘটনাৰ পাচতহে তেওঁক তাত পোষ্টিং কৰা হৈছিল।

শ্ৰীফণী মেধী ঃ—চুঙাজানৰ পৰা ১০০ গজ আতৰত এখন গাওঁ জ্বলাই দিয়া হৈছিল আৰু ১০ জন মানুহ কাটিছিল। সেই সময়ত অজিত দাস বি, ও, পি ত আছিল। কিন্তু প্ৰশ্নটো হৈছে যে বি, ও, পি-ত থকা বিষয়া সকলক টেন্সফাৰ কৰিয়ে শাস্তি দিয়া হব নেকি ?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) ঃ—মাননীয় সদস্য সকলে বুজিব পৰাকৈ মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। কথাটো হৈছে, ঘটনাৰ সময়ত তাত অজিত দাস নাছিল থাপা হে আছিল। তেখেতক চাচপেন কৰি যোগ্য বিষয়া ৰখা হৈছিল।

শ্ৰীগোলক ৰাজবংশী :—৬ তাৰিখে বন মন্ত্ৰীয়ে অজিত দাস নামৰ বিষয়া জনক চাৰ্জ কৰাৰ কথাটো সত্য নে ?

শ্ৰীগোলাপ বৰবৰা ঃ—( মুখ্যমন্ত্ৰী ) এইটো সত্য নহয়।

**Shri Binoy Kumar Basumatari** : Mr. Deputy Speaker, Sir, whether the Hon'ble Chief Minister will confirm that after the incident all important officers beginning from Sector Commander to Battalion Commanders, all tribal officers have been put there? Will the Hon'ble Chief Minister confirm it ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ—দিয়া হৈছে।

*Starred Question No. 369 was not put, the Member being absent.*

## বিঃ আন্তৰ্জাতিক শিশু বৰ্ষ পালনৰ আঁচনি

শ্ৰীএম, ইব্ৰাহীম আলীয়ে সুধিছে ঃ

* ৩৭০। মাননীয় সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে 'আন্তৰ্জাতিক শিশু-বৰ্ষ' পালন কৰিবলৈ কি কি আঁচনি হাতত লৈছে আৰু ইয়াৰ বাবদ কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(খ) বৰপেটা মহাকুমাৰ ভাগত উক্ত শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(গ) খণ্ড উন্নয়ন পৰ্য্যায়ৰ এই শিতানত কাৰ্য্যসূচী কি কি আৰু সেইবোৰ কোন ধৰণে পালন কৰা হৈছে ?

(ঘ) পিছ পৰা অঞ্চলৰ শিশু সকলৰ বাবে এই শিতানত বিশেষ কাৰ্য্যসূচী আছেনে ?

শ্ৰীৰমণী বৰ্ম্মণ ( সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৭০। (ক)—অসম চৰকাৰে শিক্ষা, সমাজ কল্যাণ, জনস্বাস্থ্য, স্বাস্থ্য সেৱা, জন-সংযোগ, পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন পৌৰ নিগম আদি বিভিন্ন বিভাগ আৰু বেচৰকাৰী সমাজ উন্নয়ন সংগঠন সমূহৰ সহযোগত শিশু সকলৰ শিক্ষা, স্বাস্থ্য আদি সকলো দিশতে কল্যাণ সাধনৰ উদ্দেশ্যে বিভিন্ন আঁচনিৰে 'আন্তৰ্জাতিক শিশুবৰ্ষ' পালন কৰিবলৈ সিদ্ধান্ত লৈছে। যি বোৰ আঁচনি এই উপলক্ষে কাৰ্য্যকৰী কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে সেই আঁচনি সমূহ কিতাপ আকাৰতো প্ৰকাশ কৰা হৈছে আৰু সদনৰ মেজত ইয়াৰ নকল ৰখা হৈছে। এই আঁচনিবোৰৰ ভিতৰত ১৯৭৯ চনৰ ভিতৰতে তলত উল্লেখ কৰা আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ ঠিক কৰা হৈছে।

১। অধিক বালৱাদী কেন্দ্ৰ স্থাপন।
২। দুৰ্দ্দশাগ্ৰস্থ শিশুৰ বাবে অধিক আশ্ৰয় গৃহ নিৰ্মাণ।
৩। শিশু প্ৰদৰ্শনী।
৪। মানসিক ভাৱে বাধাগ্ৰস্থ শিশু সকলৰ বাবে বিদ্যালয় স্থাপন।
৫। অসম শিশু আইন ১৯৭০ ৰ প্ৰবৰ্ত্তন।
৬। স্কুল সমুহৰ চৌহদ্দত আৰু ওচৰে পাজৰে উদঙাই ৰখা খোৱা বস্তু বিক্ৰী নিষিদ্ধ কৰা।
৭। গাঁও সমুহত খোৱা পানী যোগান।
৮। শিশুৰ উপযোগী চলচিত্ৰ।
৯। ১৯৭৯ চনৰ বাবে ৰাজ্যিক চৰকাৰৰ কেলেণ্ডাৰ।
১০। প্ৰত্যেক জিলা পাঠাগাৰত শিশুৰ বাবে পৃথক শাখা।

এই আঁচনিবোৰ কাৰ্য্যকৰী কৰাৰ বাবে চলিত বিত্তীয় বছৰতে চাৰি লাখ টকা মঞ্জুৰ হোৱা কথা আছে।

(খ)—মহকুমা ভিত্তিত এতিয়ালৈকে কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

(গ)—জনস্বাস্থ্য, স্বাস্থ্য সেৱা, শিক্ষা, পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন আদি বিভাগে শিশু সকলৰ শিক্ষা, স্বাস্থ্য, বিশুদ্ধ খোৱা পানীৰ যোগান, পৰিপূৰক পুষ্টিকৰ আহাৰ যোগান আদিৰ ক্ষেত্ৰত আৱশ্যকীয় আঁচনি হাতত লোৱাৰ কথা আছে।

(ঘ)—১৯৭৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ কাৰ্যছোৱাত ৰাজ্যিক পৰ্য্যায়ৰ কমিটিয়ে পিছপৰা অঞ্চলৰ শিশু সকলৰ বাবে জনস্বাস্থ্য স্বাস্থ্য সেৱা, শিক্ষা, সামাজিক শিক্ষা, পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন আদি বিভাগক এই শিতানত শিশুৰ স্বাস্থ্য সেৱা, বিশুদ্ধ খোৱা পানীৰ যোগান পাৰিপাৰ্শ্বিক পৰিস্কাৰ পৰিচ্ছন্নতা, বেমাৰৰ প্ৰতিষেধক ব্যৱস্থা পৰিপূৰক পুষ্টিকৰ আহাৰ যোগান, আনুষ্ঠানিক পদ্ধতিৰে শিক্ষাদান, বিস্তৃত প্ৰতিষেধক অভিযান, স্বাস্থ্যপৰীক্ষা আদি বিভিন্ন কাৰ্য্যসূচী হাতত লবলৈ পৰামৰ্শ দিছে।

শ্ৰীএম, ইব্ৰাহিম আলী :—উপাধ্যক্ষ মহোদয়, 'ঘ' নং প্ৰশ্নত্তোৰত কোৱা হৈছে যে পিচপৰা অঞ্চলৰ কাৰণে নতুন আঁচনি লৈছে। মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব পাৰোনে— গড়াখহনীয়া দুৰ্দশাগ্ৰস্ত চৰভূমি, মায়াগুৰি, বাঘবৰ আদি পিচপৰা অঞ্চলৰ পৰিয়াল পৰিকল্পনাত এই চাৰিটা ঠাইত শিশুৰ খাদ্য যোগান আঁচনি খুলিবলৈ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰমণী বৰ্ম্মণ (ৰাজ্যিক শিক্ষামন্ত্ৰী) :—সেইটো বিবেচনা কৰি চোৱা হব।

শ্ৰীএম, ইব্ৰাহিম আলী :—মানসিক ভাবে বাধাগ্ৰস্ত অসমৰ শিশুসকলৰ কাৰণে কিছু কাম কৰা বুলি কৈছে। এই গোটেই উত্তৰ-পূৰ্বাঞ্চলত এই বছৰৰ ভিতৰত বিশেষ আঁচনি কৰা হব বুলি আমি ঘুনুক ঘানাকৈ শুনিছো। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ লগত আলোচনা কৰি বিষয় বস্তুটো কি জনাবনে ?

শ্ৰীৰমণী বৰ্ম্মণ (ৰাজ্যিক শিক্ষামন্ত্ৰী) :—মানসিক ভাবে বাধাগ্ৰস্ত শিশুৰ কাৰণে এখন অনুষ্ঠান খুলিবৰ কাৰণে ভলণ্টিয়াৰী অৰ্গেনাইজেচন কিছুমান আগবাঢ়ি আহিছিল।

ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এখন নেচনেল ইন্সষ্টিটিউট স্থাপনৰ কাৰণে আবেদন কৰিছিলো—সেই মৰ্মে অহা এপ্ৰিলৰ ছয় তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ এক্সপাৰ্ট কমিটি ভ্ৰমণ কৰাৰ কথা আছে আৰু তেতিয়াই এটা চুৰান্ত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি আশা কৰিছো।

শ্ৰীপ্ৰেমধৰ বৰা :—আন্তৰ্জাতিক শিশুবৰ্ষৰ আঁচনিৰ ভিতৰত আমাৰ ৰাজ্যখনত সমূহ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষানুষ্ঠানবিলাকত ফলমূলৰ বাগানৰ লগত লাগনি গছ ৰোৱাৰ বাবে আঁচনিত অন্তৰ্ভূক্ত কৰিবনে ?

শ্ৰীৰমণী বৰ্মণ ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—সেইটো বিবেচনা কৰি চোৱা হ'ব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—আঁচনিখন বেছি দীঘলীয়া দেখিছো—কিন্তু টকা ধৰা হৈছে ৪ লাখ মাত্ৰ। মই ছানিব পাৰোনে এই ৪ লাখ টকাৰে কিমান আৰু কি কি আঁচনি হাতত লোৱা হব আৰু কিমান শিশু তাৰ দ্বাৰা উপকৃত হব ?

শ্ৰীৰমণী বৰ্মণ ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—এইটোত ৪ লাখ টকা ধাৰ্য্য কৰা হৈছে। মই আগতেই উল্লেখ কৰিছো যে বিভিন্ন বিভাগ——যেনে স্বাস্থ্য, শিক্ষা, পঞ্চায়ত, পৌৰ নিগম আদি বিভিন্ন বিভাগে তেওঁলোকৰ নিজা নিজা আঁচনি কৰি লৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মোৰ আগৰ প্ৰশ্নৰ উত্তৰ শেষ হোৱা নাই। বিভিন্ন বিভাগে নৰ্মেল বাজেটৰ পৰা শিশুৰ কাৰণে বেলেগে টকা ধাৰ্য্য কৰিছেনে ? যদি কৰিছে কোন কোন বিভাগে কিমান কিমান টকা এই আঁচনিৰ কাৰণে ধৰা হৈছে মন্ত্ৰী ডাঙৰীয়াই জনাবনে ?

শ্ৰীৰমণী বৰ্মণ ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—মোৰ হাতত খবৰ নাথাকিলে মই কেনেকৈ জনাম। বিভিন্ন বিভাগে তেখেতসকলৰ বাজেটত কিমান টকা ধৰিছে——সেইটো মোৰ ফালৰ পৰা কোৱা টান হব।

শ্ৰীঅতুল গোস্বামী :—আন্তৰ্জাতিক শিশুবৰ্ষৰ কথা কৈ আছে। মন্ত্ৰী মহোদয়ে জনাবনে—নগাওঁ বৰহমপুৰ বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰা শ্ৰীঅমলেন্দু চুতীয়া নামৰ লৰাজনক স্কলাৰশ্বিপ দিয়া নাই। এইটো এই আন্তৰ্জাতিক শিশুবৰ্ষৰ এটা ওলোটা কাৰ্য্য হোৱা বুলি মন্ত্ৰী মহোদয়ে নাভাবেনে ?

শ্ৰীৰমণী বৰ্মণ (ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—এইটো মই আজিয়েই খবৰ কৰিম।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে—এই আচনিখন কেন্দ্ৰীয় চৰকাৰৰ সাপেক্ষে লৈছে নে অসম চৰকাৰৰ সাপেক্ষে লৈছে ? আৰু যদি কেন্দ্ৰীয় চৰকাৰৰ সাপেক্ষে এনেকুৱা আচনি লৈছে—তেতিয়াহলে যিবিলাক লৰাছোৱালীৰ পিন্ধিবলৈ কাপোৰ নাই—ফলমূল-এক দিনৰ বাবে দিলেই নহয়—এনেকুৱা কাপোৰ কানি পিন্ধিবলৈ নথকা লৰাছোৱালীক কাপোৰ-কানি দি সহায় কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰমণী বৰ্মণ ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—এই আচনিটো কেৱল কেন্দ্ৰীয় চৰকাৰৰ কাৰণেই নহয়—আন্তৰ্জাতিক শিশুবৰ্ষ হিচাবে পালন কৰা হয়। মাননীয় সদস্যই জানে যে—আমাৰ দুৰ্দ্দশাৰ সীমা নাই—গতিকে আন্তৰ্জাতিক শিশু বৰ্ষই এই গোটেই বিলাক সমস্যা সমাধান কৰিব বুলি মই ভাবিব নোৱাৰো। লগে লগে মাননীয় সদস্যৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে—এই ধৰণৰ বিভিন্ন অৰ্গেনাইজেচনে কাম কৰি আছে আৰু তেখেত সকলৰ লগত আমাৰ বিভাগৰ সংযোগ আছে—অধিক সাহায্য আগবঢাবৰ কাৰণে। কিন্তু আমাৰ চৰকাৰৰ পক্ষে এই আন্তৰ্জাতিক শিশুবৰ্ষ সাফল্যমণ্ডিত কৰিব পৰা নহয়—যদিহে স্ব-ইচ্ছাই এই ভলন্টিয়াৰী অৰ্গেনাইজেচন বিলাকে আগবাঢ়ি নাহে।

শ্ৰীবীৰেশ মিশ্ৰ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় আমাদের জানিয়েছেন যে শিশুকল্যানের জন্য এবারে আমাদের রাজ্যের মাত্র ৪ লক্ষ টাকা বরাদ্দ করা হয়েছে। কিন্তু মাননীয় মন্ত্ৰী মহোদয় একথা জানেন কি যে কেরালার মতো ছোট একটা রাজ্যে এবছৰে এই ব্যাপারে ৬০ লক্ষ টাকা বাজেটে ধরেছেন।

( ভয়েস—২ কোটি টাকা ধরা হয়েছে, কেরালাতে )

আর, আমাদের রাজ্যে যে টাকা ধরা হয়েছে, এতে আমাদের রাজ্যের প্রত্যেক শিশু প্রতি এক বছরে ২০ থেকে ২৫ পয়সার বেশী পড়বে না। সুতরাং এই অবস্থায় আমাদের মন্ত্ৰীমহোদয় জানাবেন কি যে এই ব্যাপারে তারা পুনর্বিবেচনা করে এই টাকার অঙ্ক বাড়িয়ে অন্ততঃ ৫০ লাখ টাকা দিতে পারবেন কি ?

শ্ৰীৰমণী বৰ্মণ ( মন্ত্ৰী ) :—উপাধ্যক্ষ মহোদয়, এইটো কেৰেলা চৰকাৰে ৮০ লাখ টকা এবছৰতে ধৰা নাই নিশ্চয়—এইটো খবৰ কৰি চাব লাগিব।

শ্ৰীপ্ৰমোদ গগৈ :—বাজেট পাছ হৈ গৈছে দুই লাখ টকা In Kerala, two crores for the coming years.

শ্ৰীৰমণী বৰ্মণ ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—এই গোটেইটোতে আমাৰ ষষ্ঠ পৰিকল্পনাত কিছু টকা বঢ়াব পৰা যাব। ইতিমধ্যে আমি খবৰ পাইছো—এই শিতানত ৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

শ্ৰীছামচুল হুদা :—মন্ত্ৰী মহোদয়ে জনাবনে—আন্তৰ্জাতিক শিশুবৰ্ষৰ আচনিত শিশুৰ কল্যাণৰ কাৰণে—স্বাস্থ্যৰ কাম হিচাবে শিশু-সাহিত্যৰ ভাল কিতাপ ছপাই বিনা পইচাত বিতৰণ কৰাৰ ব্যৱস্থা কৰিব নে !

শ্ৰীৰমণী বৰ্মণ ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) :—শিশুৰ কিতাপ ছপোৱাৰ কাৰণে আমি উৎসাহ দিব পাৰো আৰু এই বিষয়ৰ আলোচনা আদি প্ৰকাশ কৰিব পাৰো—কিন্তু বিনা পইচাত বিতৰণ কৰা যাবনে নাযায়—সেইটো মই কব নোৱাৰোঁ।

**Re : District Industrial Centres**

**Shri Md. Fokhrul Islam** asked :

*371. Will the Minister, Industries be pleased to state—

(a) What is the actual amount of money granted by the Central Government for the District Industrial Centres in Assam during the year 1978-79 ?

(b) What is the actual amount utilised by Government of Assam during the same period and for what specific purposes ?

(c) Whether the District Industrial Centres have started functioning properly and whether any industrial Unit has received any help from them ?

(d) What is the amount the Government is expected to get from the Central Government under this head during the 6th Plan period ?

**Shri Jagannath Sinha** (Minister, Industries) replied :

371. (a)—The Central Government have allocated a sum of Rupees twenty five lakhs for the year 1978-79.

(b)—An amount of Rs. 25.00 lakhs has been sanctioned by the Assam Government on the basis of allocation of the Government of India. The actual expenditure incurred in 1978-79 will be available only after 31st March, 1979.

(c)—The District Industries Centres of (1) Kamrup, (2) Nowgong, (3) Goalpara, (4) Dibrugarh and (5) Cachar have already started functioning. The Industrial units are receiving help from the District Industries Centres.

(d)—No specific allocation has yet been made.

**Shri Md Fokhrul Islam :** Mr. Deputy Speaker Sir, may I know from the hon'ble Minister what are the industrial units receiving financial assistance this year in the Cachar district industrial centres ?

**Shri Jagannath Sinha** (Minister, Industries) :—Sir, the number of sick units in Cachar district credit assistance given from financial institutions is 3.

**Shri Md. Fokhrul Islam :**—Sir, do they not like to pioneer new industries ? Whether there has been any new industrial unit in Crchar district ?

**Shri Jagannath Sinha,** (Minister, Industries) :—Yes, Sir, it is in the action plan. I can give the details about Cachar industrial units, the number of new units. Proposed artisans under the District of Cachar is 298 and A.S.I. 297. Investment and anticipated AIC fund Rs. 9 lakhs State fund 1 lakh, Financial institutions Rs. 42 lakhs and others 18·5 lakhs.

**Shri Mukut Sarma** :—Sir, he wanted a specific reply on a specific question, and this should be specifically stated by the Minister.

**Shri Md Fokhrul Islam** :—Sir, my question was what are specific units receving help as sick industries in Cachar district. Minister should give the list of such units and the expenditure thereon. So it should be specifically stated.

**Shri Jagannath Sinha,** (Minister, Industries) :—Mr. Deputy Speaker Sir, so many cases have been processed in the district units and the Cachar District industrial centre has only been started from 15th of August and thereafter all sorts of processing are going on. This is in the action plan for the next year which we are doing.

**শ্ৰী অতুল গোস্বামী** :—উপাধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে মই মন্ত্ৰী মহোদয়ক সুধিব বিছাৰিছো কাছাৰত ডি, আই, চি এ কিমান ইউনিটক সহায় কৰিছে ? আৰু কি পৰিমাণে দিয়া হৈছে ? নাম কেইটা আমাক জনাবনে ?

**Shri Jagannath Sinha,** (Minister) :—Sir, the particulars about the individual members are not with me. If the honourable members so desire I can give.

**Shri Mukut Sarma** :—Sir, the Minister has not replied the question correctly. So, this question should be kept pending.

**Shri Golok Rajbongshi** :—Mr. Deputy Speaker Sir, it is a specific question. When the question is specific the Minister must specifically give reply. Why the Minister will not reply it ? I want safeguard from the Chair.

**Shri Jagannath Sinha,** (Minister, Industries) :—Sir, I have stated it correctly. Three units have been assisted, 17 units have been identified and a number of new registrations have been made. I can submit the specific names.

(Interruptions)

**Mr. Deputy Speaker :** Order, order.............(interruptions)

**Shri Altaf Hussain Mazumdar** :—Sir, the Minister has already stated that 3 units have been assisted and he has not got the names of those units. Honourable members are concerned with the names. So, will the Minister be pleased to place the names on the table of the House.

(voices—are you a defence lawyer or a pleader)

(interruption)

**Mr. Deputy Speaker :** Order, order...........as the Ministry has said that he is supplying the names later, he will give it. So, we can pass over to the next question.

(Voices—this should be kept pending.........let the Minister be prepared)

**Shri Jagannath Sinha**, (Minister) :—I am already prepared and have given reply correctly.

(Interruptions)

**Shri Giasuddin Ahmed :** Sir, when a supplementary to a relevant question is put, we understand that there may arise some difficulties for the Minister concerned to reply, But when in the main question itself it is specifically asked, "whether any industrial unit has received any help", it appears the Minister is not ready with the answer. This is most unfortunate. Sir, I think there should be a stricture from the Chair on this.

**Shri Altaf Hussain Mazumdar :** Sir, Sir, I raise a point of order.

(many voices of interruptions)

**Mr. Deputy Speaker :** There is no such scheme that the Minister be given stricture. So, there is no point of order.

(interruptions)

**Shri Ranendra Narayan Basumatari :** Sir, I want to know from the Hon'ble Minister that some expert or trained persons are required to promote the industries and these are the new districts industrial centres as such whether these district industrial centres will be manned by trained personnel or by the A.C.S officers. I want categorical reply from the Minister.

**Shri Jagannath Sinha,** (Minister Industries) : Sir, in the 5 districts, 3 posts of G. M. are manned by technical person and two posts are manned by A.C.S. Officer also. who have been trained.

শ্ৰীযুকুত শৰ্মা ঃ—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, জিলা উদ্যোগ কেন্দ্ৰ বিলাক কেন্দ্ৰীয় চৰকাৰে কেতিয়াৰ পৰা আৰম্ভ কৰাৰ কথা আছিল ? আৰু অসমত কোন তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে ? দ্বিতীয় কথা হ'ল জিলা উদ্যোগ কেন্দ্ৰ বিলাকত এচিচটেণ্ট মেনেজাৰ সকলৰ নিয়োগ কি কাৰণে হোৱা নাই ?

**Shri Jagannath Sinha** (Miuister)—Sir, the District Industries Centre was taken up during the last year and this is a programme which is being implemented in a phased manner, and here in Assam it has been implemented in a phased menner and 50% of Assam has been covered. As regards the appointment of Asstt. Managers, some anomaly was found and I have cancelled these appointments and the matter is being examined.

**Shri Giasuddin Ahmed**—Sir, under Rule-33 subrule-3, it is stated-'starred questions shall be answered orally and the answer to unstarred question shall be printed or typed along with the question,. The starred question shall be answered and so this is mandatory on the part of the Minister to reply to the starred question'. Here is a specific question—'how many industriel units have been helped or assisted ; that is the specific question, and that has not been answered which is in violation of subrule 3 of Rule-33. That is my point of order.

**Shri Jagannath Sinha** (Minister)—Sir, this has been answered.

**Mr. Deputy Speaker**—I cannot give stricture to the hon'ble Minister. Now, the next question.

**Shri Golak Rajbongshi**—Sir, whether the point of order that has been raised can be disposed of without your ruling on that.

শ্ৰীনগেন বৰুৱা ঃ—উপাধ্যক্ষ মহোদয়, আপোনাৰ ৰুলিং হৈ যোৱাৰ পাছত কোনোবাই পইন্ট অফ অৰ্ডাৰ ৰেইজ কৰিব পাৰেনে নোৱাৰে ?

শ্ৰীগোলোক ৰাজবংশী ঃ—এতিয়াও ৰুলিং দিয়া হোৱা নাই।

**Shri Nagen Barua** : It was already over-ruled.

**Shri Giasuddin Ahmed**—Sir, here I quoted the rule and raised a point of order and now this should be disposed of.

**Shri Keshab Chandra Gogoi** (Minister)—The Rule 33 subrule 3 states—'starred questions shall be answered orally'.

Here the question is—'whether the District Industrial Centres have started functioning properly and whether any industrial Unit has received any help from them'. The hon'ble Minister has answered this question that only three sick Units were given assistance and regarding others, they have been identified and he further said that these are under process, as the District Industries Centres were started on 15th August/78. So, it was not possible to give financial assistance or to start industries immediately. The processing is going on and after the processing is over then only the question of giving finnancial assistance come in. So, Sir, the question has been answered by the hon'ble Minister already.

**Shri Atul Chandra Goswami**—What are the names of these 3 sick industries ?

**Shri Jagannath Sinha** (Minister)—The names of these sick industries I will furnish to the House.

**Shri Golak Rajbongshi**—Whether on the point of order raised by Shri Gisauddin Ahmed, there would be a ruling. I agree with Shri Nagen Barua and say that whatever ruling given rightly or wrongly, that cannot be opened again.

**Shri Keshab Chandra Gogoi** (Minister)—Ruling cannot be given wrongly.

(noise......)

**Mr. Deputy Speaker**—It cannot be said that it is 'rightly or wrongly'.

**Shri Nagen Barua**—The ruling when it is given it is rightly given ; but there is no question of 'righly or wrongly'. So, the word 'wrongly' should either be withdrawn or expunged.

**Mr. Deputy Speaker** :—The word 'wrongly' must be withdrawn.

**Shri Golak Rajbongshi**—Sir, when ruling is given, generally, the House is to accept it. When the ruling has not come, whether that can be re-opened on a point of order.

**Mr. Deputy Speaker**—'Rightly or wrongly' you cannot say. Once you have accepted it, there is no question of saying 'rightly or wrongly'.

**Shri Nagen Barua**—Sir, what is the fact of that ? "Whether that part is to be withdrawn or not ?"

**Shri Colak Rajbongshi**—It is not the question of withdrawing.

(noise,......)

**Mr. Deputy Speaker**—The word 'wrongly' should be withdrawn.

**Shri Golak Rajbongshi**—The word 'rightly or wrongly' that is not an aspersion ; we have accepted the ruling.

**Mr. Deputy Speaker**—When the word 'wrongly' is there, that should be withdrawn.

**Shri Nagen Barua**—Sir, this is an aspersion to the Chair.

**Shri Dulal Chandra Barua** (Minister)—Whatever ruling is given by the Chair, it is the convention of the House to accept it as right. There is no question of doubting it. If any hon'ble member expresses any doubt, that sort of doubt should be withdrawn.

**Shri Golak Rajbongshi**—I want to know which is the word that should be withdrawn. Whatever be the merit of that, I accepted it as right.

**Shri Dulal Chandra Barua** (Minister)—As the word 'wrongly' has been used, the word 'wrongly' should be withdrawn. I would request the hon'ble member to maintain the dignity of the House. The hon'bəl member who also adorned this chair, he should not mind to withdrawn that portion.

**Shri Sarat Chandra Sinha**—I do not think there should be any dispute because the ruling that has been given by the Chair, that has been accepted.

**Mr. Deputy Speaker**—I do not disagree with you, but when the word—'wrongly' was used in the House, I stick to say that the portion 'wrongly' should be withdrawn.

**Shri Golak Rajbongshi**—By 'rightly or wrongly' that is not my opinion (.......noise )

**Mr. Deputy Speaker**—The word 'wrongly' should not have been used. It has somehow come out from your mouth, and so that word should be withdrawn. What is the harm to withdrawn the word—wrongly'?

**Shri Golak Rajbongshi**—I do not mind to withdraw. But I want that the intention of expressing it is qualified and so the acceptance is the final intension. For that in the Parliament there may be some dispute about the finding of the Speaker, but only the spirit of acceptance prevails.

শ্ৰীনগেন বৰুৱা—অপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত তেখেতে যেতিয়া আপোনাৰ ৰুলিং মনা নাই। মই তেখেতৰ ওপৰত আপোনাৰ অনুমতি সাপেক্ষে ব্ৰিচ্ অৱ প্ৰিভিলাইজ আনিছো। আৰু এই ব্ৰিচ্ অৱ প্ৰিভিলাইজ মতে যি শাস্তি পায়, সেই শাস্তি বিধান কৰিবলৈ অনুৰোধ জনালো।

**Shri Golak Rajbongshi**—The alternative is that the Speaker is to expunge it.

**Shri Nagen Barua**—Sir, this is highly objectionable. You have issued direction to the hon'ble member. We have said that the Speaker's ruling cannot be doubtful ; the ruling, whatever is given, it should be accepted into to. All the hon'ble members including the leaders of the Opposition are conversant with the rules. When you have expressed the desire that the portion should be withdrawn, but when he has insisted that it should be expunged this is a question of privilege of the House.

**Shri Sarat Chandra Sinha**—The hon'ble Member has accepted the ruling.

**Mr. Deputy Speaker**—The word 'wrongly' should be withdrawn.

**Sbri Altaf Hussain Mazumdar**—When the Chair has given the ruling, the hon'ble member should withdraw it ; he was also in the chair earlier in this House ; he should come straightaway to withdraw it.

**Shri Golak Rajbongshi**—I have all the respect for the chair and I have accepted the ruling.

**Shri Sarat Chandra Sinha**—After acceptance of your ruling, I do not think there should be any dispute.

**Mr. Deputy Speaker**—The word 'wrong' which is used, I want that this should be withdrawn.

**Shri Dulal Chandra Barua** (Minister)—Sir, I am appealing to the hon'ble member through you to withdraw that particular portion of his expression that he has made in order to maintain the dignity

of the House. I am hopeful that he will withdraw that portion, because once he also adorned this chair. But if he wants to disregard the direction of the chair, we will have no other alternative but to draw the attention of the House through you.

**Shri Sarat Chandra Sinha**—We have accepted the ruling of the Deputy Speaker and we have full respect to the Chair. I think there is no disrespect shown to the Chair.

**Mr. Deputy Speaker**—It is also the ruling that I have asked the hon'ble member to withdraw the word 'wrongly'.

**Shri Nagen Barua**—Sir, under the Rules of procedure and Conduct of Business in Assam Legislative Assembly. with your permission, I like to raise a question of breach of privilege. Rule 158 says "A breach of privilege, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House :

(i) by a complaint from a member ;
(ii) by a petition ; or
(iii) by a report from a Committee :

Provided that if the breach is committed in actual view of the House, the House may take action without complaint.

**Shri Sarat Chandra Sinha**—After acceptance of the Chair's ruling there is no breach of privilege.

**Shri Dulal Chandra Barua** ( Minister )—The leader of the opposition has not tried to realise the position. We are not going to do any harm ; we are not vindictive too. ( Vioces : this is not a question of breach of drivilege ) why not ? This is a breach of privilege. Sir, if any member disrespect the chair you can name him and ask him to withdraw his remark.

**Shri Giasuddin Ahmed**—Mr, Deputy Speaker, Sir, we have shifted from one point to another. Now a question of breach of privilege has come up. Regarding the first, the hon'ble member's using the words "rightly or wrongly" indicates that some times the Speaker or the Deputy Speaker is likely to give wrong ruling also. This is not proper. This is an aspersion and I would also appeal to the hon'ble member to withdraw that portion ( applause ). Regarding the second point of breach of privilege, I think that will not come if the word 'wrongly' is withdrawn.

**Shri Nagen Barua**—But he is not withdrawing. He is wasting the time of the House.

**Shri Promode Gogoi**—Sir, regarding the breach of privilege the hon'ble Minister for Parliamentary Affairs says it is a breach of privilege. But I think it does not come within the purview of breach of privilege. If any member disobeys the direction given by the Chair action can be taken by the Speaker or Deputy Speaker. But if we decide to raise a breach of privilege on this issue almost daily we will have to go for a breach of privilege against many Ministers.

**Shri Dulal Chandra Barua** ( Minister )—I am sorry, a senior member like......

**Shri Promode Gogoi**—I am not ready to learn from him.

**Shri Dulal Chandra Barua** (Minister)—I am amused to see his attitude.

**Shri Mukut Sarma**—You have shown it from this side of the House.

**Shri Dulal Chandra Barua** (Minister)—Yes, but we have maintained dignity of the House. I want to remind the hon'ble member that he has shown disrespect to the House and the to chair. It amounts to breach of privilege. Hon'ble member has dishonoured the House as well as the Chair. It is a clear case of breach of privllege.

**Mr. Deputy Speaker**—I point to Rule 297 of the Rules of Procedure and Conduct of Business. It says "The Speaker may direct any member whose conduct is in his opinion grossly disorderly to withdraw immediately from the House, and any member so ordered to withdraw shall do so forthwith and shall absent himself during the remainder of the day's meeting." Then Rule 298 (i) says "The Speaker may, if he deems necessary, name a member who disregards the authority of the Chair or abuses the rules of the House by persistently and wilfully obstructing the business thereof". In (2) it says "If a member is so named by the Speaker. he shall forthwith put the question that the member (naming him) be suspended from the service of the House during the remainder of the session :

Provided that the House may. at any time, on a motion being made, resolve that such auspension be terminated."

Now ( to Shri Golak Rajbangshi ) are you ready to withdraw the word ?

**Shri Golak Rajbangshi**—I had to intention (interruption).

**Shri Mukut Sarma**—He must be allowed to explain his position.

**Mr. Deputy Speaker**—I will surely allow him to speak.

**Shri Golak Rajbangshi**—I had no intention to cast any aspersion on the ruling of the Chair. If the House wants I am ready to withdraw. Still I say it was not my intention. There was no intention to disregard the Chair. So if the Chair wants I regret for it (voices).

**Mr. Deputy Speaker**—He has said that he had no intention. The word 'wrongly' was not used with any intention. There is no mens rea. The hon'ble member has regretted. ( voices : he has not withdrawn ) It amounts to withdrawal.

The Question Hour is over. Now Short Notice question.

*Undisposed Starred Questions dated 28-3-79.*

Re : **Haflong College**

**Shri Khagen Borbaruah**—asked :

*372. Will the Minister Education be pleased to state—

(a) When the Haflong College was provincialised ?

(b) Whether the Heads of department of the College have been appointed ?

(c) If so, when ?

(d) If not, the reasons thereof.

**Shri Lakshyadhar Choudhury** (Minister of Education) replied :

372. (a)—5th November, 1975.

(b)—No.

(c)—Does not arise.

(d)—For non-finalisation of inter-se seniority in the College.

Re : **Badarpur Industrial Estate**

**Shri Ramendra De** asked :

*337. Will the Minister, Industries be pleased to state—

(a) Whether the previous Government had established an Industrial Estate at Badarpur ?

(b) What were the reasons for handing over it to the private Entrepreneurs ?

(c) Whether it is a fact that the Government has decided to set up another Industrial Estate in the District of Cachar ?

(d) Whether the Government will take over the Industrial Estate at Badarpur and develop it instead of setting up a new one ?

(e) If not, why ?

**Shri Jagannath Sinha** (Minister, Industries) replied :

373. (a)—Yes.

(b) The Industrial Estate Badarpur has never been handed over to the Private Entrepreneurs. The sheds are rented out to private enterpreneurs as per policy laid down by Government of India.

(c)—No. There is no decision at present for setting up another Industrial Estate in the District of Cachar.

(d)—Does not arise in view of (b) above.

(e)—Does not arise.

### বি ঃ চাহ বাগিছা

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে ঃ

* ৩৭৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কিমানখন চাহ বাগিছা আছে ?

(খ) ইয়াৰ ভিতৰত কিমানখন দেশী আৰু কিমানখন বিদেশী ?

(গ) এই চাহ উদ্যোগটো ৰাষ্ট্ৰীয়কৰণ কৰিবৰ বাবে চৰকাৰে বিবেচনা কৰিছে নেকি ?

(ঘ) যদি কৰিছে, তেন্তে কেতিয়া কৰিব ?

(ঙ) যদি কৰা নাই, কিয় কৰা নাই জনাবনে ?

শ্ৰীজগন্নাথ সিংহ ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৭৪। (ক)—অসমত ৭৬১ খন চাহ বাগিছা আছে।

(খ)—ইয়াৰ ভিতৰত ৬৫৭ খন ভাৰতীয় প্ৰতিষ্ঠানৰ মালিক স্বত্বাধীন আৰু ১০৪ খন ষ্টাৰ্লিং কোম্পানীৰ কৰ্তৃত্বাধীন।

(গ)—বিষয়টো চৰকাৰে অধ্যয়ন কৰি আছে।

(ঘ)—এই সংক্ৰান্তত চৰকাৰে এখন সমিতি গঠন কৰি দিছে। উক্ত কমিটিৰ ৰিপৰ্ট পোৱাৰ পিচত ব্যৱস্থা হাতত লোৱা হ'ব।

(ঙ)—গ আৰু ঘ প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বি ঃ অসম চাহ নিগমৰ অধীনস্থ চাহ বাগিছাৰ চাহ পাত

শ্ৰীপ্ৰতাপ কলিতাই সুধিছে ঃ

* ৩৭৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা বছৰত অসম চাহ নিগমৰ অধীনত থকা চাহ বাগিছা বিলাকৰ পৰা কিমান পৰিমাণৰ চাহ বজাৰত বিক্ৰী কৰা হৈছে ?

(খ এই চাহ বাগিছা বিলাকৰ চাহ পাত কোন গুদামত থোৱা হয় ?

শ্ৰীজগন্নাথ সিংহ ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৭৫। (ক)—যোৱা বছৰ অসম চাহ নিগমৰ অধীনত থকা বাগিছাবোৰৰ পৰা মুঠ ৪৭,৫৯,৬৮৯ কিলোগ্ৰাম চাহ বজাৰত বিক্ৰী কৰা হৈছে।

(খ)—অসম চাহ নিগমৰ অধীনত থকা চাহ বাগিছাৰ চাহ পাত তলত উল্লেখ কৰা গুদামবোৰত থোৱা হয়।

গুৱাহাটী (১) অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম।
(২) ইষ্টাৰ্ণ টি ৱেৰহাউচিং কো-অপাৰেটিভ চোচাইটি লি ঃ
(৩) চলিহা ৱেৰহাউচিং কোম্পনী।
(৪) ষ্টোৰৱেল প্ৰাঃ লিঃ।
(৫) নিউ গুৱাহাটী টি ৱেৰহাউচ।
(৬) টি, টি, পি ৱেৰহাউচিং।
(৭) নীলাচল টি ষ্টোৰেজ।
(৮) আসাম টি ৱেৰহাউচিং কৰ্পোৰেচন।
(৯) প্ৰাজ টি ৱেৰহাউচ।

কলিকাতা (১) ডানকান ব্ৰাদৰ্চ এণ্ড কোঃ লিঃ।
(২) মেকানিকেল এণ্ড মেগৰ টি ৱেৰহাউচ।

লণ্ডন (১) বেনবাৰী টি ৱেৰাহাউচ।

## Re : Construction of P. H. C. at Ranibari and Boropunjee

**Shri Nishith Ranjan Das** asked :

*376. Will the Minister of state. Health be pleased to state—

(a) Whether it is a fact that the construction of building for P. H. C. of Ranibari and Boropunjee of Karimganj Sub-division has been completed ?

(b) If so, whether it is a fact that in spite of thc completion of the buildings no Doctors, Compounders, Nurses have been posted there and there is no arrangement for supply of medicines.

(c) If so, why ?

(d) What action has been taken by Government to provide all facilities to these centres so that these centres can function effectively ?

**Dr. Koshewar Bora** ( Minister of State, Health ) replied :

376. (a)—There is no proposal to construct P. H. C. at Ranibari and Boropunjee of Karimganj Sub-division.

(b) Does not arise.

(c) Does not arise.

(d) Does not arise.

## বিঃ হাজো সমষ্টিৰ উন্নত পশুপালন আঁচনি

শ্ৰীৰবীন্দ্ৰ নাথ মালাকৰে সুধিছে ঃ

*৩৭৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উন্নত পশুপালন আঁচনি হাজো সমষ্টিত আছেনে আৰু যদিহে আছে, তেনেহ'লে কোন ঠাইত এই আঁচনি ফলৱতী কৰা হৈছে ?

(খ) হাঁহ কুকুৰা পোহা ঋণ হাজোৰ কিমান জন দুখীয়া ৰাইজক দিয়া হৈছে ?

(গ) এই ঋণ দিয়াৰ পদ্ধতি কি ?

(ঘ) এই ঋণ আদায়ৰ নিয়ম কি ?

(ঙ) উক্ত কিমান ঋণ আদায় কৰিবলৈ বাকী আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( পশুপালন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৩৭৭। (ক)—আছে। এটা এটা কৃত্ৰিম প্ৰজনন কেন্দ্ৰ হাজো পশু চিকিৎসালয় প্ৰাঙ্গনত আছে আৰু হাঁহ কুকুৰাৰ এথন আছে। তাৰ উপৰিও দদৰা, কুলহাটী, ৰামদিয়া, হালোগাঁও আৰু শুৱালকুছিত প্ৰজজন উপকেন্দ্ৰ আছে। ইয়াৰ উপৰিও বিশেষ পশুপালন আঁচনিৰ অন্তৰ্গত হাজো উন্নয়ন খণ্ড এলেকাত হাঁহ পোহা আঁচনি বেংকৰ সাহায্যত লোৱা হৈছে।

(খ) হাঁহ কুকুৰা পোহাৰ ঋণ ২৭ জন দুখীয়া ৰাইজক দিয়াৰ লগতে চৰকাৰী সাহায্য দিয়া হৈছে। তালিকাখন সদনৰ মেজত দিয়া হ'ল।

(গ) স্থানীয় তদন্ত সাপেক্ষে ক্ষুদ্ৰ উপান্ত ও ভূমিহীন খেতিয়কক ঋণ দিয়া হয়।

(ঘ) ঋণ পোৱা কৃষক গৰাকীয়ে ঋণ আঁচনিৰ পৰা উৎপাদন হোৱা সামগ্ৰীসমূহ বিক্ৰী কৰি উপাৰ্জন কৰা ধনৰ পৰা বেংকৰ নিৰ্দ্দেশ অনুযায়ী বন্ধ নিয়মীয়া কিস্তিত ঋণ পৰিশোধ কৰিব লাগিব।

(ঙ) ১৮,৫৫৫ টকা বাকী আছে।

## বি: মাকুমৰ কয়লা

শ্ৰীমুকুট শৰ্মাই সুধিছে :

*৩৭৮। মাননীয় খনি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ মাকুমৰ কয়লা তাঁথা প্ৰকল্পৰ কাৰণে উপযোগী বুলি কয়লা বিশেষজ্ঞসকলে মত প্ৰকাশ কৰাৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে অসমত এটি ক্ষুদ্ৰ তাঁথা প্ৰকল্প স্থাপন কৰিবৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীএ, এফ, গোলাম ওছমানী ( খনি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৮। (ক)—হয়, জানে।

(খ)—অকল কয়লাৰ ওপৰত ভিত্তি কৰি তাঁথা প্ৰকল্প স্থাপন কৰাৰ প্ৰশ্ন নুঠে।

## বি: বৰঘাট পুলিচ চকী

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে :

*৩৭৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ থানাৰ অন্তৰ্গত বৰঘাট নামে পুলিচ চকী এটা আছে নেকি ?

(খ) যদি আছে, এই চকীটো বৰ্তমানে ক'ত আছে ?

(গ) বৰঘাটৰপৰা এই চকীটো কিমান দূৰত অৱস্থিত।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৯। (ক)—হয়, আছে।

(খ)—এই চকী বৰ্তমান পাঁচ মাইল নামে ঠাইত অৱস্থিত।

(গ)—৫ কিলোমিটাৰ।

## বি: উত্তৰ লক্ষীপুৰ পৌৰ সভাৰ দূৰ্নীতিৰ প্ৰতিবেদন

শ্ৰীশূল বৰাই সুধিছে :

*৩৮০। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ নগৰৰ পৌৰ এলেকাৰ কৰদাতা সকলে জনোৱা পৌৰসভাৰ দুর্নীতি সম্পৰ্কত চৰকাৰে পৌৰ বিভাগৰ সঞ্চালক বা আন বিষয়াৰ দ্বাৰা কেতিয়াবা তদন্ত কৰাইছে নে ?

(খ) যদি কৰাইছে উক্ত প্ৰতিবেদন সদনত প্ৰেছ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৮০। (ক —লোক সমিতিৰ চেয়াৰমেন আৰু সাতজন কমিচনাৰৰ পৰা পোৱা দৰখাস্তৰ ওপৰত চৰকাৰে পৌৰ বিভাগৰ সঞ্চালকৰ দ্বাৰা ১৯৭৬ চনৰ অক্টোবৰ মাহত তদন্ত কৰাইছে।

(খ)—প্ৰতিবেদন খনৰ নকল সদনৰ মেজত প্ৰেছ কৰা হ'ল।

## বি ঃ ১৯৭৫ চনৰ ৫ চেপ্তেম্বৰৰ পিছত অৱসৰ পোৱা শিক্ষকৰ প্ৰভিডেণ্ট ফাণ্ডৰ টকা

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে ঃ

*৩৮১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৫ চনৰ ৫ চেপ্তেম্বৰৰ পিছত ৫৫ বছৰ সম্পূৰ্ণ হোৱাত অৱসৰ পোৱা শিক্ষক-সকলৰ প্ৰভিডেণ্ট ফাণ্ডৰ টকা ওভোটাই দিয়া নাই নেকি ?

(খ) উক্ত শিক্ষক সকলৰ ভৰণ পোষণৰ বাবে চৰকাৰে গ্ৰেচুইটি বা আন আৰ্থিক সাহায্য দিয়াৰ আঁচনি আছে নেকি ?

(গ যদি আছে কেতিয়াৰ পৰা এনেধৰণে উক্ত আঁচনি কাৰ্য্যকৰী কৰা হ'ব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৮১। (ক)—প্ৰভেডেণ্ট ফাণ্ডৰ সমুদায় টকা ঘুৰাই দিবলৈ সকলো উপ-পৰিদৰ্শকক যাবতীয় নিৰ্দেশ দিয়া হৈছে। যদি কাৰোবাক ঘুৰাই দিয়া নাই সেই কথা আমাৰ দৃষ্টি গোচৰ হোৱা নাই।

(খ —যি সকল শিক্ষক ৫।৯।৭৫ তাৰিখে Provincialisation ৰ কাৰণে ৬০ বছৰ পুৰ হোৱাৰ আগেয়ে অৱসৰ ল'লে সেই শিক্ষক সকল ৬০ বছৰ বয়সলৈকে মাহে ৫০ টকাকৈ আৰ্থিক সাহায্য দিয়া হৈছে। ইয়াৰ বাদে অৱসৰ প্ৰাপ্ত শিক্ষকৰ ভৰণ পোষণৰ বাবে অন্য কোনো আঁচনি নাই

(গ)—উক্ত আৰ্থিক সাহায্য ৫ ৯।৭৫ তাৰিখৰ পৰ দিবলৈ নিৰ্দেশ দিয়া হৈছে।

## বি ঃ চৰকাৰীকৰণৰ পিছত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰভিডেণ্ট ফাণ্ডৰ টকা

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে ঃ

*৩৮২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

4

(ক) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ চাকৰি চৰকাৰী কৰণৰ পিচত শিক্ষকৰ প্ৰভিডেন্ট ফান্দৰ টকা জমা দিয়া হৈছে নেকি ?

(খ) যদি হোৱা নাই, আন চৰকাৰী কৰ্ম্মচাৰীৰ দৰে শিক্ষকৰো প্ৰভিডেণ্ট ফান্দত দৰমহাৰ একাংশ জমা হোৱাৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৮২। (ক)—নাই হোৱা।

(খ)—এই সম্পৰ্কে মহাগাণিক (Accountant General) ৰ লগত যোগাযোগ কৰি থকা হৈছে।

## Re : Establishment of a Sub-Treasury at Ramkrishna Nagar

**Shri Md Fakhrul Islam** asked :

*383. Will the Minister, Finance be pleased to state—

**Mr. Deputy Speaker** : I put the main motion that the Assam Finance (Sales Tax) (Amendment) Bill, 1979 be passed.

(after a pause)

The motion passed ; the Bill is passed.

Now item 9. Here is a message from the Governor of Assam which reads as follows :

"Rajbhavan, Dated, Shillong—Under the provisions of Article 207 (3) of the Constitution of India, I, Lallan Prassad Singh, Governor of Assam, recommend that the Assam Amusements and Betting Tax (Amendment) Bill, 1979 be taken up for consideration by the Assam Legislative Assembly.

Sd/- **Lallan Prasad Singh**
Governor of Assam"

**Shri Keshab Chandra Gogoi,** (Minister) : Sir, I beg to move that Assam Amusements and Betting Tax (Amendment) Bill, 1979 be taken into consideration.

শ্ৰীমুকুট শৰ্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে—অসমৰ এটা ভ্ৰাম্যমান নাট্য গোষ্ঠীয়ে এটা আলোড়ণৰ সৃষ্টি কৰিছে। নাটক পৰিচালনাৰ ক্ষেত্ৰত আৰু অভিনয়ৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষতে আলোড়ণৰ সৃষ্টি কৰিছে বুলি কব পৰা যাব। কাৰণ অসমৰ বাহিৰেও ইতিমধ্যে পশ্চিমবঙ্গ আদিত গৈ এই নাট্য-গোষ্ঠীয়ে যথেষ্ট সুনাম অৰ্জ্জন কৰিছে। অসমত বহুতো তেনে নাট্যগোষ্ঠী গঢ়ি তুলিবৰ কাৰণেও চেষ্টা কৰিছে—বহুতো স্কুল-কলেজত এই বিষয়তো হ'ব ধৰিছে আৰু এই-বিলাক হোৱা উচিত। এই কথা মই যোৱা বাজেট বক্তৃতাৰ সময়তে কৈছিলো—এতিয়া আকৌ কব বিচাৰিছো যে—এই নাট্যগোষ্ঠীয়ে আজি নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰতো যথেষ্ট অৰিহণা আগবঢ়াইছে। সেই কাৰণে এই অভিনয় কৰা ভ্ৰাম্যমান নাটক গোষ্ঠীক— আমাৰ এই এমিউজমেণ্ট টেক্সৰ পৰা ৰেহাই দিবলৈ মই মাননীয় বিত্তমন্ত্ৰীক অনুৰোধ কৰিছো আৰু এইথিনি কৈ মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীযোগেন গগৈ :- উপাধ্যক্ষ মহোদয়, আমাৰ অসমত থকা এই ভ্ৰাম্যমান নাটক গোষ্ঠীয়ে আমাৰ এগৰাকী মাননীয় সদস্যই কোৱাৰ দৰে—নিবনুৱা সমস্যা সমাধানৰ

ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে আৰু সেইটোৱে আজি এটা শিল্পত পৰিণত হৈছে। জগতে আমাৰ জন সংস্কৃতিক আগুৱাই নিয়াত যথেষ্ট সহায় কৰিছে। তাৰোপৰি নিৰক্ষৰ গাওঁ অঞ্চলত থকা বহুতো অৰ্হতা সম্পন্ন ব্যক্তিক অভিনয় কৰাৰ ক্ষেত্ৰত এইভ্ৰাম্যমান নাটক গোষ্ঠীয়ে উৎসাহিত কৰি তেওঁলোকৰ যোগেদি আগুৱাই লৈ আনিছে—এইটো অতিব প্ৰয়োজনীয় কথা। গতিকে ইয়াৰ ওপৰত ভিত্তি কৰি যদি চৰকাৰে টেক্স লয়—তেতিয়াহলে ই নিৰক্ষৰ গাওঁ অঞ্চললৈ বিয়পি যাব নোৱাৰিব, দুখীয়া লোকক ইয়াৰ পৰা বঞ্চিত কৰা হ'ব আৰু ই সদায় ধনী লোকৰ হাততেই আবদ্ধ থাকিব। সেই কাৰণে এই অনুষ্ঠান খোলাৰ ক্ষেত্ৰত পিচপৰা অঞ্চল বিলাকে যাতে সুযোগ সুবিধা গ্ৰহণ কৰিব পাৰে—তাৰ বাবে অন্ততঃ এই এমিউজমেন্ট টেক্সটো ৰেহাই দিব লাগে—পাৰিলে একেবাৰে উঠাই দিব লাগে। এইখিনি কৈ মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীকেশৱচন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :- মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে—তাৰ ওপৰত মই কব বিচাৰিছো যে—এই ভ্ৰাম্যমান নাটকগোষ্ঠীয়ে যেতিয়া বিভিন্ন গাঁৱত গৈ কোনো ৰাজহুৱা অনুষ্ঠান আদিত অভিনয় বা ঠিয়েটাৰ আদি কৰে—তেতিয়া আমি সেই অনুষ্ঠানটো পৰীক্ষা কৰি লগে লগে টেক্স ৰেহাই দিওঁ। দ্বিতীয়তে মই মাননীয় সদস্যক আশ্বাস দিব পাৰো যে—এই নাট্যগোষ্ঠীয়ে বা এনে ধৰণৰ বিকোনো স্কুল কলেজ আদিৰ সাহায্যৰ কাৰণে অনুষ্ঠিত কৰে আৰু তাত যদি নাটক আদি অভিনয় চলি থাকে—তেতিয়াহলে সেই ব্যৱস্থা চলি থাকিব। আমাৰ মাননীয় শ্ৰীযোগেন গগৈ ডাঙৰীয়াই যিটো কথা কৈছে—সেইমতে টেক্স ৰেহাই দিব পাৰো—কিন্তু একেবাৰে উঠাই দিয়া কথাটো চৰকাৰে বিবেচনা কৰা নাই।

**Mr. Deputy Speaker** : I put the motion that Assam Amusement and Betting Tax (Amendment) Bill, 1979 be taken into consideration.

(After a pause)

The motion is passed.

As there is no amendment I put clause 2 does form part of the Bill. (after a pause) Clause 2 forms part of the Bill.

I now put clause 1, preamble, enacting formula and short title do form part of the Bill.

(After a pause)

Clause 1, preamble, enacting formula and short title form part of the Bill.

Now item (c).

**Shri Keshab Chandra Gogoi,** (Minister) : I beg to move that Assam Amusements and Betting Tax (Amendment) Bill, 1979 be passed.

**Mr. Deputy Speaker** : I put the motion that the Assam Amusements and Betting Tax (Amendment) Bill, 1979 be passed.

(After a pause)

The motion is adopted ; the Bill is passed.

Now item No. 10.

Here is a massage from the Governor of Assam which reads as follows :

"Rajbhavan, Dated, Shillong—Under the provisions of Article 207 (3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, reeommend that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1979 be taken into consideration by the Assam Legislative Assembly.

Sd/- **Lallan Prasad Singh**
Governor of Assam.

**Shri Keshab Chandra Gogoi,** (Minister) : Mr. Deputy Speaker, Sir, I beg to move that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1979 be taken into consideration.

**Mr. Deputy Speaker** : Anybody taking part ? (Voices : no)

I put the motion that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1979 be taken into consideration.

(after a pause)

The motion is passed.

There is no amendment. I put clause 2. Clause 2 of the Bill does form part of the Bill.

(after a pause)

Clause 2 forms part of the Bill.

Now I put clause 1, preamble, enacting formula and short title do form part of the Bill.

(after a pause)

Clause 1, preamble, enacting formula and short title form part of the Bill.

**Shri Keshab Chandra Gogoi,** (Minister) : Sir, I beg to move that the Assam Professions. Trades, Callings and Employments Tax (Amendment) Bill be passed.

**Mr. Deputy Speaker** : I put the motion that the Assam Professions, Trades, Callings and Tax (Amendment) Bill, 1979 be passed.

(After a pause)

The motion is passed ; the Bill, is passed.

The House stands adjourned till 2-30 P. M.

( After lunch )

**Mr. Deputy Speaker** : Item No. 11 Shri Khagen Borbarua to resume his speech.

*শ্ৰীখগেন বৰবৰুৱা :—মাননীয় উপাধ্যক্ষ মহোদয়, গত শীতকালিন অধিবেশনত এই বিলখনৰ ওপৰত মই এটা সংশোধনী আনিছিলো, যিহেতুকে সেই শীতকালিন অধিবেশনৰ ভিতৰত আলোচনা শেষ নহ'ল আৰু ফলস্বৰূপে সেই বিলখন গৃহীত হোৱা অৱস্থালৈ নাহিল। এইবাৰ বাজেট অধিবেশনতো এই বিলখন আহিছে আৰু লগে লগে মই যি আগৰ সংশোধনী আনিছিলো সেইটো মদিফাই কৰিবলগীয়া হ'ল। I beg to move that The Assam Scheduled castes and Scheduled Tribes (Reservation of vacancies in Services and Posts) Bill, 1978 be referred for eliciting further opinion by 1st July, 1979.

উপাধ্যক্ষ মহোদয়, এই নতুন সংশোধনী আনি মই এইখিনি কব বিচাৰিছো যে এই বিলখনৰ যি চিন্তাধাৰাৰ ওপৰত এই বিল অনা হৈছে সেই চিন্তাধাৰা ভুল। মানুহ সমাজৰ আমি এনে এটা স্তৰত উপস্থিত হৈছোহি যে, যি স্তৰত ধনী আৰু দৰিদ্ৰৰ মাজত পাৰ্থক্য ৰাখি এই সমাজ চলিছে। গতিকে এই ধনী আৰু দুখীয়াৰ ব্যৱধান দুৰ কৰিবৰ কাৰণে যদি এই বিলখন অৰ্থাৎ কাষ্ট বেচিচত নানি শ্ৰেণী ভিত্তিত অনা হলে এই বিলখন গ্ৰহণ কৰাত অলপো অসুবিধা নহ'লহেঁতেন। যদি কাষ্ট ভিত্তিত বিল অনা হয়, আৰু চাকৰি যিমানেই ৰিজাৰ্ভ নাৰাখক কেতিয়াও দৰিদ্ৰতা দুৰ হ'ব নোৱাৰে। এই বিল অনাৰ সময়ত এইটো কথালৈ লক্ষ্য কৰা নাই যে, এই দৰিদ্ৰ ট্ৰাইবেলৰ ভিতৰত বা চিদিউল কাষ্টৰ ভিতৰত দৰিদ্ৰতাৰ সংখ্যা আটাইতকৈ বেছি আৰু আনহাতে ধনীৰ সংখ্যা কম। যদি এই বিল শ্ৰেণীৰ ভিত্তিত আনিলেহেতেন তেনেহলে চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ লোকসকল উপকৃত

*Speech not corrected

হলহেতেন। নিবনুৱা বিষয়টো লৈ কোৱা হোৱা নাই। কিমান নিৰনুৱা আছে? চিদিউল কাষ্ট বা চিদিউল ট্ৰাইবৰ বেক লগৰ কথা আছে। এইবিলাক কিমানদিনৰ পৰা পৰি আছে? এই কথাবিলাক আলোচনা কৰা নাই। এই বিলখন যদি এই ধৰণে গ্ৰহণ কৰা হয়, তেনেহলে কিছুমান ট্ৰাইবেল মানুহ আছে যিবিলাকে আজি অবাধে এই ধৰণে লিখিছে। আজি ভৰত দত্ত নামে এজন কছাৰী মানুহ আৰু মিলিৰাম হাঞ্জৰীকা নামে পানীদিহিং গাওঁ পঞ্চাৰতৰ সভাপতি এজন কছাৰী মানুহো আছে। যেতিয়া চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবক সুবিধা দিয়াৰ কথা কৈছে, তেতিয়া সুবিধা দিয়া ব্যৱস্থা কৰিব লাগে। শিক্ষিত অশিক্ষিত হিচাবে যদি আপুনি চায় তেনেহলে চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ মাজত শিক্ষিত লোকৰ সংখ্যা হ'ব চিদিউল কাষ্ট শতকৰা ১৩ আৰু চিদিউল ট্ৰাইব হব শতকৰা ১৫। আৰু তেতিয়া চিদিউল কাষ্টৰ ভিতৰত অশিক্ষিত লোকৰ সংখ্যা হ'ব শতকৰা ৮৭ ভাগ, আৰু চিদিউল ট্ৰাইবৰ ভিতৰত অশিক্ষিত আছে ৮৫ ভাগ। অৱশ্যে এই দুয়োটাৰে ভিতৰত যে, কেইজনমান শিক্ষিত মানুহ আছে সেইটো একেবাৰে সত্য। এইদৰে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলতো আজি বহুতো শিক্ষিত মানুহ আছে সেই সকলৰ উন্নতিৰ কাৰণে চিন্তা কৰিব লাগে। তাৰ ঠাইত আজি চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ ক্ষেত্ৰত চাকৰিৰ বাবে ৪৬ ভাগ ৰিজাৰ্ভ কৰি ৰাখিব বিচাৰিছে। গতিকে গোটেই বিলখন মোটামুটিভাবে ৰটেশ্যন কৰিলে সাংঘাটিক অৱস্থা আছে। মই গোটেই বিলখনৰ কথা আলোচনা কৰিব বিচৰা নাই। যিহেতুকে আমাৰ মন্ত্ৰী মহোদয়ে বিভিন্ন পাৰ্টিৰ প্ৰতিনিধি লৈ এই বিলৰ ওপৰত আলোচনা কৰিছে। আৰু প্ৰতিনিধি-সকলে নিশ্চয় সমবেত হৈ বিশেষ পৰামৰ্শ আগবঢ়াইছে। কিন্তু মই ভাবো মন্ত্ৰী মহোদয়ে নিজে একো আনিব নোৱাৰিলেও আইনৰ প্ৰতিবন্ধকতা থাকিব পাৰে। ইয়াৰোপৰি এইটো কথা ঠিক যে, ইয়াত দেখা গৈছে যে, চাংমা মানুহৰ শতকৰা ৬ জন শিক্ষিত আৰু ডিমাছাৰ শতকৰা ৯ জন আৰু গাৰো শতকৰা ১১ জন শিক্ষিত আছে। গতিকে আজি শিক্ষা দানৰ কাৰণে যদি এই বিলখন আনিলেহেতেন তেনেহলে কোনো কথা নাছিল। কিন্তু এতিয়া কেৱল চিট ৰিজাৰ্ভ কৰিবলৈ এই বিল অনা হৈছে। চিদিউল কাষ্ট আৰু পিচপৰা জনজাতীয় সম্প্ৰদায়ৰ লোকসকলৰ উন্নতি কৰিবলৈ হলে চাকৰিৰ ব্যৱস্থা আনিবৰ কাৰণেই এই বিল অনা হৈছে। আজি চাকৰি দিব পাৰিলেই যে জনজাতীয় লোকসকলৰ উন্নতি হব সেইটো নহয়। গতিকে মই ভাবো যে, কন্‌চেপ্‌চন্‌টো ভুল হৈছে। এই নিম্ন শ্ৰেণীক ওপৰলৈ আনিবলৈ হলে প্ৰথমে শিক্ষাৰ ওপৰত জোৰ দিব লাগিব। কিতাপ ফি কৰি দিব লাগিব। আৰু সেইমতে দুপৰীয়া আৰু ৰাতিপুৱা আহাৰ যোগান ধৰিব লাগিব।

দুপৰীয়া ৰাতিপুৱা খাবলৈ আহাৰ নাই। মাক-বাপেকে মাগিবলৈ যায়। চোলা-কাপোৰ বিনামূলীয়াভাবে বিতৰণ কৰিব লাগে। কলেজ স্কুলৈকে ফি দিয়াৰ ব্যৱস্থা

কৰিলে এই বিলখনক আহ্বান জনালোহেতেন। লৰা-ছোৱালীবিলাকক খাদ্য, কাপোৰৰ যোগান দি চিকিৎসাৰ ব্যৱস্থা কৰি আগবঢ়াই লৈ যাব পাৰে। শিল্প বিস্তাৰ কৰি কৰ্ম সংস্থানৰ ব্যৱস্থা কৰিব পাৰে। আজি মিৰিজিম কাপোৰে আন্তৰ্জাতিক বজাৰ দখল কৰিছে। আমেৰিকা, ইংলেণ্ডত এই কাপোৰৰ চাহিদা বৃদ্ধি পায় গৈছে। সেইবিলাক বোৱাৰ ব্যৱস্থা যদি কৰিলেহেতেন তেন্তে এই বিলখনক স্বাগতম জনালোহেতেন। কিন্তু এই বিলখন ভুল চিন্তাধাৰাৰ ওপৰত প্ৰতিস্থিত হৈছিল। এই বিলখন গৃহিত হৈ যাওক। ৰবৰবা যদি জীয়াই থাকে সোৰ্ঁৰাই দিম। এই বিলৰ দ্বাৰা জনজাতীয় আৰু অনুসূচিত লোক সকলৰ কোনো কালেই কল্যাণ হ'ব নোৱাৰে। ইয়াকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, জনজাতীয় আৰু অনুসূচীত সম্প্ৰদায়ৰ লোকৰ বাবে চাকৰিৰ আসন সংৰক্ষণ কৰাৰ বিলৰ প্ৰতি সমৰ্থন জনাই দুষাৰ কবলৈ আগবাঢ়িলো। আমি সকলোৱে জানো যে আমাৰ দেশত দৰিদ্ৰ মানুহৰ সংখ্যা বেচি আৰু এই দৰিদ্ৰ সকলৰ ভিতৰত বেচি দৰিদ্ৰ হৈছে অনুসূচীত আৰু জনজাতীয় ৰাইজ। দেশ স্বাধীন হোৱাৰ পিচত সংবিধানৰ দ্বাৰা তেওঁলোকক কিছু কিছু সুযোগ দিয়াৰ কথা শুনি আহিছিলো। কিন্তু সেই সুযোগে এই সকল মানুহৰ অৱস্থাৰ পৰিবৰ্ত্তন আনিব নোৱাৰিলে। নোৱাৰাৰ মূল কাৰণ হল দেশ স্বাধীন হোৱাৰ পিচত আমাৰ দেশৰ কৰ্ণধাৰ সকলে ভাৰতক নিচিনিলে। এইখন ভাৰতৰ সমাজ ব্যৱস্থা, জনসাধাৰণৰ জীৱন যাত্ৰাৰ পদ্ধতি, এইৰিলাকৰ লগত তেওঁলোকে সম্পৰ্ক স্থাপন নকৰি দেশখন আগুৱাই নিয়াৰ বাবে যি পথ ললে সি আজি পৃথিৱীৰ ইতিহাসত মৃত্যু মুখী, সেই পথ হল ধনতান্ত্ৰিক পথ। কংগ্ৰেছে এই ধনতান্ত্ৰিক পথেৰে ভাৰতক আগুৱাই নিব খুজিছিল। আমি জানো যে ১৯১৭ চনৰ পৰা আৰম্ভ হৈছে ধনতান্ত্ৰিক ব্যৱস্থাৰ অবক্ষয়ৰ যুগ। যিটো ব্যৱস্থা ভাঙি শেষ হৈ যাব ধৰিছে সেই ব্যৱস্থাক আকো ভাৰতত জাপি দি দৰিদ্ৰ জনসাধাৰণৰ কল্যাণ সাধনৰ অপচেষ্টাৰ পৰিণতি হৈছে।

আজি আমাৰ যুৱক সকলৰ চাকৰিৰ কাৰণে জাতিৰ ভিত্তিত, সম্প্ৰদায়ৰ ভিত্তিত বিল একোখন উত্থাপন কৰিব লগা হৈছে। এই বিল খন সমৰ্থণ কৰাৰ লগে লগে জনজাতীয় ভাই-ভনী সকলক আৰু চৰকাৰক অনুৰোধ কৰিব খোজো যে সচাকৈ যদি আপোনালোকে জাতিটোক ভাল পায়, লৰা-ছোৱালী সকলৰ চাকৰি আৰু খেতিয়কৰ হাতত মাটি তুলি দিব বিচাৰে, তেনেহলে আজিৰ প্ৰয়োজন আপোনালোকে ইতিহাসৰ গতিৰ লগত সোঁত মিলাই আগুৱাই যোৱা। মই আগতেই কৈছো যে ধনতান্ত্ৰিক ব্যৱস্থা অবক্ষয়ৰ পথত আগবাঢ়িছে। সেই কাৰণে আজি আমাৰ দেশত যাতে এনেধৰণৰ আইন প্ৰনয়ন কৰিব লগা নহয় তাৰ বাবে আমি সমাজতান্ত্ৰিক ব্যৱস্থাত দেশখনক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগিব আৰু তাৰ বাবে আন্দোলন কৰিব

লাগিব। আমাৰ দেশৰ কৰ্ণধাৰ সকলে ভাৰতৰ জনসাধাৰণক নুবুজিলে, নিচিনিলে। ভাৰত এখন কৃষি প্ৰধান দেশ। ধনতান্ত্ৰিক সমাজৰ অবক্ষয়ৰ যুগত সামন্তবাদৰ অৱশিষ্ট আজিও বৈ আছে। সামন্তবাদী কৃষি পদ্ধতি বিৰাজমান। যত সামন্তবাদী ভূমি সম্পৰ্ক আছে, সেই দেশত উদ্যোগীকৰণত এটাৰ পিচত এটা নীতি লব পাৰে কিন্তু আগবাঢ়ি যাব নোৱাৰে। ইউৰোপত দুশ বছৰ আগতে তাৰ ধনীক শ্ৰেণীয়ে সামন্তবাদ নিৰ্মূল কৰি ধনতন্ত্ৰবাদ প্ৰতিস্থা কৰিলে। ধনতান্ত্ৰিক ব্যৱস্থাতো সমস্যা সমাধান কৰিব নোৱাৰে। আমাৰ দেশৰ কৰ্ণধাৰ সকলে দেশ স্বাধীন হোৱাৰ আগতে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি কাৰ্য্যকৰী নকৰিলে। স্বাধীনতাৰ পিচত এওঁলোকে সামন্তবাদৰ লগত আপোচ কৰিলে। তাৰেই ফল স্বৰূপে স্বাধীনতাৰ ৩২ বছৰ পিচতো সামন্তবাদী ভূমি সম্পৰ্ক দেশত বৈ আছে। আজি আমাৰ দেশৰ শিল্পত অনগ্ৰসৰতা বৈ আছে। অকল সেয়ে নহয়, আমাৰ দেশৰ জনসাধাৰণে শোষণৰ পৰা মুক্ত হোৱাৰ কাৰণে, বা দেশৰ জনসাধাৰণক এমুঠি ভাত দিয়াৰ কাৰণে সামন্তবাদ নিৰ্মূল কৰিবৰ কাৰণে, বিদেশী সাম্ৰাজ্যবাদী সকলৰ শোষণৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। তেনেকুৱা সংগ্ৰামী নেতা বিধান সভাত ভালে কেইজন আছে। তেওঁলোকে বিচাৰিছিল ভাৰতখন প্ৰকৃতাৰ্থত স্বাধীন হওক। কিন্তু আজি স্বাধীনতাৰ মানে কি হল? সিদিনা আমাৰ উদ্যোগ মন্ত্ৰীয়ে ইয়াত ঘোষণা কৰিছে যে দেশ স্বাধীন হোৱাৰ ৩২ বছৰৰ পিচত অসমত ১০৪খন বিদেশী চাহবাগান আছে। কি লজ্জাজনক কথা? সেইজনেই আকৌ মহাত্মা গান্ধীৰ কথা কয়। মহাত্মা গান্ধীৰ নেতৃত্বত দেশত স্বাধীনতা সংগ্ৰাম হৈছিল। ইংৰাজ সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে যদি সংগ্ৰামেই কৰিছিল তেনেহলে অসমৰ বুকুত আজি ১০৪খন চাহবাগানৰ মালিকীস্বত্ব ইংৰাজৰ হাতত থাকিল কিয়? আমাৰ লৰাৰ শিক্ষাৰ কাৰণে, চাকৰিৰ কাৰণে টকা নাই। কিন্তু এই অসমৰ পৰা প্ৰত্যেক বছৰে ইংৰাজ সাম্ৰাজ্যবাদীসকলে কোটি কোটি টকা লৈ গৈ আছে। ধুবুৰীত থকা জুইশলা কাৰখানাৰ মালিকীস্বত্ব কাৰ হাতত আছে? সেইসকলৰ বিৰুদ্ধে কংগ্ৰেছ চৰকাৰে স্বাধীনতাৰ ৩০ বছৰৰ পিচতো একো নকৰিলে। সেইসকলৰ গাত হাত নিদিলে। প্ৰকৃততে দেশ স্বাধীন কৰাৰ বাবে তেওঁলোক আগুৱাই নগল।

উপাধ্যক্ষ মহোদয়, স্বাধীনতাৰ আগতেই দেশখনক শোষণ কৰিলে। ইংৰাজ পুঁজিপতি সকলে স্বাধীনতাৰ পিচত এই নতুন শোষকক আহ্বান কৰিলে ভাৰতবৰ্ষৰ সম্পদ লুণ্ঠন কৰাৰ কাৰণে? আজি ভাৰতবৰ্ষত মাৰ্কিন সাম্ৰাজ্যবাদীসকলৰ প্ৰভাৱ ভাৰতীয় জনজীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাইছে। আমাৰ শিক্ষাই হওক বা কৃষিয়েই হওক সকলোতেই তেওঁলোকৰ প্ৰভাৱ পৰিছে। কিহৰ স্বাৰ্থত তেওঁলোক ইয়ালৈ আহিছে? বিশ্ব বেংকৰ নেতৃত্বত চলিছে বেনৰ পৰিকল্পনা। আমাৰ স্বাৰ্থৰ কাৰণে? মাৰ্কিন সাম্ৰাজ্যবাদী সকল কাৰ স্বাৰ্থত আহিছে? আমাৰ স্বাৰ্থত? আমাৰ নেতাসকলে এই সাম্ৰাজ্যবাদী সকলক লৈ আহিছে আমাৰ জনসাধাৰণক শোষণ কৰিবলৈ। ইয়াৰ

লগতে আছিছে পশ্চিম জাৰ্মানী, আছিছে জাপান। এই ধৰণে সমগ্ৰ পৃথিৱীৰ সাম্ৰাজ্য-বাদী দেশ সকলক আনি দিছে দেশ লুণ্ঠন কৰাৰ কাৰণে। সুদীৰ্ঘ ৩২ বছৰৰ পিচত আমি বিল আনিবলগীয়া হৈছো আমাৰ দৰিদ্ৰ সহজ-সৰল ভাই ভনীসকলৰ স্বাৰ্থৰ কাৰণে; যিসকল আজি নিঃশেষ হৈ যাব লাগিছে। আমাৰ স্বাধীনতাৰ সময়ত বিৰলা ডাঙৰীয়াৰ সম্পত্তি মাত্ৰ ৫১ কোটি আৰু টাটাৰ সম্পত্তি আছিল প্ৰায় ৯০ কোটি। আজি স্বাধীনতাৰ ৩০ বছৰৰ পিচত বিৰলাৰ সম্পত্তি হৈছে ১০শ কোটিৰো ওপৰ আৰু টাটাৰ সম্পত্তি হৈছে ৯৭০ কোটিৰ ওপৰ। এনেকৈয়ে মুঠতে ২০ জন বৃহৎ পুজিপতি ভাৰতবৰ্ষত তৈয়াৰ হ'ল। এই বৃহৎ পুজিপতি সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে দিনে ৰাতিয়ে চৰকাৰে চিন্তা কৰিব লাগিছে। ৰাইজে এই ব্যৱস্থা বিচৰা নাছিল, বিচাৰিছিল ইয়াত উদ্যোগ গঢ়ি উঠিব লাগে। আৰু এই উদ্যোগ গঢ়ি তুলিয়ে আমাৰ দেশৰ সমস্যা সমাধান কৰিব লাগিব। আৰু পৃথিৱীৰ কিছুমান দেশে নিজে স্বাধীনতা লাভ কৰাৰ পিচত ভিক্ষাৰী নাইকিয়া কৰিছে, নিবনুৱা নাইকিয়া কৰিছে, অভাৱ-অনাটন নাইকিয়া কৰিছে। সেই সময়তে আমি ইতিহাসৰ বৰ্জিত পথ গ্ৰহণ কৰাৰ ফলত আমাৰ দেশৰ পৰা দৰিদ্ৰ নাইকিয়া কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, আপুনি জানে ছোভিয়েট ৰাচিয়াত নিবনুৱা সমস্যা আছে নে নাই। আজি আমাৰ ইয়াত অকল নিবনুৱা সমস্যাই নহয় বিভিন্ন সমস্যাই গা কৰি উঠিছে। প্ৰতিদিনেই আন্দোলন, আন্দোলন, আন্দোলন। আন্দোলন হৈছে মজুৰী বৃদ্ধিৰ কাৰণে, ভাট্টাৰ কাৰণে। কেৱল ভাৰতবৰ্ষতেই নহয়, পৃথিৱীৰ প্ৰত্যেকখন ধনতান্ত্ৰিক দেশতেই শ্ৰমিক শ্ৰেণীৰ আন্দোলন হৈ আছে। আজি আমেৰিকালৈ যাওক তাতো আন্দোলন হৈ আছে, ইংলণ্ডলৈ যাওক তাতো শ্ৰমিকৰ আন্দোলন হৈ আছে। মুঠতে যতেই ধনতান্ত্ৰিক ব্যৱস্থা চলিছে ততেই আন্দোলন হৈছে। আজি নিবনুৱা সকলক ভাট্টা দিবলৈ চৰকাৰৰ ৰাজকোষত টকা নাইকিয়া হৈছে। জাপান, পশ্চিম জাৰ্মানী, এইবিলাক ধনতান্ত্ৰিক দেশত কোনো সমস্যাই সমাধান কৰিব নোৱাৰিলে। আজি আমাৰ সমস্যা সমাধানৰ কাৰণে ধনতান্ত্ৰিক ব্যৱস্থা পৰিত্যাগ কৰি সমাজতান্ত্ৰিক পদ্ধতিৰে আগবাঢ়ি যাওক। এই বিল অনাৰ কাৰণে মই জনতা চৰকাৰক ধন্যবাদ জনাইছো। লগতে জনতা চৰকাৰক গৰিহণাও দিছো এই কাৰণেই যে এই চৰকাৰে আমাৰ জনসাধাৰণৰ সমস্যা সমাধানত এক ইঞ্চিও আগবাঢ়ি যাব পৰা নাই। কংগ্ৰেছ আমোলত দেশী-বিদেশী পুজিপতিৰ বহুতিয়া হৈ থাকোতেই গল। আজি আমাৰ দেশৰ মুল লক্ষ্য হব লাগে জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰা। কিন্তু আজি সেইটো হোৱা নাই। আজি চেষ্টা হৈছে দেশৰ বৃহৎ পুজিপতিসকলৰ উন্নতি কৰাৰ কাৰণে। জনতা চৰকাৰ শাসনলৈ অহা কেন্দ্ৰত ২ বছৰ হল। তেখেতসকলে পুজিপতিসকলৰ গাত হাত দিয়া নাই। পুজিপতিসকলৰ গাত হাত দিলে দেশৰ উন্নতি হয়, দেশৰ পৰিবৰ্তন হয়, কিন্তু তেওঁলোকে এইটো হোৱাটো ভাল নাপায়। তেওঁলোকে কিয় পুজিপতি-

সকলৰ গাত হাত দিবলৈ সাহস কৰা নাই? যিসকল নেতাই দেশক ভাল পায়, জনসাধাৰণক ভাল পায়, কিয় তেওঁলোকে এই পুজিপতিসকলৰ গাত হাত দিবলৈ সাহস নকৰে? মই কওঁ তেওঁলোকৰ দেশপ্ৰেম মিছা, জাতীয় প্ৰেম মিছা।

তেওঁলোকে দেশ আৰু জাতি প্ৰেমৰ নামত বিদেশীৰ স্বাৰ্থ ৰক্ষা কৰি আছে। জনতা চৰকাৰে সমাজবাদৰ কথা কয়, শুনি সুখ পাওঁ। ইন্দিৰা গান্ধীয়েও সমাজবাদৰ কথা কৈছিল। কিন্তু তেওঁ নিৰ্বাচনত হাৰি যোৱাৰ পিচতে কলে যে আমি শিল্প জাতীয়কৰণ নকৰো। আমাৰ জনতা চৰকাৰৰ কিছুমান নেতা আছে তেওঁলোকে সাহস কৰিব নোৱাৰে। একাংশই কৈছিল যে ষ্টীল ইণ্ডাষ্ট্ৰি জাতীয়কৰণ কৰিব লাগে। কিন্তু জনতা চৰকাৰে এইবিলাক ৰাষ্ট্ৰীয়কৰণ নকৰি কাৰ স্বাৰ্থ ৰক্ষা কৰিছে? আজি জনতা চৰকাৰেও প্ৰকাৰন্তৰে কিছু সংখ্যকক একচেতীয়া পুজিৰ স্বাৰ্থ ৰক্ষা কৰিছে। যদি এইদৰেই সদায় পুজিপতিৰ লুণ্ঠন চলি থাকে তেতিয়াহলে আমাৰ দেশৰ নিবনুৱা সমস্যাই নহয় কোনো সমস্যাকে সমাধান কৰিব নোৱাৰিব। কেৱল জনসাধাৰণক প্ৰবঞ্চনা আৰু ফাঁকি দিব পাৰিব। আজি কেন্দ্ৰত জনতা চৰকাৰৰ দুই বছৰ হল, এই দুই বছৰৰ পিচতো বিদেশীৰ গাত হাত দিব নোৱাৰিলে। আমাৰ দেশৰ ভূমিৰ সম্পৰ্কত, যত সামন্তবাদ ৰৈ আছে, সেইটো নাইকিয়া কৰিবলৈ একো কৰা নাই। এই বিলাক সমস্যা সমাধান কৰিব নোৱাৰাৰ কাৰণেই আজি বিল পাচ কৰি চাকৰি ৰিজাৰ্ভ ৰাখি, তেওঁলোকৰ সমস্যা সমাধান কৰিব নোৱাৰে। মই সিদিনা কৈছিলো যে নিবনুৱা সমস্যা হৈছে ধনতন্ত্ৰবাদৰ সন্তান। ধনতন্ত্ৰবাদ নাইকিয়া কৰিব নোৱাৰিলে আপোনালোকে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। বা আপোনালোকৰ লৰা-ছোৱালীক চাকৰি দিব নোৱাৰে। মাত্ৰ মিছা প্ৰলোভনহে দিব পাৰিব। উপাধ্যক্ষ মহোদয়, এই বিল গ্ৰহণ কৰাৰ লগে লগে কিছুমান লোকে অপপ্ৰচাৰ আৰম্ভ কৰিব পাৰে। বহুতে ইতিমধ্যে কবলৈ ধৰিছে যে ট্ৰাইবেলৰ বাবে চাকৰি সংৰক্ষণ কৰাৰ পিচত আনলোক ক্ষতিগ্ৰস্ত হব। ট্ৰাইবেল সকল সকলো দিশত পিচ পৰি আছে সেয়া জানো সঁচা নহয়? আজি সচিবালয়লৈ চাওক—কেইজন ট্ৰাইবেল সচিব আছে? কেইজন ডিৰেক্তৰ আছে? এওঁলোক সঁচাকৈয়ে বঞ্চিত।

এওঁলোকৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ যাওঁতে সাৱধান হব লাগিব। প্ৰতিক্ৰিয়াশীল শক্তিবোৰে ইয়াৰ সুযোগ লৈ ট্ৰাইবেলৰ বিৰুদ্ধে বৰ্ণহিন্দুক উচতাই দিব। আৰু ট্ৰাইবেলক বৰ্ণহিন্দুৰ বিৰুদ্ধে উচতাই দি সংঘৰ্ষ লগাব পাৰে।

উপাধ্যক্ষ মহোদয়, বিহাৰত ৰিজাৰ্ভেচনিষ্ট আৰু নন-ৰিজাৰ্ভেচনিষ্ট সকলৰ মাজত সংঘৰ্ষ হৈছিল। এচামে উচ্চ হিন্দুলৰাক কৈছে যে সকলো বিলাক চাকৰি বাকৰি আদি ট্ৰাইবেল বা অনুসূচীত সকলে লৈছে, আকৌ ট্ৰাইবেল লৰা সকলক কৈছে যে উচ্চ হিন্দুৰ লৰাই লৈছে। এইটো হৈছে ধনতন্ত্ৰবাদীৰ কৌশল। এই সকলেই আমাৰ দেশৰ যুৱক সকলক ভাগ ভাগকৈ ৰাখিছে। আজি সেই শক্তিৰ বিৰুদ্ধে আমি সকলোকে

আহ্বান জনোৱা উচিত। ট্ৰাইবেল আৰু অনা ট্ৰাইবেলৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰি এই শ্ৰেণীয়ে নিজৰ সুবিধা আদায় কৰি আছে। ট্ৰাইবেল সকলৰ ভৱিষ্যত অন্ধকাৰ কৰিছে আৰু অনা ট্ৰাইবেলৰ স্বাৰ্থও ধ্বংস কৰিবলৈ লৈছে। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে যি ব্যৱস্থা কৰিছে সেইটো জনসংখ্যা অনুপাতে একোৱেই নহয়। তথাপিও এটা সম্প্ৰদায়ৰ বিৰুদ্ধে আনটো সাম্প্ৰদায়িক অৰ্থাৎ ট্ৰাইবেলৰ বিৰুদ্ধে বৰ্ণহিন্দুক আৰু বৰ্ণহিন্দুৰ বিৰুদ্ধে ট্ৰাইবেলক আন্দোলন কৰিব উচতাই দিয়াৰ সম্ভাৱনা আছে। কাৰণ এনে আন্দোলনে গৰিব শ্ৰেণীৰ লোকৰ মাজত অনৈক্য সৃষ্টি কৰি পুঁজিপতিসকলে অবাধে শোষণ কৰাৰ পথ সুগম কৰি ৰাখিব পাৰে। সেই বিভেদকামী শক্তিসমূহৰ বিৰুদ্ধে আমি গৰ্জি উঠিব লাগিব। এই আহ্বান জনাই মোৰ বক্তৃতা সামৰিলো।

*শ্ৰীপদ্মলোচন বড়ো :—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সমুখত এবছৰ হোৱাৰ পিচত জনতা চৰকাৰে অনুসূচীত জাতি আৰু জনজাতিৰ চাকৰি আদি সংৰক্ষণৰ ক্ষেত্ৰত যি খন বিল আনিছে মই সেই বিলখন সমৰ্থন কৰিছো আৰু এই সংক্ৰান্তত কেইটামান কথা বক্তৃতাত কব বিচাৰিছো। আমাৰ বিৰোধী দলৰ বন্ধুবৰ মাননীয় খগেন বৰবৰুৱা ডাঙৰীয়াই জনজাতিৰ সমস্যা সম্পৰ্কে এই পবিত্ৰ সদনত বহু কথা দাঙি ধৰিছে।

উপাধ্যক্ষ মহোদয়, আমি যদি ভালকৈ চাওঁ তেনেহলে দেখা যায় যে স্বাধীনতা লাভ কৰাৰ একত্ৰিশ বছৰৰ পিচত আজি বৰ্ত্তমান সময়ত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকসকলৰ আৰ্থিক অৱস্থা ভাললৈ আগুওৱা নাই। বৰঞ্চ দিনক দিনে তেওঁলোকৰ অৱস্থা বেয়াৰ পিনেহে ঢাল লৈছে। গতিকে এই ক্ষেত্ৰত কোনোবা অনুসূচীত জাতি বা জনজাতিৰ লোকে উপাধী সলনি কৰি দত্ত বা হাজৰিকা লিখাৰ দ্বাৰাই তেওঁলোকৰ সামাজিক বা অৰ্থনৈতিক অগ্ৰসৰতাৰ কথা ধৰিব নোৱাৰি। আজি যি সমাজ ব্যৱস্থা তাত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে সমাজত যদি সংৰক্ষিত ব্যৱস্থা নাথাকে তেনেহলে তেওঁলোক যে বাকী সকলৰ সমানে আগুৱাই আহিব পাৰিব সেইটো আশা কৰিব নোৱাৰি।

উপাধ্যক্ষ মহোদয়, স্বাধীনতাৰ আগৰ কালছোৱাত অসমত বিদেশী শাসন প্ৰৱৰ্ত্তন হৈ আছিল আৰু তেতিয়াৰে পৰা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে সংৰক্ষণ কিয় ৰাখিব লাগিছিল। তেতিয়া চাৰ চাদুল্লা আৰু গোপীনাথ বৰদলৈ দেৱ ইয়াত আছিল আৰু তেতিয়াৰে পৰা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা আছিল। তাৰ কাৰণ এই আছিল ৰাজনৈতিক ভাৱে চাকৰি বাকৰিৰ ক্ষেত্ৰত আৰু সামাজিক ভাৱে অৰ্থনৈতিক ক্ষেত্ৰত যাতে আগবাঢ়ি যাব পাৰে, মাটিহীন সকলে অলপ মাটি পাব পাৰে তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সেই ব্যৱস্থা

*Speech not corrected.

কৰা হৈছিল। সেই ব্যৱস্থা স্বাধীনতাৰ পিচৰে পৰা সংৰক্ষিত কৰা হৈছে। যোৱা একত্রিশ বছৰীয়া কংগ্রেছী শাসন কালত বহু কেইখন আইন কৰা হ'ল আৰু ব্যৱস্থা ৰখা হৈছিল যদিও আচলতে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে বিশেষ একো কৰা নহ'ল। আনকি যিবিলাক ট্রাইবেল বেল্ট আৰু ব্লক ৰখা হৈছিল সেইবিলাকতো আন আন লোকে বসবাস কৰিবলৈ লৈছে। অলপতে পাঁচ জানুৱাৰীৰ দিনা নগা সীমান্তত ঘটনা যিটো ঘটিল সেই কথা আমি সকলোৱে জানো। সেই কাৰণে অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে সংৰক্ষিত ব্যৱস্থা ৰখাৰ কাৰণে যি সংশোধনী বিল আনিছে সেই বিল মই সমৰ্থন কৰিছো। বন্ধুবৰ হেমেন দাস ডাঙৰীয়াই শতকৰা চাৰে বাইশ ভাগৰ যিটো কথা কৈছে সি নিতান্ত কম। শতকৰা চাৰে বাইশ ভাগ ৰাখিলেই আটাইখিনি ৰখা নহয়। আমাৰ ইয়াতে দিশপুৰৰ ডিৰেক্টৰ এলিমেণ্টৰিৰ যিটো অফিচ আছে তাত অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ লোক এজনকো চাকৰিত মকৰল কৰা হোৱা নাই। উপমা দিবলৈ গলে বহুত ওলাব। মই আশা কৰিছো যে এই বিল আনিয়েই যেন ক্ষান্ত নাথাকে ইয়াক কাৰ্য্যকৰী ৰূপ দিয়াৰো চেষ্টা কৰে। ইয়াকে কৈ ট্রাইবেল বেল্টৰ প্রতি চকু দিবলৈ কৈ সামৰিলো।

শ্ৰীফণী মেধী ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ জনজাতীয় ভাই সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে যি থন বিল আজি সদনত উথাপিত হৈছে যি সংশোধনী বিল আনিছে এই বিল খনত মই সমৰ্থন জনাইছো আৰু লগতে বিলখনৰ যি মূল উদ্দেশ্য সেই উদ্দেশ্য সম্পৰ্কে দুই চাৰিটা কথা কব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আজি অসমৰ জনজাতীয় ভাই সকল সম্পূৰ্ণৰূপে দুৰ্ব্বল হৈ পৰিছে। তেওঁলোকৰ ক্রয় ক্ষমতা হেৰুৱাই পেলাইছে আৰু সেই কাৰণে জনজাতীয় ভাই সকলক সমাজৰ দুৰ্ব্বল শ্ৰেণী বুলি কব লাগিব। জনজাতীয় ভাই সকলে এসময়ত দাবী উথাপন কৰিছিল উদয়াচলৰ জৰিয়তে তেখেতসকলৰ নিজৰ সমস্যা সমূহৰ সমাধানৰ কাৰণে কিন্তু ইতিহাসৰ দিশ অন্যফালে নিৰ্দিষ্ট হোৱাত তেওঁলোকে সাময়িক ভাৱে সেই দাবী প্রত্যাহাৰ কৰিছে কিন্তু জনজাতীয় ভাই সকল যে নিজৰ মাতৃভূমিৰ পৰা উচ্ছেদ হব ধৰিছে, উচ্ছেদ হবলৈ বাধ্য হৈছে সেইটো লক্ষ্য ৰাখি তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়াটো চৰকাৰৰ কৰ্ত্তব্য আৰু প্রয়োজন।

উপাধ্যক্ষ মহোদয়, নগালেণ্ডত যিবিলাক সমস্যা ঘটি গৈছে তাৰ বিস্তৃত আলোচনা ইতিমধ্যে হৈ গৈছে। এই সম্পৰ্কত হোৱা সভালৈ মই অসম চৰকাৰৰ ফালৰপৰা অনুসূচীত জনজাতিৰ সদস্য হিচাবে গৈছিলো। তাত দেখা গৈছিল শতকৰা ৮০ ভাগ মানুহেই অনুসূচীত জনজাতিৰ লোক আৰু শতকৰা ৭০ ভাগ মানুহ গোৱালপাৰা আৰু কামৰূপ জিলাৰ। সেইসকল মানুহে নিজৰ মাটি ভেটিৰ পৰা কিয় উচ্ছেদ হ'বলগীয়া হ'ল আৰু কিয় ভূমিহীন হ'বলগীয়া হ'ল? ট্রাইবেল বেল্টৰ ওপৰত লবলগীয়া ব্যৱস্থা লোৱা হলে জনজাতীয় ভাই সকলৰ ৰক্ষণাবেক্ষণ দিয়া হোৱা হলে আজি তেওঁলোকে

নগা সীমান্তত গৈ এনে পৰিস্থিতিৰ সন্মুখীন হ'ব নেলাগিলহেঁতেন। নগালৈও বৰ্ডাৰত যোৱা ৫ জানুৱাৰীত যি ঘটনা ঘটিছিল তাৰ আকৌ পুনৰাবৃত্তি ঘটাৰ সম্ভাৱনাৰ বিষয়ে জনজাতীয় ভাই সকলে মুখ্যমন্ত্ৰীক স্মাৰক-পত্ৰ দিছে। গতিকে আমাৰ চৰকাৰক যুদ্ধকালীন পৰিস্থিতিৰ প্ৰস্তুতিৰে যাতে এই অৱস্থাৰ সন্মুখীন হ'ব পাৰে, তাৰ বাবে চৰকাৰক অনুৰোধ জনালোঁ। তাৰোপৰি ট্ৰাইবেল বেল্টৰ যি মাটি আছে সেই মাটিত এনক্ৰচাৰে ভৰি পৰিছে। গতিকে তত্কালেই যাতে তাৰ পৰা মানুহবোৰ উঠাই আনি প্ৰকট জনজাতীয় লোকক তাত বহুৱাৰ চেষ্টা কৰে তাৰ বাবে চৰকাৰক অনুৰোধ জনালোঁ। ট্ৰাইবেল বেল্ট বা উদয়াচলেই হওক যদি সামন্তবাদ বা ভূমিনীতিৰ পৰিবৰ্ত্তন নহয় তেতিয়া হলে ট্ৰাইবেল ভাই সকল কেতিয়াও শোষণ মুক্ত নহয় আৰু এই জনজাতীয় ভাই সকল সাম্ৰাজ্যবাদীৰ শোষণৰ পৰা মুক্ত হ'ব নোৱাৰিব। এই সাম্ৰাজ্যবাদৰ পৰা মুক্ত হ'ব নোৱাৰিলে অৰ্থনৈতিক মুক্তিও নহ'ব আৰু মাৰ্ক্স, লেনিন আদিয়ে দেখুৱাই থৈ যোৱা সমাজ বা শোষণ মুক্ত সমাজ ৰচনা কৰিব নোৱাৰোঁ। শোষণ ব্যৱস্থা বন্ধ কৰিব লাগিলে সামন্তবাদ ধ্বংশ কৰিব লাগিব। গতিকে চৰকাৰে নিজে আগবাঢ়ি আহিব লাগিব এই সামন্তবাদ ধ্বংশ কৰিবৰ কাৰণে। আমাৰ আজি দেশৰ মূল শত্ৰু হ'ল চাৰিটা, সাম্ৰাজ্যবাদ, সামন্তবাদ, সামাজিক সাম্ৰাজ্যবাদ আৰু আমোলাতান্ত্ৰিক পুঁজিৰ শিল্প। এই প্ৰধান চাৰিটা শত্ৰুক ধ্বংশ নকৰিলে দেশ প্ৰগতিৰ পথত আগুৱাব নোৱাৰিব।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশ এখন বৃহত দেশ। এই বৃহত দেশখনৰ সিপাৰে হ'ল মহান চীন দেশ। তাত আজি খাদ্য সমস্যা নাই, নিবনুৱা সমস্যা নাই। তাত ভিক্ষাৰী নাই। অথচ আমাৰ দেশৰ তুলনাত শতকৰা ১৫ ভাগ খেতিৰ মাটি কম, কিন্তু খাদ্য উত্পাদনৰ ক্ষেত্ৰত আমাৰ দেশতকৈ বেছি। আগতে এই দেশৰ পৰা কোনো প্ৰচাৰ পত্ৰিকা প্ৰকাশ পোৱা নাছিল, সেয়েহে আমি জনা নাছিলোঁ সেই দেশৰ মূল্যমানৰ কথা। কিন্তু এতিয়া সেই দেশত ভ্ৰমণ কৰা লোকৰ গ্ৰন্থৰ পৰা আমি বুজিব পাৰিছোঁ, তেওঁলোকৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যমান ১৯৫০ চনৰ পৰাই আজি পৰ্য্যন্ত একেই আছে। তাত মুদ্ৰাস্ফীতি হোৱা নাই। আমাৰ দেশত ৬০ কোটি মানুহ বাস কৰে আৰু চীনত ৯০ কোটি মানুহ বাস কৰে. অথচ শতকৰা ১৫ ভাগ খেতিৰ মাটি আমাৰ ভাৰতবৰ্ষতকৈ কম।

আজি কিন্তু জনতা চৰকাৰ প্ৰতিস্থা হোৱা প্ৰায় ২ বছৰ হবহি। আমি দেখিছো কেন্দ্ৰীয় চৰকাৰৰ যি দুৰ্বল নীতি লোৱা হৈছে তাৰ দ্বাৰাই আমাৰ ইস্পাত শ্ৰমিকৰ স্বাৰ্থত আঘাট হানিবলৈ বিচৰা হৈছে। যদি এই ইণ্ডাষ্ট্ৰিয়েল বিলখন পাৰ হৈ যায় তেতিয়াহলে আমাৰ এই শ্ৰমিকসকলে তেওঁলোকৰ দাবী আৰু অধিকাৰ সাব্যস্ত কৰাৰ কাৰণে যি আন্দোলন ইত্যাদি তেওঁলোকে কৰাৰ সুবিধা আছিল সেইবিলাক চিৰদিনৰ কাৰণে বন্ধ হৈ যাব। কুখ্যাত ভূটলিংগমৰ কমিটি ৰিপৰ্ট শ্ৰমিকৰ বিৰুদ্ধে লোৱা

নীতি, কাণপুৰত কটন মিলৰ শান্তিপূৰ্ণ আন্দোলন শ্ৰমিক সকলে কৰিছিল, কিন্তু সেই শ্ৰমিক সকলক গুলিয়াই হত্যা কৰা হৈছিল। চৰকাৰে এই ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা নললে। গতিকে এই বিলাক যদি বাধা দিয়া নহয় তেতিয়াহলে আমাৰ লাখ লাখ শ্ৰমিক, মেহনতি শ্ৰমিকসকলৰ আশা আকাংক্ষা কোনো দিনেই পূৰণ নহব। এই দেশৰ আইন প্ৰশাসন যন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিলেই নহব। এই কথা আমি সকলোৱে স্বীকাৰ কৰিছো। জনতা চৰকাৰে আজি গণতান্ত্ৰিক অধিকাৰ নিৰ্দ্ধাৰণ কৰিছে। ফেচিবাদীৰ হাতৰ পৰা ভাৰতবৰ্ষক গণতন্ত্ৰ অধিকাৰ দিয়া হৈছে। কিন্তু সেই অধিকাৰ দিলেই নহব। আমাৰ যিবিলাক সমস্যা দিনক দিনে বাঢ়ি আহিছে সেইবিলাক সমাধান কৰিব পাৰিব লাগিব। আজি ভূটলিং ৰিটপক কৰৰ দিয়ক। এই বিল খন যদি পাচ কৰিবলৈ দিয়া হয় তেতিয়াহলে হয়তো বিপ্লৱৰ জুই জ্বলিবলৈ বেচি দিন নালাগিব। এইটো স্পষ্টভাবে কব পাৰি যেতিয়ালৈকে আমাৰ ইয়াত ভূমিনীতিৰ আমোল পৰিবৰ্ত্তন নহয়, এটা ৰেডিকেল চেইঞ্জ নহয় তেতিয়ালৈকে আমাৰ দেশত কোনো কালে উদ্যোগৰ বিকাশ হব নোৱাৰে। আজি বেকাৰ সমস্যাই প্ৰবলৰূপ ধাৰণ কৰি আহিছে। কিন্তু আমি যদি ভূমিনীতিৰ আমোল পৰিবৰ্ত্তন কৰিব নোৱাৰো, ভূমি সংস্কাৰৰ ব্যৱস্থা কৰিব নোৱাৰো তেতিয়ালৈকে আমাৰ দেশৰ এই অগনন দুখীয়া লোকৰ ক্ৰয়-ক্ষমতা বৃদ্ধি কৰিব নোৱাৰো। এইটোহে হ'ল আমাৰ মূল বেমাৰ। এই মূল বেমাৰটো চিকিত্সা কৰি ইয়াক নিৰাময় কৰিব নোৱাৰিলে আমাৰ সমস্যা সমাধান কেতিয়াও নহয়। আমাৰ শ্ৰমিক সকলৰ মাজত, যুৱক সকলৰ মাজত হতাশাৰ ভাব আহিছে। গতিকেই ভূমিনীতিৰ ভূমি সংস্কাৰ সাধনৰ ৰেডিকেল চেইঞ্জ আনি দুখীয়া জনসাধাৰণৰ হেৰাই যোৱা ক্ৰয় শক্তিক ঘূৰাই আনিব লাগিব। ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব লাগিব। তেতিয়াহে আমাৰ ইয়াত উদ্যোগ বিকাশৰ পথ সুগম হৈ পৰিব। আৰু যদি উদ্যোগ বিকাশ হয় তেতিয়া চাকৰিও ওলাব আৰু তেতিয়াই আমাৰ এই অগনন বেকাৰক চাকৰিৰ ব্যৱস্থা কৰি নিবনুৱা সমস্যা সমাধানৰ পথ ওলাব। লগে লগে আমাৰ ৰাজ্যৰ অৰ্থনীতি টনকিয়াল হব। মুদ্ৰাস্ফীতি কমি যাব। আজি আমাৰ বয় বস্তুবিলাকৰ দাম দিনক দিনে বাঢ়ি আহিছে। আমাৰ মন্ত্ৰী সকলেও এই কথা ফিল কৰিছে। কিন্তু তেওঁলোকে নিৰুপায় হৈ মাত মাতিব পৰা নাই। মই নিজেই ইয়াৰ ভুক্তভোগী। মই নিজে ষ্টোভত ভাত ৰান্ধি খাওঁ। সিদিনা দিশপুৰতেই এবটল কেৰাচিন বিচাৰি মই ক'তো নাপালো। শেষত নডোথৰ মান খৰি যোগাৰ কৰি তিনিটা ইটাৰ ওপৰত ভাত ৰান্ধি খোৱাৰ যোগাৰ কৰিলো। অসমৰ বিভিন্ন ঠাইত কেৰাচিনৰ দাম ৮ টকাকৈ বেছি হৈছে, কিন্তু এই কথা উপলব্ধি কৰিও আমাৰ মন্ত্ৰীসকল নিৰুপায় হৈ পৰিছে।

এই পৰিস্থিতি জনতা চৰকাৰে বাস্তৱ কাৰ্য্য পন্থাৰে আমোল পৰিবৰ্ত্তন আনিব লাগিব। লগে লগে জনতা চৰকাৰে চেষ্টা কৰিব লাগিব ভাৰতবৰ্ষৰ পৰা সমগ্ৰ

পুজিপতি আৰু একচেতীয়া ব্যৱসায়ৰ অত্যাচাৰ শোষণ বন্ধ কৰিব পৰা ব্যৱস্থা কৰিব লাগিব। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে টাটাৰ, বিৰলাৰ সম্পত্তি দিনক দিনে বাঢ়ি গৈছে। তেওঁলোকে কোটি টকাত ৪ অনাকৈ লাভ কৰাৰ ফলত আজি ৰাজ্যখনৰ কথা দেশখনৰ সমস্ত সম্পদ আৰু সম্পত্তি তেওঁলোকৰ হাতত স্তুপীকৃত হৈছে, আনহাতেদি আমাৰ হেজাৰ, লাখ জনসাধাৰণ ন্যায্য সুবিধাৰ পৰাও বঞ্চিত হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি ইঙ্গিত দিয়া মই দেখিছো। মই মাত্ৰ এটা কথা কব বিচাৰিছো যে আজি আমাৰ ৰাজ্যৰ ট্ৰাইবেল জনজাতি সকলক ৰক্ষণা-বেক্ষণ প্ৰকৃততে দিবলগীয়া হৈছে। আমি সমাজত অকল ট্ৰাইবেলসকলৰ কথাই নহয় মাইনৰিটিৰ বিষয়ে বহুত কিবা কিবি কওঁ কিন্তু তেওঁলোকক ৰক্ষনা-বেক্ষণ দিয়াৰ কাৰণে আমি কি ব্যৱস্থা লৈছো, সেইটো চাব লাগে। অৰ্থনৈতিক ক্ষেত্ৰত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা এই লোক সকলক অৰ্থনৈতিক ভাৱে ওপৰলৈ তোলাৰ ব্যৱস্থা কৰক। চাকৰিৰ ক্ষেত্ৰত আৰু অন্যান্য স্বাৰ্থৰ ক্ষেত্ৰত এই সকলৰ সুবিধা দিবৰ কাৰণে জনতা চৰকাৰে প্ৰগতিশীল দৃষ্টি ভঙ্গীৰে বাস্তৱ কাৰ্য্য-পন্থালৈ আগবাঢ়ি যাবলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীনজৰুল হ'ক** :—মাননীয় উপাধ্যক্ষ মহোদয়, অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে চাকৰি আৰু পদোন্নতিৰ সংৰক্ষণ কৰাৰ কাৰণে যিখন বিল সদনত উত্থাপন কৰা হৈছে সেইবিলখনৰ আমাৰ ফালৰ পৰা সম্পূৰ্ণ বিৰোধিতা কৰিছো। ইয়াৰ লগতে এইখিনি কথা উল্লেখ কৰিছো যে ইয়াৰ দ্বাৰা এইটো কথা আমি কব খোজা নাই যে আমাৰ ৰাজ্যত থকা হেজাৰ হেজাৰ শোষিত জনজাতি আৰু অনুসূচীত জাতিৰ প্ৰতি আমাৰ দৰদ আৰু ভালপোৱা নাই। তেওঁলোকৰ প্ৰতি আমাৰ মৰম, চেনেহ, ভালপোৱা আৰু সহানুভূতি যথেষ্ট আছে। এই বিলৰ জৰিয়তে চাকৰি আৰু পদোন্নতি সংৰক্ষিত কৰি অনুসূচীত জাতি আৰু জনজাতিৰ সাংবিধানিক অধিকাৰ ৰক্ষা কৰাৰ কাৰণে চিন্তা কৰা হৈছে। কিন্তু মই ভাবো ইয়াৰ দ্বাৰা যিটো কৰিবলৈ বিচৰা হৈছে সেইটো অলিক সপোনৰ বাহিৰে একো নহয়। আমি মাৰ্ক্সবাদীসকলে জানো, যে যিমানদিনলৈকে সমাজত পুঁজিবাদী শাসন আৰু শোষণ ব্যৱস্থা চলি থাকিব, সিমানদিনলৈকে পৃথিৱীত এনেকুৱা কানো শক্তি নাই যি ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধান দূৰ কৰিব পাৰে। জনজাতীয় আৰু অনুসূচীত লোকৰ কাৰণে যি বিল অনা হৈছে তাৰ দ্বাৰা সেই বন্ধুসকলৰ যে কিবা উন্নতি হব তাৰ কোনো সম্ভাৱনা নাই। বৰঞ্চ আমাৰ দেশত থকা বিভিন্ন সম্প্ৰদায়, বিভিন্ন গোষ্ঠি এই সকলৰ মাজত এই বিলৰ দ্বাৰা এটা বিভেদকামী মনোভাব সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। উদাহৰণ স্বৰূপে কব বিচাৰিছোঁ যে আজি দুখীয়া আৰু নিস্পেষিত মানুহ মাথোন জনজাতীয় আৰু অনুসূচীত সম্প্ৰদায়ৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। পুঁজিবাদী শোষণৰ কবলত পৰি আজি এইখন ৰাজ্যৰ শতকৰা ৭৫ ভাগ মানুহ দৰিদ্ৰসীমা ৰেখাৰ এলত পৰি থাকিবলগীয়া হৈছে।

পুজিবাদক জীয়াই ৰাখি মাথোন এখন বিল পাছ কৰিলেই জনজাতীয় আৰু অনুসূচীত জাতিৰ ভৱিষ্যত মঙ্গল হব বুলি কেতিয়াও ভাবিব নোৱাৰি। মাননীয় উপাধ্যক্ষ মহোদয়, মই কব খুজিছো যে এনে এখন বিল পাছ কৰিয়েই কি দুৰ্দশাগ্ৰস্ত জনজাতিয় ৰাইজৰ উন্নতি হব? নহয়! উদাহৰণস্বৰূপে মই কৈছো যে মাত্ৰ এখন বিলৰ কাৰণেই ৰাজ্য পৰ্য্যন্ত পৃথক হৈ গৈছে। মেঘালয় ৰাজ্য যেতিয়া অসমৰ লগত আছিল তেতিয়া তেওঁলোকৰ যথেষ্ট অৱনতি হৈছে বুলি কেপটেইন চাংমাই মেঘালয় ৰাজ্যৰ দাবীত আন্দোলন কৰিছিল কিন্তু এতিয়া দেখা গল চাংমাৰ ৭ বছৰ শাসনত তেওঁলোকৰ দুখীয়া মানুহৰ যথেষ্টখিনি ক্ষতি হৈছে। মোৰ সমষ্টিৰ লগতে মেঘালয়ৰ সীমা তাত দেখিছোঁ যে গাৰোসকলে লেংটি মাৰি চাংমাৰ লগত আন্দোলন কৰি মেঘালয় ৰাজ্য কৰিছে। সেই দুখীয়া গাৰো সকল এতিয়া সৰ্বহাৰাত ৰূপান্তৰ হৈছে। এই বিলাক হোৱাৰ মুল কাৰণ হল পুজিবাদী-শাসন যিমানদিনলৈকে বহাল থাকিব সিমানদিনলৈকে এই দুৰ্দশাগ্ৰস্ত জনজাতি আৰু অনুসূচীত জাতিৰ জীৱনত অৰ্থনৈতিক মুক্তি আহিব নোৱাৰে। এতিয়া আমাৰ কথা হল আজি ভাৰতবৰ্ষৰ বুকুতে পুজিবাদী শাসন অধিষ্ঠিত হৈছে। যোৱা ৩২ বছৰৰ পুজিবাদী শাসনৰ ফলত দেশৰ অৰ্থনৈতিক অৱস্থা সঙ্কটত জৰ্জৰিত হৈছে। দেশৰ জাতীয় আয় আৰু সম্পদৰ এটা বৃজন অংশ প্ৰায় ৭৫ শতাংশ মাথোন ২০ জন বিশাল পুজিপতিৰ হাতলৈ গুচি গৈছে। আৰু এই ৩২ বছৰীয়া শাসনত ভাৰত চৰকাৰৰ যি সমীক্ষা তাত দেখা গৈছে যে ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত ধনী আৰু ধনী হৈছে আৰু দুখীয়া অধিক দুখীয়া হৈছে। মাথোন দুখীয়াই হোৱা নাই, হাজাৰ হাজাৰ-লাখ লাখ মেহনতী মানুহ সৰ্বহাৰা হৈ গৈছে। গতিকে এই বিলৰ দ্বাৰা জনজাতীয় আৰু অনুসূচীত জাতিৰ মানুহৰ জীৱনৰ মুক্তি আনিব নোৱাৰিব। অনুসূচীত আৰু জনজাতীয় বন্ধু সকলৰ ভাগ্য অন্যান্য দুৰ্দশাগ্ৰস্ত লোকসকলৰো লগত একে। এওঁলোকৰ জীৱনৰ একমাত্ৰ মুক্তিৰ পথ হৈছে এই মানুহখিনি একগোট হৈ জাতিধৰ্ম নিৰ্বিশেষে ঐক্যবদ্ধ হৈ পুজিবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰা। এই পুজিবাদীৰ ওপৰত চূড়ান্ত আঘাত যেতিয়ালৈকে হানিব নোৱাৰে তেতিয়ালৈকে এই দুৰ্দশাগ্ৰস্ত মানুহখিনিৰ অৰ্থনৈতিক মুক্তি সম্ভৱ হব নোৱাৰে। আমি এইটো চিন্তা কৰি আছোঁ। নিষ্পেষিত আৰু দুৰ্দশাগ্ৰস্ত মানুহখিনিৰ একগোট কৰিব লাগিব আৰু তেওঁলোকৰ মাজত ঐক্য, শক্তি আনিব লাগিব। লগতে ৰণ কৌশল জানিব লাগিব কেনেকৈ পুজিবাদক পৰাস্ত কৰিব পাৰি। কিন্তু ইয়াৰ পৰিবৰ্তে আমি মেহনতি মানুহক বিভক্ত কৰিব খুজিছো। উপাধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অঞ্চলত গৈ মই দেখিছোঁ যে জনজাতীয় বন্ধু সকলৰ মাজত দাৰিদ্ৰ সীমাৰেখাৰ তলত থকা বহুতো মানুহ আছে। এনেধৰণৰ এখন বিলৰ ব্যৱস্থা নথকাৰ কাৰণেই যে এই অৱস্থা হৈছে সেইটো সঁচা নহয়। পুজিবাদী শাসনৰ শোষন নীতিয়ে জাতি ধৰ্ম নিৰ্ব্বিশেষে এজন বিত্তবান মানুহে দুখীয়া ভূমিহীন সৰ্বহাৰা মানুহ এজনক শোষণ কৰে। অধিক মুনাফাৰ কাৰণে টকা লগ্নি দিয়ে আৰু সুদ আদায়ৰ ক্ষেত্ৰত নিৰ্মমভাৱে আদায় কৰে। গতিকে

এই বিলখনে জনজাতীয় আৰু অনুসূচীত জাতিৰ এই নিষ্পেষিত আৰু শোষিত মানুহৰ মুক্তি আনিব নোৱাৰে। কাৰণ একেই পুজিবাদী অৰ্থনৈতিক কাঠামোৰ মাজত আমি জীয়াই থাকিব লাগিব। পুজিবাদী অৰ্থনৈতিক কাঠামোৰ মাজত হিন্দু-মুছলিমেই হওক বা জনজাতীয়ই হওক, অনুসূচীতই হওক শোষণৰপৰা কাৰো গত্যন্তৰ নাই। জনজাতীয় বন্ধুসকলৰ মাজত সঁচাকৈয়ে কিছুমান বৈশিষ্ট আছে। জনজাতি মানুহ সকল সঁচাকৈ খুব ভদ্ৰ, সৰল আৰু বিশ্বাসী। তদুপৰি আমাৰ সংবিধানে অনুসূচীত জাতি আৰু জনজাতি লোকৰ কাৰণে যিখিনি সাংবিধানিক স্বীকৃতি দিছিল যোৱা ৩২ বছৰে তেওঁলোকৰ অৰ্থনৈথিক অৱস্থা, কলা-কৃষ্টি, শিল্প, সাহিত্য, দৰ্শন আদিৰ বহুত উন্নতি হব লাগিছিল। কিন্তু বাধা দিলে কোনে? অথচ এই স্বীকৃতি সংবিধানত লিপিবদ্ধ আছে। তাৰ মূল কাৰণ হৈছে পুজিপতি সকলৰ শোষণ আৰু পুজিবাদৰ দুৰ্নীতিপৰায়ণ শাসন ব্যৱস্থা। জনজাতীয় বন্ধু সকলৰ আৰু কিছুমান বৈশিষ্ট্য আছে। সাংস্কৃতিক ক্ষেত্ৰত এই নিৰীহ লোক সকলে গোটেই বছৰ দুখ কষ্ট কৰি উৎপাদন কৰে আৰু তাৰ বেছি ভাগেই তেওঁলোকৰ বিভিন্ন পূজা, পাৰ্বন আৰু উৎসৱত ব্যাপকভাৱে মদ খাই শেষ কৰে। ইয়াৰ পৰা জনজাতীয় বন্ধু সকলৰ যথেষ্ট পৰিমাণে আৰ্থিক ক্ষতি হয়। আৰু তেওঁলোকৰ অৰ্থনীতিৰ ওপৰত আঘাট পৰিছে। এই বিলখনে অনুসূচীত আৰু জনজাতীয় লোক সকলক পুজিবাদীৰ শোষণৰ হাতৰ পৰা ৰক্ষা কৰিব পাৰিবনে? আজি ৪ টকা ৬ টকাত কেৰাচিন বিক্ৰী হৈ আছে তাৰ পৰা ৰক্ষা কৰিব পাৰিবনে? আৰু চাকৰি-বাকৰি পোৱাৰ ক্ষেত্ৰত অফিছৰ আমোলাতন্ত্ৰৰ যি দুৰ্নীতিপৰায়ণ অৱস্থা সেই অৱস্থাৰ পৰাও ৰক্ষা কৰিব পাৰিবনে? আমি জানো ৰক্ষা কৰিব নোৱাৰে! গতিকে আমি জানো যে এই নিপীড়িত মানুহখিনি একজোট হৈ এই পুজিবাদী সমাজ ব্যৱস্থাৰ অৱসান ঘটাব লাগিব। এই কামখিনি যিমান দিনলৈকে কৰা নহ'ব সিমান দিনলৈকে যিকোনো জাতি-জনজাতি আৰু অনুসূচীত জাতি কাৰো মুক্তি নাই। এই পুজিবাদী শোষণ আৰু শাসনৰ বলি হ'বই লাগিব। প্ৰকৃতপক্ষে যি কোনো এটা বিশেষ সম্প্ৰদায়ৰ কাৰণে আচুতিয়াকৈ অৰ্থনৈতিক ক্ষেত্ৰত কোনো চেফ গাৰ্ড দিব নোৱাৰি। কাৰণ আমাৰ দেশৰ মানুহখিনি ধনী আৰু গৰীব এই দুভাগত বিভক্ত হৈছে। মাথোন ভাৰতবৰ্ষতে নহয় পৃথিৱীৰ সকলো পুজিবাদী ৰাষ্ট্ৰত এই একেই নিয়ম। আমাৰ ইয়াতো মানুহ-বিলাক দুভাগত বিভক্ত হৈছে, এভাগ হ'ল ধনী আৰু বিত্তবান আৰু আনভাগ দুখীয়া আৰু সৰ্ব্বহাৰা। এটা হৈছে মালিকশ্ৰেণী আৰু আনটো হৈছে মজদুৰ শ্ৰেণী। গতিকে এই শ্ৰেণী বিভাজন অৱস্থা যিমান দিনলৈকে চলি থাকিব সিমান দিনলৈকে অৰ্থনৈতিক চেফগাৰ্ড দি আমাৰ নিৰীহ মানুহক ৰক্ষা কৰিব নোৱাৰিম। আৰু যদি কিবা বিশেষ কাৰণত কাৰোবাক অৰ্থনৈতিক চেফগাৰ্ড দিব লাগে তেনেহলে আমাৰ এইখন ৰাজ্যত থকা সকলো সম্প্ৰদায়ৰ, সকলো গোষ্ঠীৰ দৰিদ্ৰ, সীমাৰেখাৰ তলত পৰি থকা ভূমিহীন, গৃহহীন, সৰ্বহাৰা, যিসকল মানুহে এমুঠি ভাতৰ কাৰণে বুভুক্ষু হৈ মানুহৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে, এটুকুৰা খেতিৰ

মাটিৰ কাৰণে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিব লগা হৈছে, এটুকুৰা খেতিৰ মাটিৰ কাৰণে জংঘল কাটি খেতিৰ উপযোগী হোৱাৰ পিছত উচ্ছেদ হ'বলগীয়া হৈছে তেওঁলোকৰ সকলোৰে কাৰণেই সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিছিল। তেতিয়াহ'লে আমাৰ দেশৰ বিভিন্ন সম্প্ৰদায়, বিভিন্ন গোষ্ঠীৰ মাজত মিলা-প্ৰীতি, বন্ধুত্ব আৰু সম্প্ৰীতি বজাই থাকিলেহেঁতেন। গতিকে উপাধ্যক্ষ মহোদয়, এই বিলখনে যিহেতু আমাৰ মাজত বিভেদ অনাৰ সম্ভাৱনা আছে আৰু তাৰ কাৰণে নীতিগত ভাৱে আৰু আদৰ্শগত ভাৱে আমি আমাৰ পক্ষৰ পৰা এই বিলখনৰ সম্পূৰ্ণ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

*শ্ৰীনগেন বৰুৱা ঃ উপাধ্যক্ষ মহোদয়, The Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Bill, 1978. এই বিলখনৰ ওপৰত আজি সদনত যি সজীৱ আলোচনা হৈছে এই আলোচনাত এনে এটা কথা দেখা গৈছে আৰু বিশেষকৈ এই বিলখনৰ ওপৰত মাননীয় সদস্যসকলে যি কেইটা সংশোধনী আনিছে আৰু সংশোধনী অনাৰ পিচত কৈছে যে আমাৰ দেশৰ বা আমাৰ ৰাজ্যৰ সংবিধানত যিখিনি অধিকাৰ জনসাধাৰণক দিয়া হৈছিল সেই অধিকাৰ সমূহ ঠিকমতে পালন নকৰাৰ কাৰণে আজি এনেকৈ এখন আইন আমাৰ এই সদনৰ জৰিয়তে আনিবলগীয়া হৈছে।

উপাধ্যক্ষ মহোদয়, আমাৰ ভাৰতীয় সংবিধান খন ১৯৫০ চনত গ্ৰহণ কৰা হৈছিল আৰু ১৯৫০ চনৰ পৰা আজি ১৯৭৯ চনলৈ এই ২৯ বছৰৰ ভিতৰত আমাৰ ভাৰতীয় সংবিধানত যিখিনি কথা বিশেষকৈ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সুবিধাৰ কাৰণে, তেওঁলোকৰ ৰিজাৰ্ভেচনৰ কাৰণে সুবিধা দিয়া হৈছিল সেইখিনি সকলো ঠাইতে ঠিকমতে পালন নকৰাৰ কাৰণেই আজি এই বিলখন আনিবলগীয়া হৈছে। সংবিধানত আমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি এই দুটা সম্প্ৰদায়ৰ এই কথা স্বীকাৰ কৰা হৈছিল কাৰণেই উপধ্যক্ষ মহোদয়, আপুনি যে জানে দেশ স্বাধীন হোৱাৰ আগতেই মহাত্মা গান্ধীৰ নেতৃত্বত যি আন্দোলন হৈছিল সেই সময়ত গান্ধীজীৰ নেতৃত্বত থাকি স্বৰাজ আন্দোলনত নেতৃত্ব দিয়া লোক সকলে এই ঘোষণা কৰিছিল যে ভাৰত বৰ্ষৰ ভিতৰতে আমাৰ যিটো হাজাৰ বছৰীয়া জাতি-ভেদ প্ৰথা আছে, এই জাতি ভেদ প্ৰথাৰ কাৰণে কিছুমান মানুহ একেবাৰে সমাজৰ পৰা অৱহেলিত হৈ থাকিবলগীয়া হল। তেওঁলোকে যুগ যুগ ধৰি আধুনিক জীৱন যাপন, অধুনিক সভ্যতা, আমি কোনো এটা দিশতেই তেওঁলোকে সোৱাদ লব নোৱাৰিলে। তেওঁলোক আছিল হয় জংঘলত নহয় অৱহেলিত ভাবে কোনোৱা অঞ্চলত বাস কৰিছিল। তেওঁলোকে সমাজৰ শিক্ষা, সংস্কৃতি, অৰ্থ নৈতিক বিকাশ আধুনিক বিজ্ঞান আদিৰ কোনো সোৱাদেই লব নোৱাৰিলে। এহাতে আমাৰ যি চাম মানুহ চহৰত থাকি, যি চাম মানুহে হয়তো

*Speech not corrected.

পুৰুষানুক্ৰমে আধুনিক সভ্যতা, বিজ্ঞানৰ সোৱাদ পাইছে সেইবিলাক মানুহ আগবাঢ়ি গৈছে। তাৰোপৰি এইসকল লোক সাম্প্ৰদায়িক ভাবে এইদৰে অৱহেলিত হৈ যাওঁতে যাওঁতে এনেকুৱাকৈ অৱহেলিত হৈ গ'ল যেতিয়া আমাৰ সংবিধান ৰচনা কৰা হ'ল সেই সময়ত সংবিধানৰ বিশেষ সুবিধা এওঁলোকক দিবলগীয়া হ'ল। যদিও এইখন আমাৰ গণতান্ত্ৰিক দেশ, এই গণতান্ত্ৰিক দেশৰ সকলোৰে, সমান অধিকাৰ আছে তথাপি সংবিধানে এইসকল লোকৰ কাৰণে কিছুমান আচুতীয়া ব্যৱস্থা ৰাখিবলগীয়া হ'ল। কিয়নো আমাৰ দেশত হাজাৰ হাজাৰ বছৰ ধৰি অৱহেলিত হৈ অহা লোকসকল আগুৱাই যোৱাৰ কাৰণে তেওঁলোকক অৰ্থ নৈতিক, সামাজিক, শিক্ষা আৰু অন্যান্য দিশত বিকাশ কৰিবলৈ হয় তেতিয়া তেওঁলোকক সংবিধানে কিছুমান সুবিধা দিব লাগিব। যদি এই সংবিধানে আচুতীয়া সুবিধা দিয়া নহয় তেতিয়া হলে এই চাম মানুহ যিকোনো কাৰণতেই নহওক অৱহেলিত হৈ থাকিব আৰু বিজ্ঞানৰ সুবিধা নোপোৱাকৈ থাকিব। সেই কাৰণেই এই সংবিধানে এই দুটা সম্প্ৰদায়ৰ কাৰণে আচুতীয়া ব্যৱস্থা ৰাখিলে। আচুতীয়া ব্যৱস্থা অন্যান্য পৃথিবীৰ যিকোনো সংবিধানতেই বোধকৰো নাই। যদিও ভাৰতবৰ্ষৰ সংবিধানত কিছুমান সম্প্ৰদায়ৰ কাৰণে আচুতীয়া ব্যৱস্থা ৰখা হৈছে, পৃথিৱীৰ অন্য সংবিধানত এনে ব্যৱস্থা নাই। ভাৰতবৰ্ষত এই কাৰণেই এই ব্যৱস্থা ৰাখিবলগীয়া হৈছে যে আমাৰ যিটো সমাজ ব্যৱস্থা, ভাৰতবৰ্ষৰ মানুহৰ যি ভৌগলিক অৱস্থা এই অৱস্থালৈ লক্ষ্য কৰিয়েই আমাৰ সংবিধান প্ৰনয়ণৰ সময়ত সংবিধান ৰচনাকাৰী সকলে. পণ্ডিত সকলে এক মুখে এক বাক্যে স্বীকাৰ কৰিছে যে ভাৰতবৰ্ষৰ সংবিধানত কিছুমান সম্প্ৰদায়ৰ কাৰণে কিছুমান আচুতীয়া ব্যৱস্থা ৰাখিব লাগে। এই আচুতীয়া ব্যৱস্থা ৰাখিব নোৱাৰিলে এই অৱহেলিত মানুহ খিনি আগুৱাই আহিব নোৱাৰিব। আগবাঢ়ি আহিবলৈ হলে শিক্ষাত আচুতীয়া ব্যৱস্থা, অৰ্থনীতিত আচুতীয়া ব্যৱস্থা, সমাজত চলা ফিৰাৰ কাৰণে কিছুমান ব্যৱস্থা ৰাখিব লাগিব। আমাৰ দেশত যিটো অস্পৃশ্যতা আছিল এইটো দেশৰ শত্ৰু বুলি স্বীকাৰ কৰিয়েই এইটো নিৰ্মূলৰ কাৰণে মহাত্মা গান্ধীয়ে আন্দোলন কৰিছিল। তেখেতে অৱহেলিত লোক সকলৰ কাৰণে আন্দোলন আৰম্ভ কৰিছিল, হৰিজন সকলৰ কাৰণে আন্দোলন আৰম্ভ কৰিছিল আৰু স্বাধীনতা আন্দোলনৰ লগে লগেই এই সামাজিক আন্দোলন বিলাকো কৰি গৈছিল।

কিন্তু ইমান বিলাকে আন্দোলন কৰাৰ পিচতো জাতিৰ পিতা মহাত্মা গান্ধী যিজন বিশ্ব বৰণ্য মহান নেতা সেইজনেই কাৰ্য্যকলাপৰ যোগেদি এই কথা কৈছিল। যেতিয়ালৈকে ভাৰতবৰ্ষত অস্পৃশ্যতা চলি থাকিব, জাতিৰ নামত, সম্প্ৰদায়ৰ নামত, ধৰ্ম্মৰ নামত শ্ৰেণী বিভাজন চলি থাকিব, আন যি শ্ৰেণীৰ মানুহ বা কুলিন বংশৰ মানুহে এই সম্প্ৰদায়ৰ মানুহখিনিক অৱহেলা কৰি থাকিব। গতিকেই সেই ভাব গোচাব লাগিব। সেইখিনি গোচাব নোৱাৰালৈকে ভাৰতবৰ্ষত সুস্থ-সবল গণতান্ত্ৰিক সমাজ স্থাপন কৰিব পৰা নাযাব।

সেইকাৰণেই মহাত্মা গান্ধীৰ আদৰ্শত যি গণপৰিষদ গঠন হৈছিল তাত আলোচনাৰ কালত এই লৈ নানা ধৰণৰ তৰ্ক-বিতৰ্ক হৈছিল। এই কথাত শেষত সকলোৰেই এক মত হৈছিল যে গণতান্ত্ৰিক অধিকাৰ সকলোকে দিবলৈ হলে সংবিধানৰ কিছুমান আচুতীয়া ব্যৱস্থা ৰাখিব লাগিব। এইখিনি আচুতীয়া ব্যৱস্থা ৰখাৰ ক্ষেত্ৰত যোৱা ইমান বছৰে ব্যৰ্থ নোহোৱা হলে এই বিলখন আনিব লগা নহলহেঁতেন? যোৱা ২৯।৩০ বছৰে এই সংবিধানিক চৰকাৰে, বিভিন্ন দপ্তৰ বিলাকে, বিভিন্ন নিয়োগকাৰী অনুষ্ঠান বিলাকে চৰকাৰৰ নিজৰ দায়িত্বৰ এই কাম বিলাক কৰিব পৰা হলে এই ২৯।৩০ বছৰৰ পিচতো এই বিলখন আনিবলগীয়া নহলহেঁতেন। উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত ভাৰতীয় সংবিধানৰ ১৬ অনুচ্ছেদত কৈছিল

"Equality of opportunity in matters of public appointment: (1) There shall be equality of opportunity for all citizens in matters relating to employment or appointment to any office under the State.

(2) No citizen shall, on grounds only of religion race, caste, sex, descent, place of birth, residence or any of them, be ineligible for, or discriminated against in respect of, any employment or office under the State;

(3) Nothing in this article shall prevent Parliament from making any law prescribing, in regard to a class or classes of employment or appointment to an offiice (under the Government of, or any local or other authority within, a State or Union Territory, any requirement as to residence within that State or Union Territory) prior to such employment or appointment.

(4) Nothing in this article shall prevent the State from making any provision for the reservation of appointments or posts in favour of any backward class of citizens which, in the opinion of the State, is not adequately represented in the services under the State.

(5) Nothing in this article shall affect the operation of any law which provides that the incumbent of an office in connection with the affairs of any religious or denominational institution or any member of the governing body thereof shall be a person professing a particular religion or belonging to a particular denomination".

উপাধ্যক্ষ মহোদয়, এই কথাই কোৱা হৈছে যে জাতৰ, ধৰ্ম্মৰ বা এইবিলাক কাৰণতেই এই অনুসূচিত জনজাতীয় আৰু অনুসূচিত জাতিৰ এই দুই সম্প্ৰদায়ৰ ভিতৰত যিসকল লোক আছে সেই লোকসকল চাকৰি ক্ষেত্ৰত অৱহেলিত হৈ আছে। এই লোক সকলক নিয়োগৰ ক্ষেত্ৰত সুবিধা লোৱাৰ কাৰণে যাতে বাধা দিব নোৱাৰে৷

তাৰ ওপৰত বেচি গুৰুত্ব দিয়া হৈছে। কিন্তু উপাধ্যক্ষ মহোদয় যোৱা ২৯/৩০ বছৰৰ পিচত স্বাধীন হোৱা কাল-চোৱাৰ ভিতৰত এই মানুহ বিলাক উপকৃত হ'ব, কিন্তু ৰাজ্যচৰকাৰৰ যিবিলাক বিভাগ আৰু ৰাজ্য চৰকাৰৰ কতৃত্বৰ যিবিলাক বিভাগ আছে, যিবিলাক নিগম আছে, দেখা গৈছে এই সদনতে কেইবাটাও কমিটি কৰা হৈছে। এই কমিটিয়ে যি ৰিপৰ্ট দিছে আৰু তেওঁলোকে যি অনুসন্ধান কৰি পাইছে আমাৰ বিভিন্ন পৰ্য্যায়ত ২।১ টা পৰ্য্যায়ত ৰিজাৰ্ভেচনৰ যিটো শতকৰা চাৰে সাত ভাগ অনুসূচিতৰ কাৰণে আৰু শতকৰা ১০ ভাগ অনুসুচীত জনজাতিৰ কাৰণে বিজাভেচন আছে তাৰ শতকৰা ২ ভাগো পৰিপূৰণ কৰিব পৰা নাই। ওপৰৰ মেনেজিৰিয়েল, একজিকিউটিভৰ কথা বাদ দিয়ক, সাধাৰণ শ্ৰেণী বা নিম্ন স্তৰৰ যিবিলাক চাকৰি সেইবিলাকৰ ক্ষেত্ৰতো এই সম্প্ৰদায়ৰ কাৰণে যিবিলাক আচুতীয়া সংবিধানিক ব্যৱস্থা ৰখা হৈছিল সেইখিনি পৰিপূ্ৰণ কৰিব পৰা নাই। সংবিধানত এই বিলাক ভালধৰণে সন্নিৱিষ্ট থকা সত্বেও আমাৰ চৰকাৰৰ পৰিচালিত যিবিলাক নিগম আৰু অনুষ্ঠান আছে এই বিলাকত সংবিধানিক নিয়ম মতে নিয়োগৰ ক্ষেত্ৰত যিধৰণে কাম কৰিব লাগে সেইধৰণে হোৱা নাই। গতিকে আজি আমাৰ চৰকাৰৰ বিশেষ দায়িত্ব আছে। এই কথা ঘোষণা কৰিছে, জনতা চৰকাৰে এই কথা ঘোষণা কৰিছে আমাৰ সংবিধানৰ যিখিনি কথা আছে আৰু মৌলিক সংবিধানিক দায়িত্ব আছে, সেইখিনি পালন কৰিব লাগিব। আৰু বিশেষকৈ ভাৰতবৰ্ষৰ যিহেতু দৰিদ্ৰতা আছে অৰ্থ নৈতিক ভাৱে অনগ্ৰহতা আছে এই সম্প্ৰদায়ৰ মানুহ আছে সেইসকলক চিনাক্ত কৰি সংবিধানিক দয়িত্ব বুজি তাক পালন কৰিব লাগিব। সংবিধানৰ যিটো ৰিজাৰ্ভেচন বিভিন্ন দপ্তৰৰ দায়িত্বত আছিল সেইটো ঠিক মতে সংবিধানিক পৰ্য্যায়লৈ যিখিনি কৰিব লাগিছিল সেইটো নোৱাৰাৰ কাৰণে আজি এই আইনৰ ব্যৱস্থাৰ প্ৰয়োজন হৈ পৰিছে। আইনৰ প্ৰয়োজন হল আৰু সেই প্ৰয়োজনৰ ভিত্তিত আমাৰ এই আইনখন অনা হৈছে। আমাৰ ইয়াত সময়ে সময়ে এচটিমেট কমিটি, অনুসূচিত উপদেষ্টা কমিটি বিভিন্ন সময়ত বিভিন্ন কমিটি হৈছে। এই কমিটিৰ পৰা যিবিলাক ৰিপৰ্ট আহিছে সেইবিলাকৰ ওপৰত নিয়োগৰ সম্পৰ্কত বহুতো আলোচনা হোৱা সত্বেও এই ৰিজাৰ্ভেচনত সংবিধানিক দায়িত্ব আচুতীয়াকৈ, পালন কৰা হোৱা নাই। গতিকে এই আইনখনৰ জৰিয়তে এই লোক সকলক বিশেষ সংৰক্ষণ তেওঁ-লোকৰ স্বাৰ্থৰ কাৰণে এই বিলখন আনিব লগীয়া হৈছে। এই বিলখন অনাৰ পিচত আজি হয়তো অন্যান্য সম্প্ৰদায়ৰ মাজত এটা অসন্তুষ্টি কোনো মহলত উঠিছে। সেইটো এনেকুৱা হৈছে আমাৰ যিবিলাক সাধাৰণ মানুহ তেওঁলোকৰ স্বাৰ্থ হানি হব। আৰু তেওঁলোকৰ ওপৰত আঘাট হব, তেনেকুৱা এটা ভাব জাগি উঠিছে। মই এইটো মানি লৈছো যে এই অচুতীয়াকৈ ব্যৱস্থা হোৱাৰ কাৰণে সাধাৰণ সম্প্ৰদায়ৰ লোক সকলৰ কেতিয়াও হানি নহয়। আজি যিহেতু সংবিধানৰ আচুতীয়া ব্যৱস্থা আছে সেইটো পৰিপূৰ্ণ কৰিবৰ কাৰণে সীমিত সময়ৰ ভিতৰত এই কাম খিনি কৰিবৰ কাৰণে সেই আইন-

থনে সুবিধা দিব। যোৱা ৩০ বছৰে বছৰি বছৰি কোটা ৰিজাৰ্ভেচন আছিল। কিন্তু সেইটো এতিয়াও বেকলগ্ হৈ আছে। সেইখিনি পূৰণ কৰিবৰ কাৰণে আৰু বেকলগ্ পূৰা কৰিবৰ কাৰণে এই মানুহখিনিক সহায় কৰিব লগীয়া হৈছে। মই ভাবো এই ব্যৱস্থাৰ জৰিয়তে সমাজখনৰ বিশেষ সাধাৰণ মানুহৰ ওপৰত কোনো ধৰণৰ আঘাট নহব।

সাধাৰণতে আমাৰ যি সকল পিচপৰা শ্ৰেণীৰ মানুহ নিয়োগৰ কাৰণে উপযোগী হৈছে, তেওঁলোকে বিভিন্ন দপ্তৰত বা বিভিন্ন পৰ্য্যায়ত কৰ্ম্মসংস্থান পাবৰ বাবে যোগ্যতা লাভ কৰিছে সেই সকল মানুহে চাকৰি পালে আমাৰ সাধাৰণ সম্প্ৰদায়ৰ স্বাৰ্থত কেতিয়াও আঘাট নপৰে। সেই কাৰণে মই ভাবো যিসকল মাননীয় সদস্যই এই কথাটোৰ ওপৰত বিশেষকৈ কেইটামান কথাত যি সংশোধনী দিছে সেই সংশোধনী খিনিৰ কাৰণে মই তেখেত সকলক অনুৰোধ কৰিছো যে আমাৰ দেশখনক নতুনকৈ চাবৰ কাৰণে আৰু দেশৰ সকলোকে সুবিধা দিবৰ কাৰণে যি ব্যৱস্থা আছে সেই সেই ব্যৱস্থাৰ পৰিবৰ্ত্তন নোহোৱাৰ কাৰণে এই বিশেষ আইনখনৰ ব্যৱস্থা কৰা হৈছে। এই বিশেষ আইনখনৰ জৰিয়তে সৰ্ব্ব সাধাৰণ শ্ৰেণীৰ মানুহক কোনো ফালৰ পৰাই আঘাট কৰা নহয়। আমাৰ সংবিধানৰ যিটো দায়িত্ব আছে সেই দায়িত্ব পুৰণ কৰিবৰ কাৰণেই এই ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য শ্ৰীখগেন বৰবৰুৱা ডাঙৰীয়াই এইখন চিলেক্ট কমিটিয়ে চাবৰ কাৰণে সংশোধনী দিছে। মই কব খুজিছো যে আমাৰ সংবিধানত থকা কথাবিলাক আজি ২৯ বছৰে আলোচনা নকৰাৰ কাৰণে তেনেদৰেই আজি ২৯ বছৰ পাৰ হৈ গল। আজি চিদোল কাষ্ট আৰু চিদোল ট্ৰাইব মানুহৰ কাৰণে যিখিনি আচুতীয়া ব্যৱস্থা আছিল সেইখিনি সংবিধানত থকা স্বত্বেও পালন নকৰিলো।

শ্ৰীখগেন বৰবৰুৱা ঃ- উপাধ্যক্ষ মহোদয়, মই তেখেতক চিলেক্ট কমিটিৰ কথা কোৱা নাই। মই পাব্লিক অপিনিয়নৰ কথাহে কৈছিলো।

* শ্ৰীনগেন বৰুৱা ঃ- তেওঁ অৱশ্যে পাব্লিক অপিনিয়নৰ কথাও কব পাৰে। সেইটো পাব্লিক অপিনিয়নৰ বাবে নিয়াৰ কথা কৈছে। এই বিলখনৰ যোৱা বিধান সভাৰ বৈঠকতে অনা হৈছিল। তেতিয়া সেইখনৰ ওপৰত মাননীয় সদস্য সকলে আলোচনা কৰিছিল। বাতৰি কাকতটো এই বিষয়ে নানা মানুহে নানা মতামত দিছিল। যোৱা কালছোৱাত এই বিষয়টোৰ ওপৰত বিভিন্ন প্ৰকাৰৰ সভাই সমিটিয়ে মানুহে মতামত দিবলৈ পাইছিল। গতিকে এই ক্ষেত্ৰত সাধাৰণ ৰাইজৰ অসন্তুষ্টি আহিব বুলি কোৱাৰ থল নাই বুলি মই ভাবো। আনহাতে আমাৰ সংবিধানত যি দায়িত্ব পুৰণৰ কথা আছে সেই ক্ষেত্ৰত আমি যদি এই বিলখন গ্ৰহণ নকৰো তেনেহলে আমি সংবিধানক অবমাননা কৰা হব। সেইকাৰণে আমি আৰু বেচি সময় লব নোৱাৰো। ভাৰতবৰ্ষৰ নাগৰিক হিচাপে আৰু সংবিধানৰ দায়িত্ব পালন কৰিবলৈ হলে আমাৰ বিধান সভাই এই দায়িত্ব সোনকালে পুৰণ

*Specah not corrected

কৰা প্ৰয়োজন। ইয়াৰ কাৰণে আমি আচলতে এক গণতন্ত্ৰত সকলোকে সমানে সুবিধা দিয়াৰ আৰু লোৱাৰ কাৰণে যিখিনি কথা আমাৰ ওপৰত আৰোপিত হৈছে সেইফালৰ পৰা এই বিলখনৰ কাম চৰকাৰে কৰি সকলোকে সুযোগ সুবিধা দিব। সেইকাৰণে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যাতে তেওঁলোকে পবিত্ৰ সংবিধানৰ কথাখিনি সমালোচনা কৰি এই বিলখনৰ প্ৰতি তেখেতসকলৰ অকুণ্ঠ সমৰ্থন দিব আৰু মই আশা ৰাখিছো যাতে এই বিলখনৰ যোগেদি আমাৰ বিশেষকৈ চিদোল কাষ্ট আৰু চিদোল ট্ৰাইৰ সম্প্ৰদায়ৰ যিখিনি মানুহ অবহেলিত হৈ আছে তেওঁলোকৰ মাজত এটা সচেতনতা আহি পৰিব। তাৰ লগতে সেই শক্তিৰ জৰিয়তে এখন নতুন সমাজ ৰচনা কৰাৰ ক্ষেত্ৰত নিশ্চয় সহায় কৰিব। গতিকে এই বিলখন আমাৰ মাননীয় সকলো সদস্যই অকুণ্ঠ সমৰ্থন দিব বুলি মই আশা ৰাখিলো আৰু ইয়াৰ ওপৰত যিবিলাক বিতৰ্ক হৈছে সেইবিলাকেৰে আমাক পৰামৰ্শ দি আমাৰ চৰকাৰ আৰু বিভিন্ন বিভাগ বিলাকে কাৰ্য্যকৰী দিশেৰে আগবাঢ়ি যোৱাৰ সুবিধাকণ দি এই বিলখন কাৰ্য্যকাৰিতাত আগবঢ়াই নিব বুলি আশা ৰাখিলো।

শ্ৰীযোগন গগৈ :- উপাধ্যক্ষ মহোদয়, আজি সদনত যিখন বিল উত্থাপিত হৈছে সেই বিলখন উত্থাপন কৰা সংবিধানৰ স্বত্ব আছে। এইটো এটা সাংবিধানিক কথা। কিন্তু সাধাৰণ দৃষ্টিভঙ্গিৰে মই এটা কথা ক'ব খুজিছো। আমাৰ দেশখনক সাৰ্ব্বভৌমত্ব ৰাষ্ট্ৰ বুলি ঘোষণা কৰা হৈছে আৰু গণতন্ত্ৰক শক্তিশালী কৰি আগবঢ়াই লৈ যোৱাৰ কথা কোৱা হৈছে। ইয়াৰ মানে আমি বুজিব লাগিব যে আমি এখন সাৰ্ব্বভৌম স্বাধীন দেশত বাস কৰিছো। আমি এটাই নহয় দুটা চৰকাৰৰ তলত বাস কৰিছো। এই দুয়োটা চৰকাৰেই কৈছিল যে সমাজবাদ ৰচনা হ'ব লাগে। কিন্তু সমাজবাদ মাথোন কাগজে-কলমে আছে—কাৰ্য্যত নাই। এখন স্বাধীন ৰাষ্ট্ৰৰ জন-গনৰ বিপুল উন্নতি সাধন হ'ব লাগিছিল। কিন্তু সেইটো হৈ উঠা নাই। স্বাধীনতা পোৱাৰ ৩২ বছৰৰ পিচত আমাৰ দেশত মাত্ৰ কেইটামান শিল্প গঢ়ি উঠিছে। সেই শিল্প জাতীয় জীৱনৰ মঙ্গলৰ কাৰণে কৰা হৈছে বুলি কব পাৰিনে? সেই শিল্প উত্পাদনত জৰিত থকা শক্তি সমুহৰ হাত আছে বুলি ক'ব পাৰিনে? উত্পাদকৰ মুৰত কঠাল ভাঙি খোৱা একচেতিয়া এবিধ পুজিপতিৰ হাতত আছে। সেই বিলাকে ধন, গৌৰৱ, সন্মান সকলো কেন্দ্ৰীভূত কৰিছে। সাধাৰণ মানুহৰ নিস্তাৰ নাই। শ্ৰমিকৰ উপায় নাই। সাধাৰণ লোকৰ জীৱন অচল হৈ গৈছে। আমাৰ দেশে স্বাধীনতা লাভ কৰিছে কিন্তু দেশৰ জনসাধাৰণক তথা দেশখনক পুনৰ গঠন কৰি অগ্ৰগতি লাভ কৰাত ব্যৰ্থ হৈছে। সাধাৰণ মানুহে দুৰ্ভোগ ভোগ কৰিছে। এবিধ মুষ্টিমেয় ধনী একচেতীয়া পুজিপতিৰ দ্বাৰা। তাৰ প্ৰমাণ সুস্পষ্ট। আমাৰ শতকৰা ৭৫ জন মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত যাৰ ভাত নাই খাকিবলৈ আলয় নাই, পিন্ধিবলৈ কাপোৰ নাই। আমাৰ মাজত থকা শ্ৰেণী বৈষম্য দূৰ কৰিবৰ কাৰণে উঠি-পৰি লাগিব লাগিছিল। আমাৰ জনসাধাৰণৰ মাজত শ্ৰেণীভেদ, অস্পৃশ্যতা

আৰু দৈনতা থাকিব নালাগিছিল। তৃথীয়া চহকীৰ ব্যৱধান থাকিব নালাগিছিল। জনসাধাৰণৰ মঙ্গল সাধন কৰি সমৃদ্ধিৰ পথত আগবঢ়াই লৈ যোৱাৰ কাৰণে জাতিৰ পুনৰ গঠন কৰিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি আজি আশা ৰাখিছো অনুসূচীত জাতি আৰু জনজাতিৰ কল্যান সাধন কৰিব লাগে। কিন্তু অকল নিদৃষ্ট ভাবে কিছুমান মানুহক দিয়াটোৱেই যথেষ্ট নহ'ব। মই ইয়াৰ বিৰোধ কৰা নাই। কিন্তু মুলতঃ তৃথীয়া শ্ৰেণীৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। নহলে আমি মুলতঃ যিটো কাম কৰিব লাগে সেইটো সাধন কৰা নহ'ব বুলি বিশ্বাস কৰো। সমগ্ৰ জনজাতিৰ উন্নয়নৰ কথা ভাবো। কিন্তু আজি আমি দেখিছো আমাৰ মনস্তাত্তিক বিকাৰ ঘটিছে। আমাৰ পিচপৰা জাতি আৰু অনুসূচিত জাতিৰ উদ্ধাৰ কৰাৰ কথা কওঁতে মনস্তাত্তিক বিকাৰ ঘটাই বহু ক্ষেত্ৰত শ্লো-গান আদি দিয়া হয়। কিন্তু কাৰ্য্যকৰি ব্যবস্থা নকৰে। তাৰ প্ৰমাণ স্বৰূপে আমাৰ দেশত সামন্তবাদৰ শোষণ ৰৈ গৈছে। দেশত সাম্ৰাজ্যবাদৰ অবকাশ আছে। আমাৰ দেশত একচেতিয়া পুজিপতিৰ প্ৰভাৱ পৰি আছে। মুষ্টিমেয় গেষ্ঠিৰ হাতত দেশৰ সমস্ত ভাৰ অৰ্পন কৰা হৈছে। ইয়াৰ ফলত সেই শক্তিয়ে কলা ব্যাপাৰ কৰি আছে। তেওঁলোকৰ হাতত ধন, সন্মান, গৌৰৱ সকলো আছে। শতকৰা ৭৫ ভাগ মানুহৰ ভাগত আৰু সমস্ত চৰকাৰৰ হাতত যিমান সম্পদ আছে তাতোকৈ বেচি সম্পদ একচেতিয়া পুজিপতিৰ হাতত আছে। কাৰ কাৰণে তেওঁলোকে সম্পত্তি লাভ কৰিছে? আজি সেই শক্তি সমূহক বিতাৰিত কৰাৰ দায়িত্ব আহি পৰিছে। আমাৰ দেশত বিদেশী পুজি আছে, আমাৰ দেশত পুৰণি কলীয়া সেই ইংৰাজ জাতীয়ে ৰচনা কৰা আইন প্ৰৱৰ্ত্তিত হৈ আছে। তাৰ কোনো ব্যতিক্ৰম দেখা নাই। সেই কাৰণে মই ক'ব খুজিছো মনস্তাত্বিক ভাবে নব ৰূপায়ণ সাধন কৰিব লাগিব। অনুসূচিত জাতি আৰু জনজাতিক উদ্ধাৰ কৰিব লাগে সেইটো ঠিক কথা। এই গোষ্ঠিৰ ওচৰলৈ ভোট বিচাৰি যোৱাৰ সময়ত কোৱা হয়, স্কুল লৈ দিম ভোট দিবা, টিং কিনিবৰ কাৰণে ৫০০ টকা দিম ভোট দিবা। কিন্তু কেনে ধৰণেৰে মঙ্গল সাধন কৰিম সেই কথা নকওঁ। এই ধৰণৰ পথলৈ থেলি দি মনস্তাত্তিক বিকাশ সাধন কৰিছো। এনেকুৱা সম্প্ৰদায় গোষ্ঠিৰ উন্নয়নৰ ক্ষেত্ৰত যি বিলাক বোৰ্ড গঠন কৰা হৈছে, সেই বিলাকত ৰাজনৈতিক চক্ৰৰ হাত আছে। ৰাজনৈতিক পক্ষপাতিত্য আছে। এই কথাৰ প্ৰতি আমি লক্ষ্য ৰাখিব লাগিব। আজি আমি সাধাৰণ মানুহক উশাহ দিব লাগিব। অৰ্থ নৈতিক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ সুযোগ দিব লাগিব। সমাজ সংস্কাৰ কৰিবলৈ হলে সুযোগ দিব লাগিব। কিন্তু উশাহ লব পৰা অৱস্থাৰ সৃষ্টি কৰিব পৰা নাই। সমগ্ৰ গৰীৱ জনসাধাৰণৰ কাৰণে বৈপ্লবিক কাৰ্য্য-সূচিৰ ৰূপায়ণ সাধন কৰিব লাগিব। যদি বৈপ্লবিক কাৰ্য্যসূচি ৰূপায়ণ কৰা নাযায় তেনেহ'লে ধনতান্ত্ৰিক একচেতিয়া বিদেশী প্ৰতিক্ৰিয়াশীল শক্তিৰ হাতত আত্মসমৰ্পন কৰিব লাগিব। মই আশা ৰাখিছো এই

খিনি ক্ষেত্রত দুখীয়া শ্ৰেণীক ৰক্ষাণাবেক্ষণ দিব পাৰিব। তাৰ কাৰণে লক্ষ্য কৰা প্ৰয়োজন। মোৰ নিজৰ সমষ্টিতে দেখিছো তাত পানীদিহিং নামে এটা মৌজা আছে। এই মৌজাটোত কছাৰী, দেউৰী, মিচিং আদি পিচপৰা সম্প্ৰদায়ৰ লোক আছে। স্বাধীনতাৰ ৩২ বছৰৰ পাচতো এটা হস্পিতাল গঢ়ি নুঠিল। এজন ডাক্তৰ, নাৰ্চ, কম্পাউণ্ডৰ নাই। পেলুৰ দৰৰ দিবলৈ মানুহ নাই। এই গৰীৱ দুখীয়া পিচপৰা মানুহ অৱহেলিত মানুহ খিনিক উদ্ধাৰ কৰাৰ কোনো ব্যৱস্থা নাই। সেই এলেকাত বাস কৰা জনগণৰ চেষ্টাৰ দ্বাৰা স্কুল তৈয়াৰ কৰা হৈছে। অনুসূচিত জাতি, জনজাতিৰ মাজত তেওঁলোকৰ চেষ্টাত এম, ই, এম, ভি স্কুল গঢ়ি উঠিছে। এইবোৰ ল'ৰা-ছোৱালীৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে ? নিজকে উদ্ধাৰ কৰিবৰ কাৰণে তেওঁলোকে চেষ্টা কৰিছে। সমস্যাৰ লগত সংগ্ৰাম কৰি নাথাই-নবৈ তেওঁলোকে স্কুল পাতিছে। এনে অনুস্থানত উঠি অহা জনসাধাৰণৰ সন্তান সকলে উদ্ধাৰ পোৱাতো দুৰৰ কথা এখন স্কুলকো মঞ্জুৰী দিয়া নহ'ল। তেনেহ'লে চৰকাৰৰ কি দৃষ্টিভঙ্গি আছে ? এনেকুৱা ঘটনা অসমৰ বিভিন্ন মৌজাত ঘটিছে। এই অঞ্চলটোত ক'ৰবাৰ গড়াখহনীয়াৰ পৰা বানবিধস্ত হৈ অহাত চৰকাৰে পুনৰ সংস্থাপন কৰিছে। এই সকল লোক জনজাতিয় অনুসূচীত জাতি, পিচপৰা জাতিৰ লোক। আজি ২০—২৫ বছৰ হ'ল চৰকাৰে সংস্থাপন কৰা এই লোক সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰা নাই। তেওঁলোক নাজল-নাঠল অৱস্থাৰ মাজত আছে। অনিশ্চয়তাত জীৱন-যাপন কৰিবলগীয়া হৈছে। তৌজী বাহিৰ খাজানা দি আছে অথচ মাটিৰ পট্টা নাই। তেওঁলোকৰ উন্নতি সাধনৰ বাবে কোনো ভ্ৰুক্ষেপ কৰা নাই। তেওঁলোকৰ যি মাটিৰ পট্টা দিব লাগিছিল আৰু মাটি চহাবৰ কাৰণে ট্ৰেক্টৰৰ যোগান ধৰি বিজ্ঞান সন্মত ব্যৱস্থা কৰিব লাগিছিল, কৃষি ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল।

২০-২৫ বছৰলৈ দীৰ্ঘম্যাদি ব্যৱস্থাত ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। সেই-বিলাক কৰা দুৰৰ কথা সেই সকলক মাটিৰ পট্টাকে দিয়া নহ'ল। আজি ইয়াত থাকিব, কালিলৈ ত'ত থাকিব। থকা, খোৱাৰ কোনো ঠিক নাই। তাত বহুতো মাটিৰ মালিক হৈ পৰিছে আৰু দালাল লাগিছে। এই বিলাকলৈ চৰকাৰে ভ্ৰুক্ষেপ কৰা নাই। এই ধৰণে যদি হয় তেনেহলে বিশেষ আইন প্ৰনয়ণ কৰি ৰক্ষা কৰিব নোৱাৰিব যদি মনস্তাত্তিক ভাৱে নব ৰূপায়ণ সাধন নহয় আৰু মানসিক ভাৱে প্ৰস্তুত নহয়। গতিকে সেই সকলক উদ্ধাৰ কৰাৰ কাৰণে মানসিক প্ৰস্তুতি হব লাগিব আৰু যতপৰোনাস্তি চেষ্টা কৰিব লাগিব। লগে লগে আমি সমগ্ৰ দুখীয়া জনসাধাৰণৰ প্ৰতি চিন্তা কৰিব লাগিব যাতে তেওঁলোকৰ মাজত শ্ৰেণীভেদ নাথাকে। এই ক্ষেত্ৰত আমি পুজিপতিৰ শাসন ব্যৱস্থাৰ ওৰ পেলাব লাগিব। তাৰ বিপৰিতে সমাজ তান্ত্ৰিক সমাজ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমাৰ দেশৰ দুখীয়া জনসাধাৰণৰ ভেদা-ভেদ যদি নাথাকে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আমাৰ জনসাধাৰণক যে আগবঢ়াই নিব লাগিব এইটো ঠিক কথা। জনসাধাৰণক ঠগিব নালাগিব। আমাৰ দেশত চিলিং আইনকে আদি কৰি বহুত ডাঙৰ ডাঙৰ আইন পাচ হ'ল কিন্তু সেই আইন

কাৰ্য্যকৰি হোৱা নাই। আজি বহু চিলিং কেচ মন্ত্ৰীৰ হাতত জমা হৈ আছে। এই বিলাক কিহৰ চক্ৰান্ত? চিলিং আইন পাচ কৰাৰ পাচত চিলিঙৰ মোৰ্কদমা চলি আছে। ইয়াৰ সমাধানৰ ব্যৱস্থা নহ'ল। দায়ীত্ব কোনে লব? সেই কাৰণে ক'ব লাগিব সেই বিলাকে চৰকাৰৰ লগত সমান্তৰাল ভাৱে গতি কৰি আছে। সেয়ে মই দেখা মতে চৰকাৰে এই চক্ৰান্তকাৰীৰ চক্ৰ ভাঙি দিব লাগিব।

আজি বিশ্ব বেংক আহিছে—কোন পথে আহি ভাৰতবৰ্ষত ভূমিকা লৈছে—মন কৰক আৰু কোন পথে বিদেশী পুজি আহিছে—ভালদৰে লক্ষ্য কৰক। এই কথা আমি চালিজাৰি চাব লাগিব। সেইকাৰণে মই ক'ব বিচাৰিছো—মই ছোভিয়েত ৰাছিয়ালৈ গৈছিলো। মস্কোৰ পৰা ভাৰতবৰ্ষৰ দিল্লী পাবলৈ মাত্ৰ ৬ ঘণ্টা ২০ মিনিট সময় লাগে। আকাশী যানেৰে মস্কো-দিল্লীৰ মাত্ৰ ৬ ঘণ্টা ২০ মিনিটৰ ব্যৱধান। ছোভিয়েট ৰাছিয়াত মই দেখিছো—তাত আন্তৰ্জাতিক কেন্দ্ৰ প্ৰতিষ্ঠা হৈছে। তাত দুখীয়া মানুহ দেখিবলৈ পোৱা নাযায়,—নিবনুৱা মানুহ নাই, ৰোগীয়া মানুহ আমাৰ দৰে ৰাস্তাত পৰি থকা নাই, মিছা কথা কোৱা মানুহ নাই। কি ধৰণে নিজৰ জাতীয় জীৱন গঢ়ি তুলিছে—ভালকৈ মন কৰিবলগীয়া।

সেই দেশত মেকানাইজড্ কালটিভেচন হৈছে, জলসিঞ্চনৰ ব্যৱস্থা হৈছে আৰু শান্তি আন্দোলনৰ ধ্বজা উৰিছে। সেই ঠাইৰ পৰা মাত্ৰ ৬ ঘণ্টা ২০ মিনিটত আহি ভাৰতবৰ্ষৰ দিল্লীত উপস্থিত হৈছোহি, কিন্তু আহিয়েই আমি ভাৰতবৰ্ষত দেখিছো—বুঢ়া গৰুৰ টিকাত ধৰি হুঁ হুঁ কৰি থেলি হেঁচি হালোৱাই হাল বাই আছে। জলসিঞ্চনৰ ব্যৱস্থা নাই, বিদ্যুতৰ ব্যৱস্থা নাই আৰু কোনো ধৰণৰ উন্নত ব্যৱস্থাই ইয়াত নাই। এনে ধৰণৰ নীতি প্ৰচলন হৈ থকাৰ পিচত—দেশত আজি আধুনিকৰণৰ কোনো ব্যৱস্থা হৈ নুঠিল—বৈজ্ঞানিক পদ্ধতিৰ উৎপাদন ব্যৱস্থাৰ প্ৰবৰ্ত্তন নহল। ইমান ব্যৱধানৰ পিচতো আমি—সেইবিলাকৰ প্ৰতি মন-কাণ নকৰো। এক বিধে কৰি মৰিছে আৰু আন বিধে খাই মজা মাৰিছে। নানা ধৰণৰ ফচল উৎপাদন কৰিলেও গৰীৱে খাবলৈ নাপায়, পিন্ধিবলৈ নাপায়। কিন্তু সেই সকলে কোনপথে আহি ক'ত ভিত্তি কৰি আমাৰ ৰাজ্যৰ সকলোবিলাক সম্পত্তি অপহৰণ কৰি—নিজৰ পেট ভৰাইছে—সম্পত্তি কেন্দ্ৰীভূত কৰি ৰাখিছে। গতিকে সেইবিলাকৰ প্ৰতি গুৰুত্ব সহকাৰে মন কৰিব লাগিব। মই চৰকাৰক সাবধান কৰি জনাব বিচাৰিছো যে—যদি প্ৰকৃত সমাজবাদ দেশত ৰচনা কৰিবলৈ বিচাৰিছে—তেনেহলে মানসিক ভাবে সকলোৰে নবৰূপ সাধন কৰিব লাগিব। সমাজবাদী সমাজ—ব্যৱস্থাৰ পদক্ষেপ লব লাগিব। তাৰ পৰিবৰ্ত্তে ভুৱা তালি-বাজি চলালে দেশৰ উন্নতি সাধন নহয়—কোনো লোকৰ মঙ্গল সাধন নহব আৰু অৰ্থনীতিৰ কোনো পৰিবৰ্ত্তন নহব। গতিকে ভাৰতবৰ্ষৰ আৰ্থিক পৰিবৰ্ত্তন আনিবলৈ হলে আধুনিক বিজ্ঞানসন্মত ভিত্তিত সকলো ধৰণৰ ব্যৱস্থা কৰিব লাগিব। এইখিনি পৰামৰ্শ ডাঙি ধৰি মোৰ বক্তব্য সামৰিলোঁ।

শ্রীনেপাল চন্দ্র দাস—মাননীয় উপাধ্যক্ষ মহোদয়, অনুসূচীত জাতি এবং জনজাতির যে রিজার্ভেচন বিল এই সদনে উত্থাপন করা হয়েছে তার জন্য আমি নিজে এই সম্প্রদায়ের লোক হিসাবে এই জনতা সরকারের মন্ত্রীসভাকে ধন্যবাদ দিচ্ছি। তবে, একথা ঠিক যে এই বিল নতুন নয়। কারণ ভারতীয় সংবিধানে এই শ্রেণীর লোকেদের জন্য যে সাংবিধানিক সুযোগ দিয়েছিল এই সুযোগটুকু এযাবৎ কার্য্যকরী হয়নি। সে যায়গায় সিডিউলড কাষ্টের জন্য শতকরা ৭ ভাগ, সিডিউলড ট্রাইবের জন্য শতকরা ১০ ভাগ রিজার্ভেশন ছিল। কিন্তু আজ ২৯ বৎসর পরে দেখা যায় যে এই ব্যাপারে শতকরা ২ ভাগের কম কার্য্যকরী করা হয়েছে এবং যার জন্য আজ এই বিল এই সদনে উৎথাপন করতে হয়েছে। আর এই বিল উৎথাপন করার ব্যাপারে আমাদের মাননীয় সদস্যগণ বেশ কিছু এমেণ্ডমেণ্ট এনেছেন। উপাধ্যক্ষ মহোদয়, যে কোনও বিল আসার পরে মাননীয় সদস্যগণের বিলটিকে সুন্দর করার জন্য সংশোধনী আনার অধিকার রয়েছে। কিন্তু এই ক্ষেত্রে দেখা যায় যে এই বিলটিকে সুন্দর করতে গিয়ে একে এইসব সংশোধনীর দ্বারা বিকৃত করা হয়েছে। যেমন বেশী সুন্দর করতে গিয়ে বিশ্বকর্মার ছেলে চিকা হয়েছিল।

( ভয়েস—ওটা আবার কি মশাই ? )

এটা এখন বিশ্লেষণ করতে গেলে দেরী হয়ে যাবে। কেবল এটা কথা বলছি যে বিশ্বকর্ম্মা একজন বিখ্যাত শিল্পী ছিলেন। তিনি নিজের ছেলেকে একটা সুন্দর ষ্টেচুর মতো তৈরি করতে গিয়ে, বেশী সুন্দর করে তৈরি করতে গিয়ে—একটা চিকা তৈরি করে ফেলেছিল। কাজেই, এই বিলটিও এতো বেশী এমেণ্ডমেণ্ট আনার ফলে চিকার মতো হয়ে গিয়েছিল।

উপাধ্যক্ষ মহোদয়, আমার বক্তব্য হলো যে জাতি ভারতীয় সংবিধানের বলে কিছু সুযোগ-সুবিধা পাওয়ার অধিকারী—সেই জাতি তার থেকে আজও বঞ্চিত হয়ে আছে। কারণ পণ্ডিতগণ দেখেছিলেন যে এই পশ্চাদপদ জাতির জন্য যদি কিছু সুযোগ সুবিধা রক্ষণাবেক্ষণ করা না হয়, তাহলে যেভাবে সম্প্রদায়ে সম্প্রদায়ে হিংসা প্রবল হচ্ছে—সেই অবস্থায় এই জাতি আর কোনদিনই উঠবেনা। এইজন্যই তাদেরে সংবিধান কিছু বিশেষ অধিকার দিয়েছিল। কিন্তু অত্যন্ত দুঃখের সঙ্গে আমরা দেখলাম যে কংগ্রেস আমলে এই ব্যবস্থা পূর্ণ হয়নি আর বর্তমান জনতা আমলেও সেই চেষ্টা হচ্ছেনা। বরং দেখছি যে এই জাতির উপর আক্রমণ করা হচ্ছে এবং দিন দিন তা বাড়ছে। অত্যাচার চলছে। সব দিক দিয়ে এই জাতিকে বঞ্চিত করা হচ্ছে।

আমি কিছুদিন আগেও বলেছি যে এই জাতির উপর জনতা সরকারের আমলে যত ঘটনা ঘটেছে, যত লোককে মেরেছে গত ৩০ বৎসরের কংগ্রেস আমলে তত সংখ্যা লোককে মারা হয় নাই।

উপাধ্যক্ষ মহোদয়, আমাদের একজন মাননীয় সদস্য এই বিলের সমালোচনা করতে গিয়ে এমন সব সমালোচনা করেছেন যে এই বিল রেখে এই সমাজের মানুষের

সমালোচনা করেছেন। মহোদয়, বিল সম্বন্ধে সমালোচনা করা যায় কিন্তু যে জাতির জন্য এই বিল আনা হয়েছে সেই জাতির সমালোচনা করা যায় না। সেই অন্য আমাদের মাননীয় সদস্যগণ যারা এই ভুল করেছেন বা বিলটিকে ভুল বিশ্লেষণ করেছেন বা ভুল করে এই জাতির সমালোচনা করেছেন—আশাকরি সেটা বাদ দিয়ে যে বিল আজ এই সদনে এসেছে সেই বিলকে সমর্থন করেন। আজ যে জাতি শিক্ষা-দীক্ষায় অনগ্রসর তারা কিভাবে অগ্রসর হতে পারেন সেই চেষ্টা করবেন।

উপাধ্যক্ষ মহোদয়, আমরা দেখেছি যে ষ্টেট গভার্ণমেণ্ট এবং সেন্ট্রাল গভার্ণমেণ্ট এই জাতির জন্য, এই জাতির উন্নয়ন মূলক কাজের জন্য যে টাকা-পয়সা প্রতি বছর দিয়ে থাকে সে টাকা এই জাতির জন্য কখনই খরচ করা হয় না। সেদিন schedule caste এডভাইসারী কাউনসীলের মিটিংয়ে দেখেছি যে এগ্রিকালচার খাতে ৪০ লক্ষ টাকা ছিল এই জাতির লোকেদের এগ্রিকালচারে নানা রকম সুযোগ-সুবিধা দেওয়ার জন্য। কিন্তু দেখা যায় যে এই জাতির মানুষের জন্য এ পর্য্যন্ত একটি পয়সাও খরচ করা হয় নি। শুধু বলা হয়েছে যে এই টাকা সেপারেট কোন এলটমেণ্ট না থাকার জন্য খরচ করা যায় নাই। অত্যন্ত দুঃখের কথা যে শুধু এগ্রিকালচারই নয় সব ক্ষেত্রেই অর্থাৎ ভেটারনারি, ওয়াটার সাপ্লাই, ফিশারী, হেল্‌থ, ইরিগেশন, রোড্—প্রত্যেক ক্ষেত্রেই সেপারেট যে টাকা ছিল তা খরচ করা হয় নাই। সেজন্য আমি আমাদের জনতা সরকারে মন্ত্রী মহোদয়কে বিশেষ করে বিত্ত মন্ত্রীকে অনুরোধ করছি যে এস্ সি এবং এস্ টি'র জন্য যে টাকা এলটমেণ্ট থাকে সে টাকা যেন অনুসূচিত জাতি এবং জনজাতির লোকদের অগ্রগতির জন্য খরচ হয় তার চেষ্টা করেন। এই বলে এই বিলটিকে সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

শ্রীগিয়াছ উদ্দিন আহমেদ :—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সংবিধানত ব্যৱস্থা আছে অনুসূচীত জাতি আৰু জনজাতিৰ বাবে সুকীয়া ব্যৱস্থা কৰিব পাৰি, তেওঁলোকৰ বাবে প্ৰয়োজন হলে আইনো প্ৰনয়ণ কৰিব পাৰি। এটা কথা আমাৰ কেইবাগৰাকীও মাননীয় সদস্যই উল্লেখ কৰিছে আৰু সেই কথাবিলাকৰ লগত মইও সম্পূৰ্ণ একমত যে, সমস্যাটো মুলতে অৰ্থ নৈতিক। আৰু এই অৰ্থ নৈতিক কাৰণতে দেশত সকলো ৰকমৰ জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে। চৰকাৰী হিচাব মতে দেশৰ জনসাধাৰণৰ শতকৰা ৭0 জনতকৈও বেছি মানুহ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত। আৰু তাৰ ভিতৰত জাতি, ধৰ্ম্ম, ভাষা নিৰ্বিশেষে সকলো মানুহ আছে। পুঁজিবাদী সমাজ ব্যৱস্থা চালি থকা এখন সমাজত এই ধৰণৰ দৰিদ্ৰতা, নিবনুৱা সমস্যা থাকিবই। আমি এইটো কথা কেতিয়াও আশা কৰিব নোৱাৰো যে এই সমাজ ব্যৱস্থাত অনুসূচীত জাতিয়েই হওক বা অনুসূচীত জনজাতিয়েই হওক বা আন কোনো সম্প্ৰদায়ৰ মানুহেই হওক অৰ্থ নৈতিক সমস্যা কোনো ৰিজাৰ্ভেচনৰ দ্বাৰা সমাধান কৰিব পাৰি। এই কথা মই কেতিয়াও বিশ্বাস নকৰো। আজি ইয়াত শতকৰা ৭ ভাগ আৰু ১০ ভাগ ৰিজাৰ্ভেচন কৰাৰ ব্যৱস্থা কৰিছে। পাৰচেনটেজলৈ মই

মুঠেই কাজিয়া নকৰো। মই কৈছো শতকৰা ১০০ ভাগ যদি ৰিৰ্জাভেচন কৰা হয় তথাপি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি লোক সকলৰ অৰ্থনৈতিক সমস্যা সমাধান হব জানো? কেতিয়াও নহয়। সমস্যাটো বেলেগ। এই সমস্যা যিমান দিনলৈ দূৰ কৰিব নোৱাৰো, সিমান দিনলৈকে এইবিলাক কাজিয়া আমাৰ চলি থাকিব। ট্ৰাইবেলৰ লগত অনা ট্ৰাইবেলৰ, অনুসূচীত জাতিৰ লগত বেলেগ সম্প্ৰদায়ৰ, উচ্চ শাৰীৰ মানুহৰ নিম্ন শাৰীৰ মানুহৰ মাজত কাজিয়া ভাষাৰ ভিত্তিত, ধৰ্ম্মৰ ভত্তিত, জাতিৰ ভিত্তিত আৰু নানা ৰকমৰ ঘাট প্ৰতিঘাট এইখন সমাজত চলি থাকিব। আৰু এই ঘাট-প্ৰতিঘাটৰ সুযোগ লৈ এটা শ্ৰেণীয়ে সদায় শোষণৰ কাম চলাই থাকিব। আজি পুঁজিবাদী সমাজ ব্যৱস্থা, সামন্তবাদী শোষণ, আৰু সাম্ৰাজ্যবাদী শোষণ চলিছে। আমাৰ এজন বন্ধুৱে সামাজিক সাম্ৰাজ্যবাদী বুলি এটা কথা কৈছে, সেইটো মই বুজি পোৱা নাই। আজি চীনে ভিয়েটনাম আক্ৰমণ কৰিছে—এইটো কোনবিধৰ সাম্ৰাজ্যবাদ তেখেতে ক'বনে? কিন্তু আমাৰ ইয়াত যি পুঁজিবাদী সমাজ ব্যৱস্থা, সামন্তবাদী শোষণ হাজাৰ বছৰ ধৰি ইয়াত চলি আছে আৰু যিবিলাক কেলেংকাৰী ঘাটি আছে সেইবিলাকৰ অৱসান নোহোৱালৈকে আৰু নতুন এটা ব্যৱস্থা প্ৰৱৰ্ত্তন নোহোৱালৈকে জোৰা-তালি দি থাকিব লাগিব। জনতা চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিব পাৰিব এইটো আকাশ কুসুম কল্পনা। এইখন সমাজত সদায় তেলিৰ মূৰত তেল দিয়া ব্যৱস্থাটো চলি থাকিব। মই জানো যে, অনুসূচীত জাতিৰ কাৰণে সংবিধানত বহুতো ব্যৱস্থা আছে কিন্তু কাৰ্য্যক্ষেত্ৰত কি হৈছে? মাত্ৰ এটা শ্ৰেণী বিভাজন হৈছে। অনুসূচীত জাতিৰ ভিতৰত কিছুমান সুবিধাবাদী শ্ৰেণী ওলাইছে এই কথাটো কোনেও নুই কৰিব নোৱাৰে। দুখীয়া, দৰিদ্ৰ শ্ৰেণীৰ তলত পৰি থকা অনুসূচীত জাতিৰ মানুহ বিলাক এই সুবিধাৰ পৰা বঞ্চিত হৈছে। ট্ৰাইবেল সকলৰ ভিতৰতে আজি ওপৰ শ্ৰেণীৰ উন্নতি হৈছে আৰু তল শ্ৰেণীৰ সকলোৱে বঞ্চিত হৈছে। তেওঁলোকৰ কাৰণে কোনো ব্যৱস্থা হোৱা নাই। আজি আমি চাকৰিৰ ক্ষেত্ৰত ৰিৰ্জাভেচনৰ কথা কৈছো। উপাধ্যক্ষ মহোদয়, মই এই বিলখনৰ বিৰোধিতা কৰা নাই। মই সাধাৰণ আলোচনাহে কৰিব খুজিছো। আজি আমাৰ অনুসূচীত জনজাতি আৰু অনুসূচীত জাতিৰ ভিতৰত কিমানজন শিক্ষিত মানুহ আছে?

চাকৰি কৰিবলৈ হলে মানুহ শিক্ষিত হ'ব লাগিব। আজি কিমান মানুহ শিক্ষিত হৈ আছে তাৰ হিচাব কৰিলে জানো? এই শিক্ষিতৰ হাৰৰ হিচাব কৰা নাই। এই বিলাক তেলীৰ মুৰত তেল দিয়াৰ ব্যৱস্থা হৈছে। সুবিধা পোৱাই আৰু সুবিধা পাব, আৰু বঞ্চিত হোৱাই আৰু বঞ্চিত হ'ব। যি দিনালৈ নতুন ব্যৱস্থা এটা প্ৰৱৰ্ত্তন কৰিব নোৱাৰো সেই দিনালৈ এজনে আন জনক শোষণ কৰি থকাৰ সুবিধা পাব। এইখন বিলৰ দ্বাৰা যিমানখিনি পৰা যায় বঞ্চিত হৈ থকা মানুহ খিনিৰ সুবিধা পোৱাৰ সাময়িক ব্যৱস্থা কৰিব পাৰে। কিন্তু এই ব্যৱস্থাৰ যে চিৰদিনৰ কাৰণে সমস্যাৰ দ্বাৰা সমাধান হ'ব, সেইটো মই বিশ্বাস নকৰো। যিমানখিনি পৰা যায় সুবিধা দিয়া উচিত কিন্তু আন

আন সম্প্ৰদায়ৰ কথা লগতে পাহৰিলে নহব। আজি চিহ্নল কাষ্ট আৰু ট্ৰাইবচ্ৰ অৰ্থনৈতিক অবস্থাৰ বিষয়ে ডিচকাচ কৰা হোৱা নাই। বেলেগ বেলেগ সম্প্ৰদায়ৰ গড় হিচাবে কাৰ কিমান আয় তাৰ হিচাব কৰা নাই। আজি চৰ অঞ্চলৰ অৱস্থা কি? চৰ অঞ্চলৰ বহু সদস্য আগতও আছিল আৰু এতিয়াও আছে সেই সকলে ভালকৈ চৰ অঞ্চলৰ কথা জানে। চৰ অঞ্চল বিলাকৰ অৱস্থা দেখিলে স্বীকাৰ কৰিব লাগিব যে অনুসূচীত জনজাতি আৰু অনুসূচীত জাতিৰ লোকতকৈ এই মানুহখিনি অৰ্থনৈতিক ভাবে বহুত বেচি পিচপৰা। এইটো অৰ্থনৈতিক সমস্যাৰ কথা। ই জাতিৰ ভিত্তিত, সম্প্ৰদায়ৰ ভিত্তিত নহয়। আজি যদি প্ৰত্যেকজন নাগৰিকৰ কাৰণে সংবিধানত গ্ৰাণ্টি দিয়া হয় তেন্তে এই বিলৰ কোনো প্ৰয়োজন নাথাকিব। সংবিধানত প্ৰত্যেকজন নাগৰিকক নিয়োগ কৰিবৰ গ্ৰাণ্টি দিব লাগিব আৰু নিয়োগ ব্যৱস্থা থাকিব লাগিব। কিন্তু সেই দিন কিমান দিন পিচত আহিব মই ক'ব নোৱাৰো। যিমান দিনলৈ নাহে জোৰা-তাপলি দিব লাগিব। কিন্তু সেইখিনিৰ ভিতৰতো সামঞ্জস্য থাকিব লাগিব। এই বিলত এটা প্ৰভিজন আছে। সংশোধনী দিছো—পিচত আলোচনা কৰিম। ইয়াত আছে Chause 4—"Provided that the State Govt. may from time to time by notification in the official Gazettee increase the percentage, though, however, reservation shall not exceed 14 per cent in the case of Scheduled Castes and 20 per cent in the case of Scheduled Tribes." জনসংখ্যা ভিত্তিত কোন সম্প্ৰদায়ৰ কিমান এই বিলাক কথা আছে। গতিকে মই কৈছো যে সামঞ্জস্য সাধন কৰিব লাগিব যাতে দুই কুল বচাই ৰাখে। জোৰা-তাপলি দিলেও সামঞ্জস্য সাধন কৰিব পাৰি। তেনেকুৱা এটা ব্যৱস্থা কৰিব লাগে। মই সংশোধনীৰ আলোচনাৰ সময়ত মোৰ বক্তব্য দাঙি ধৰিম। কথা হ'ল এইটোৰ দ্বাৰা কোনো এটা স্থায়ী সমাধান হ'ব নোৱাৰে। যিমান দিনলৈ বুৰ্জোৱা শাসন চলি থাকিব সিমান দিনলৈ এই বিলাক চলি থাকিব। গতিকে যিমান সোনকালে পৰা যায় দেশৰ এটা পৰিবৰ্তন হওক। সেই পৰিবৰ্তিত ব্যৱস্থা সোনকালে হ'ব বুলি আশা কৰি আছো।

শ্ৰীপ্ৰসাদ চন্দ্ৰ হাজৈ—উপাধ্যক্ষ মহোদয়, The Assam Shceduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Bill, 1978 এই বিলখনৰ সমৰ্থনত দুষাৰ ক'ব খুজিছো। ইতিপূৰ্বে বিজ্ঞ সদস্য আৰু বন্ধু সকলে তেখেত সকলৰ সাৰুৱা পৰামৰ্শ ডাঙি ধৰিছে আৰু প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে বিলখনত সমৰ্থন জনাইছে। আমি ভাৰতবৰ্ষৰ সংবিধান গ্ৰহণ কৰিলো আৰু এই সংবিধানত এটা কথা বিশেষ ভাবে সন্নিবিষ্ট কৰিছে যে ভাৰত খন হব শ্ৰেণীবিহীন আৰু সম্প্ৰদায়বিহীন এখন ৰাষ্ট্ৰ। ই হ'ব ধৰ্মনিৰপেক্ষ দেশ। যিখন ভাৰতবৰ্ষত ইমান পবিত্ৰ এখন সংবিধান ৰচনা কৰিলে, যিখন ভাৰতবৰ্ষত ১৯৫৬ চনত অস্পৃশ্যতা

আইন ঘোষণা কৰা হ'ল, যিথন ভাৰতবৰ্ষত নিষ্পেষিত এই অনুসূচীত জাতি আৰু জনজাতিৰ ৰক্ষণাবেক্ষণৰ কাৰণে, শিক্ষাৰ উন্নতিৰ কাৰণে, অৰ্থ নৈতিক দিশৰ উন্নতিৰ কাৰণে ১৬ ধাৰা, ৪৬ ধাৰা আদি কৰি বিভিন্ন ধাৰা বিলাক সন্নিবিষ্ট কৰা হৈছে, তাৰ কাৰ্য্যকৰী ব্যৱস্থা এই ভাৰতবৰ্ষত হৈ নুঠিল। এই ভাৰতবৰ্ষত গীতা ৰচনা হৈছিল। গীতাত আছে—

"যদা যদাহি ধৰ্ম্মস্য গ্লানি ভবতি ভাৰত
অভ্যুত্থানম্ ধৰ্ম্মস্য
তদাত্মিনাং স্বজ্যোম অহম্
পৰিত্ৰাণায় সাধুনাং
বিনাশায়স্য দুস্কৃতাম।
ধৰ্ম্ম সংস্থাপনাৰ্থায়
সম্ভবামি যুগে যুগে।"

যেতিয়া ধৰ্ম্মৰ পৰা আঁতৰি যায়, তেতিয়া তাৰ পুনৰ সংস্থাপনৰ কাৰণে যুগে যুগে সংস্কাৰ চলি আহিছে। আজিও সেইদৰে এই পবিত্ৰ বিলথন আহিছে। আজি যদি ইতিহাসৰ কথা ভাবো তেতিয়াহ'লে সংবিধানৰ যি পবিত্ৰ ধাৰা আছিল সকলোকে সমান কৰিবৰ কাৰণে তাৰ বাবে এই বিলথন আহিছে। সেই কাৰণে মই ক'ব খুজিছো যে এই বিলথন সদনলৈ অহাটো যুক্তিসঙ্গত হৈছে আৰু ইয়াক সমৰ্থন কৰাটো যুগুত। আমি যদি এই পিচপৰা জাতি সমূহৰ শিক্ষিতৰ হাৰ মন কৰো তেনেহ'লে দেখিম যে অনুসূচীত জনজাতিৰ শিক্ষিতৰ হাৰ ১৯ জন আৰু অনুসূচীত জাতিৰ শিক্ষিতৰ হাৰ ১১ জন। চাকৰিৰ সংক্ৰান্তত বিভিন্ন যিবিলাক সংসদী কমিটি আহিছে সেই বিলাকৰ ৰিপোৰ্টত যদি চাওঁ তেন্তে দেখা পাওঁ যে অনুসূচীত জনজাতিৰ কাৰণে যি শতকৰা ১০ ভাগ আৰু অনুসূচীত জাতিৰ কাৰণে । ভাগ চাকৰি সংৰক্ষণ কৰা ব্যৱস্থা আছিল তাক সম্পূৰ্ণ কৰা নহ'ল। কিন্তু চৰকাৰী তথ্যত সম্পূৰ্ণ হৈছে বুলি দেখুৱাইছে।

আমি এনেকুৱা উদাহৰণ পাইছো যে মেডিকেল কলেজত অনুসূচীত জাতিৰ নামত চিট লৈ পিচত ধৰা পৰি বহিষ্কাৰ হবলগীয়া হৈছে। আনকি অনুসূচীত জাতিৰ নামত, অনুসূচীত জনজাতিৰ নামত অন্যান্য সম্প্ৰদায়ৰ মানুহে চাকৰি-বাকৰি লোৱাৰো আমি উদাহৰণ পাইছো। সেই কাৰণেই আজি এই বিল গ্ৰহণৰ দ্বাৰা আমাৰ সংবিধানৰ যি লক্ষ্য সেই লক্ষ্য পূৰণ হ'ব। অনুসূচীত সম্প্ৰদায়ৰ মাটি-বাৰীৰ ক্ষেত্ৰতো অন্যায় হৈ আহিছে। অসমত জনজাতীয় ৰাইজৰ কাৰণে ৩৪ টা বেল্ট বা ব্লক গঠন কৰা হৈছিল। তাত জমি ৰক্ষা কৰিবলৈ অনুসূচীত সম্প্ৰদায়ক, জনজাতিয় সম্প্ৰদায়ক যি আইনৰ দ্বাৰা ৰক্ষণাবেক্ষণ দিব লাগে সেইটো নোহোৱাৰ ফলত এই মানুহ খিনিৰ যিমানখিনি ভাল হ'ব লাগিছিল সিমানখিনি ভাল হোৱা নাই। সেই কাৰণেই আমাৰ এই অনুসূচীত জনজাতিক যদি আইনৰ জৰিয়তে নিৰাপত্তা দিয়া নহয় তেনেহ'লে এই দুৰ্বল মানুহ

মানুহখিনিয়ে এনে সমাজত নিজকে ৰক্ষা কৰা টান হৈ পৰিছে। উপাধ্যক্ষ মহোদয়, এই মানুহ বিলাকক যে অৰ্থনৈতিক ক্ষেত্ৰত আন একো সুবিধা দিয়া নাই তেনে নহয়। বিভিন্ন মঞ্জুৰীৰ লগতে কুৱানটিফাইদ টকা দিছে। আমাৰ কৃষকসকলক যিবিলাক মঞ্জুৰী দিয়া হৈছে সেই মঞ্জুৰীবিলাক চিডুল কাষ্টৰ মানুহৰ উন্নয়নৰ কাৰণে সেই-বিলাক যি ধৰণেৰে পাব লাগে সেই ধৰণেৰে পোৱা নাই। ট্ৰাইবেল চাব প্লেনৰ টকা যি উদ্দেশ্যত খৰচ কৰিব লাগে সেই উদ্দেশ্যত খৰচ কৰা হোৱা নাই। সেই কাৰণেই আমি ভাৰতবৰ্ষৰ ৬২ কোটি মানুহৰ উন্নতিৰ লগতে আমিও উন্নতি কৰিব বিচাৰিছো। উপনিষদত এটা কথা আছে, যদি তুমি শিক্ষিত হোৱা তেনেহ'লে সেই শিক্ষা আনৰ জ্ঞান বিকাশৰ অৰ্থে নিয়োজিত কৰা, যদি তোমাৰ ধন আছে তেনেহ'লে সেই ধন আনৰ মংগলৰ কাৰণে ব্যয় কৰা, যদি তোমাৰ শক্তি আছে তেনেহ'লে সেই শক্তি আনক ৰক্ষা কৰাৰ কাৰণে ব্যয় কৰা। আজি অনুসূচীত জাতি জনজাতি মহান ভাৰতীয় জাতিৰ পৰা বেলেগ নহয়। আমি সকলোৱে বৰ গছৰ ডাল হিচাবে থাকিব বিচাৰিছো। এই ডাল হিচাবেই যাতে আমি থাকিব পাৰো, তাৰ কাৰণে যাতে আমাক ৰক্ষণাবেক্ষণ দিয়ে। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো Eternal vigilance is the price of liberty. অন্য জাতিৰ সহযোগ যদি নাথাকে, অৰ্থনৈতিকভাৱে উন্নত হ'ব নোৱাৰে, শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰতো উন্নতি হ'ব নোৱাৰে, সেইটো জাতি কেতিয়াও জাতি হিচাবে থাকিব নোৱাৰে, সুস্থ জাতি বুলি পৰিচয় দিব নোৱাৰে। ভাৰতবৰ্ষৰ লক্ষ্য হৈছে মহান সমাজ গঠন কৰা। আমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মানুহক সেই স্তৰৰ সমান কৰিবলৈ চিন্তা কৰিব লাগে। ইয়াত বিভেদ গঢ়ি উঠা উচিত নহয়। আমি সকলোৱে প্ৰেম, দয়া পাবলৈ বিচাৰিছো। সেইসকলৰ লগতে আমি যাতে মহান ভাৰতবৰ্ষ গঢ়িব পাৰো সেইটো চিন্তা কৰিছো। আশা কৰো যিখন বিল আহিছে সেই বিলখনক সকলোৱে মৰম দেখুৱাব। ইয়াকে আহ্বান জনাই আৰু যিসকলে এই বিলখনক পৰোক্ষভাৱে বা প্ৰত্যক্ষ ভাৱে সমৰ্থন জনাইছে সেইসকলক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীৰবীন্দ্ৰনাথ চৌধুৰী :—উপাধ্যক্ষ ডাঙৰীয়া, আজি আমাৰ এই পৱিত্ৰ সদনত চৰমভাৱে লাঞ্ছিত হৈ থকা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকসকলৰ মঙ্গলাৰ্থে চৰকাৰে যি বিল আনিছে তালৈ মোৰ পূৰ্ণ সমৰ্থন জনাই আৰু এই সমৰ্থন সাপেক্ষে দুআষাৰমান কথা আগবঢ়াবলৈ মন কৰিছো। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকসকলৰ কথা কওঁতে অকল ৩০ বছৰীয়া কথাকেই ইয়াত উনুকিওৱা হৈছে। কিন্তু আচলতে ক'বলৈ হ'লে আজি ৩০ বছৰৰ বুৰঞ্জীয়েই নহয়, এটা যুগমীয়া বুৰঞ্জীৰ কথাহে। আজি বহুতো জ্ঞানী সদস্যই ঘাইকৈ আৰ্থিক দিশত এই চৰম দুৰ্দশাৰ কথাকেই বিশ্লেষণ কৰিব বিচাৰিছে। কিন্তু মই হ'লে ইয়াৰ পৰা অলপ ফালৰি গৈ প্ৰকৃতপক্ষে সামাজিক ব্যৱস্থাতেই ইয়াৰ সৃষ্টি আৰু সামাজেই ইয়াৰ বাবে দায়ী। আৰু

সেয়ে বক্তাসকলে আৰ্থিক দিশৰ পৰা যি পৰ্য্যালোচনা কৰিবলৈ গৈছিল তাক উপেক্ষা কৰিব পৰা নাই। কিন্তু সেইটোই মূলতঃ মুখ্য কাৰণ নহয়। আৰু তাৰ কাৰণেই আজি আমাৰ সংবিধানে ১৭ অনুচ্ছেদ অনুযায়ী এই সামাজিক ব্যাধি আৰু অস্পৃশ্যতাক দূৰীকৰণৰ কাৰণে আইন প্ৰনয়ণ কৰিছে। তথাপি আজি এই ব্যাধি সমাজৰ পৰা দূৰ হোৱা নাই। সেয়ে বহুতো মাননীয় সদস্যই যেনেকৈ কৈছে যে প্ৰয়োজনবোধে শতকৰা এক শ ভাগ অৰ্থাত সমুদায় অংশ নিয়োগৰ সংস্থাপন কৰা হ'লেও অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সৰ্ব্বাঙ্গীন উন্নতি নহয়। ই অতিকৈ সচাঁ কথা। কাৰণ আইন কৰিয়েই কোনো এটা সমস্যা সমাধান কৰিব পৰা হোৱা নাই। ভৱিষ্যতলৈয়ো নহয়। সেই কাৰণেই তাকেই আজি আমাৰ এই পবিত্ৰ সদনত এই সুযোগতে এটা আহ্বান জনাবলৈ খুজিছো যে সঁচাকৈয়ে আইনৰ উপৰিও সকলো লোকে এই অতিকৈ পিচপৰা লোকসকলৰ সৰ্বাঙ্গীন উন্নতিৰ হকে নিশ্চয় সহায়ক হ'ব লাগিব। আজি এই সামাজিক ব্যাধি দূৰীকৰণাৰ্থে বুটিছৰ......

**Mr. Deputy Speaker** :—Order, order. The Hon'ble Member will resume his speech tomorrow.

## DISCUSSION UNDER RULE 49

*শ্রীবীরেশ মিশ্র :—মাননীয় উপাধ্যক্ষ মহোদয়, গত ১৫ মার্চ তারিখে আমার একটি প্রশ্নের দাবী উথাপনায়, ১৭৫ নং প্রশ্নের উত্তরের প্রসঙ্গে, আমাদের শিল্পমন্ত্রী মহোদয় হাউসে উপস্থিত না থাকায়, মাননীয় মুখ্যমন্ত্রীর পক্ষে তার স্পষ্ট জবাব দেওয়া সম্ভব হয়নি। আজকে ৪৯ নং নিয়ম অনুসরি আমি এই আলোচনা উথাপন করতে যাচ্ছি।

মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনে অর্থাৎ ১৫ই মার্চ তারিখে যে জবাব আমরা শুনেছি তাতে দেখা যায় যে কাছাড় সুগার মিল স্থাপন করতে ৭ কোটি ২৪ লক্ষ ২৪ হাজার টাকা খরচ হয়েছিল। এই বিরাট সংখ্যক টাকা খরচ হওয়ার ৭ দিনের মধ্যেই এই কল ভেঙ্গে গেছে এবং সমস্ত প্রকাশন বন্ধ হয়ে গেছে। এই সম্পর্কে আমি মাননীয় মুখ্যমন্ত্রী মহোদয়কে জিজ্ঞাসা করছি, তিনি কি এই বিষয়ে কোন কিছু করেছেন?

অতীব আশ্চর্যের কথা, কাছাড় সুগার মিলের ক্রাসিং কেপাসিটি হচ্ছে ১২০০ টন। প্রথম বৎসর সমস্ত ক্রাসিং সিজনে ৬ হাজার ৩ শত ৩৬ টন অর্থাৎ ৫/৬ দিনে যে ক্রাসিং হইতে পারে সেটা মাত্র এই হচ্ছে। তারফলে এই সুগার মিলের লোকসানের পরিমাণ গত বৎসর ক্লোজিং ডেইট পর্য্যন্ত ছিল ৭৭ লক্ষ ৬৬ হাজার টাকা। এই লোকসানের কথা জানানোর পরেও এই সুগার মিলের কাজ শুরু করার জন্য ইনডাষ্ট্রিয়েল ডেভেলাপমেন্ট করপোরেশন একটি ওয়ারকিং কমিটি করে দেয়। আবার যে গাছের শিকড় কেটে গেছে

* Speech not corrected

তার উপর জল ঢালার ব্যবস্থা করা হয়েছে। এই জন্য এই আলোচনা প্রসঙ্গে আমি জিজ্ঞাসা করেছিলাম যে সুগার কেন এত কম পাওয়া গেল তার কারণ কি? মাননীয় মুখ্যমন্ত্রী মহোদয় তার কোন স্পষ্ট জবাব দিতে পারেন নি। তিনি বলেছিলেন রাস্তার অভাব। আমায় মনে হয়, তাঁকে যারা এই খবর দিয়েছিলেন সেটা ঠিক নয়। কারণ পি, ডব্লিউ ডির্পাটমেন্ট রাস্তা করে দিয়েছিলেন। আর প্রায় ১০ লক্ষ টাকা খরচ করা হয়েছিল এই ফিডার রোড তৈরি করার জন্য। কিন্তু দুঃখের বিষয় যে এই ফিডার রোডের কোনও চিহ্নও সেখানে আজ পাওয়া যায়না। ঐ বর্ডার রোড তৈরির মতো এই ১০ লক্ষ টাকাও নষ্ট করা হয়েছে। যদি আমাদের অসম সরকার বিগত ৫।৯।৭৫ তারিখে যে সুগার মিল স্থাপন করেছিলেন—সেই সুগারমিলের ৩৫ কিঃ মিঃ রেডিয়াসের ভিতর যে সমস্ত চা-বাগানে সিলিং সার্প্লাস জমি ছিল সেই জমি অধিগ্রহণ করে তার মধ্যে যেখানে ভাল সুগার কেন উৎপাদন হতে পারে সেখানে কৃষকদের বন্দোবস্ত দিয়ে অথবা সরকার থেকে এই সুগার কেনের চাষ করে ইক্ষুর অভাব তা পূরণের জন্য প্ল্যান নেওয়া উচিত ছিল।

কিন্তু আমরা এ আই ডি সি-র ম্যানেজার-এর চিঠি নং এ আই ডি সি। সি এস এম I III I ২৫৫৬ তাং জুন ৩০, ১৯৭৮—এই চিঠি থেকে জানতে পারি যে ৩৫ কিঃ মিঃ রেডিয়াসের ভিতর যে সমস্ত চা বাগান আছে, সেই চা বাগানগুলির যে সমস্ত জমি আছে—সেই জমি সুগার মিলের তরফ থেকে অধিগ্রহণ করে সেখানে সুগারকেন চাষের ব্যবস্থা করা হবে। সেই সম্পর্কে আমাদের শিল্প মন্ত্রী মহোদয়, যিনি আমাদের লেবার মন্ত্রীও তার কাছে সেখানকার লক্ষীনগর বাগানের মজদুররা ৩০/৪০ বিঘা মাটি খেলার মাঠের জন্য এই ব্যাপারে আপত্তি উত্থাপন করেছিল। এটা অবশ্য অন্যায় আপত্তি নয়। কিন্তু আমরা আশ্চর্য হয়ে দেখলাম যে এই ৩০।৪০ বিঘা জমির ডিস্প্যুটকে অবলম্বন করে একটা এত বড় প্ল্যান বানচাল হয়ে গেল। এই ৩৫ কিঃ মিঃ রেডিয়াসের জমি অধিগ্রহণ না করলে তো ১২০০ টন সুগারকেন আকাশ থেকে আসবে না। গতবার সারা বৎসরে এই মিল মাত্র ৬ হাজার টন সুগারকেন ক্রাশ করেছে। আর মন্ত্রী মহোদয় এই অপারেশন বন্ধ করার জন্য নাকি একটি অর্ডারও দিয়েছেন। এই অর্ডার আমাদের মন্ত্রী মহোদয় কি করে দিলেন—আশা করি তিনি তা এই সদনে আমাদেরে বুঝিয়ে বলবেন। কিন্তু আমরা জানি, এই অধিগ্রহণের ব্যাপারটা রেভিনিউ বিভাগের ভিতর ছিল, কিন্তু শিল্প মন্ত্রী, যার উপর এই শিল্পটিকে বাঁচাবার দায়িত্ব, তিনি কেন চিন্তা করলেন না যে এই অর্ডার দিয়ে মশা মারতে কামান দাগানো হলো, আর এই সুগার মিলের ভবিষ্যতও অন্ধকার করা হলো। এটা অত্যন্ত আশ্চর্যের কথা। তারপর তার এই অর্ডার ভেকেট করার জন্য অনবরত চাপ সৃষ্টি করা হলো। এই ব্যাপারে আমি যে চিঠির উল্লেখ করেছি, সেখানে বলা হয়েছে—Cachar Sugar Mill Ltd. already lost the opportunity of cultivating sugarcane in the said ceiling surplus land. Stoppage of cane cultivation in the ceiling surplus

land will greatly hamper the availability of the required quantity of cane to the mill. কিন্তু এই ব্যাপারটার জন্য আমরা আশা করেছিলাম মুখ্য মন্ত্রী মহোদয় একটা dafinite assurance that he would take steps আমরা পাব, কিন্তু সেটা সেদিন তার কাছ থেকে আমরা পাইনি। আজ আমি এই সদনের সামনে এই আলোচনা রাখছি।

দ্বিতীয়তঃ এবারে সুগারকেন এর সাপ্লাই'র জন্য কৃষি বিভাগের তরফ থেকে, কাছাড় সুগার মিলের তরফ থেকে কাছাড় জেলার কিছু ব্যক্তিগত কৃষককে এগ্রিকালচারেল লোন দিচ্ছেন। এবং এই ঋণ দেওয়ার ফলে বাগ বাহার এলাকায় ৪২ হাজার বিঘা জমিতে ঋণ নিয়ে সুগারকেন চাষ করছে ১৫।১৬টি পরিবার। সেখানে সুগারকেন কাটার সময় হয়েছে। কিন্তু আমাদের যারা সংগ্রাহক, মিল সুপারভাইজার এবং আর একজন কো-অপারেটিভ সেক্রেটারী..............সেন, তিনি ঐ এলাকাতে গিয়ে নাকি কৃষকদেরে বলেছেন যে "তোমরা এই সুগারকেন ১১ টাকা পার কুইন্টালের যায়গায় ৬ টাকা করে দাও। নতুবা আমরা কিনব না। ফলে সেখানকার কৃষকরা মাথায় হাত দিয়ে বসে আছে। এই দিকে আবার ক্রাশিং-এর দিন শেষ হয়ে যাচ্ছে। এই ব্যাপারে ১৪।১৫টি কৃষক পরিবার শিলচরে ডিষ্ট্রিক্ট এগ্রিকালচারেল অফিসারের কাছেও এসেছিল। তিনিও এসব শুনে হতবুদ্ধি হয়েছেন। তিনি ডি সির সঙ্গে এই ব্যাপারে আলাপ করেছিলেন যে সুগার মিলেরও দরজা বন্ধ হবে এবং এই ঋণও মারা যাবে। বর্তমানে সেখানে নাকি চেষ্টা করা হচ্ছে যে ব্যাঙ্কের মারফত ফার্দার লোন দিয়ে যেগুলো সুগারকেন কাটা হয়েছিল সেগুলির রস নিয়ে গুড় উৎপাদন করা যায় কি না। অন্যদিকে সুগার কেনের অভাবে চরগোলার সুগার মিল ধ্বংস হতে চলেছে। মহোদয়, এবারে কিছুটা বেশী সুগারকেন ক্রাশিং হয়েছিল। কিন্তু তবুও আমাদের লোকসানের পরিমাণ ৬৭ লক্ষ টাকা থেকে গিয়ে দাঁড়িয়েছে ৯১ লক্ষ ৮৬ হাজার ৩৭৫ টাকা।

( ভয়েস্ ঃ—আর এখনো তো বছর শেষ হয় নাই )

বছর শেষ হয়ে গিয়েছে, হিসাব পত্র, ফোর কাষ্ট ইত্যাদি করে সরকারের কাছে ৪০ লক্ষ টাকার ওয়ার্কিং কেপিটাল চেয়েছিল—নিশ্চয়ই পেয়েছে। আর তার মধ্যে ফিডার রোডের জন্য খরচ হয়েছে ৯ লক্ষ ৩০ হাজার টাকা। কিন্তু এই ফিডার রোড কাকে ফিড করে আমি জানি না। এই সুগার মিলকে ফিড করে, না অন্য কোন মানুষকে ফিড করে এ বিষয়ে তদন্ত করা উচিত।

উপাধ্যক্ষ মহোদয়, এই সুগার মিলের কেলেংকারীর ব্যাপারে একটা তদন্ত বসানো হয়েছিল। প্রাক্তন আই সি এস অফিসার শ্রীমল্লিক এই তদন্ত করেছিলেন এবং সেই তদন্তে অনেক পুকুর চুরির ব্যাপার ধরা পড়েছে। আমি দাবী করছি যে মল্লিক সাহেব যে তদন্ত করেছিলেন—তার রিপোর্ট যেন এই সদনের টেবিলে উপস্থিত করা হয়। সেখানে ৫০ হাজারটি বেগ কেনা হয়েছে—অথচ কোন কোটেশন নাই। অথচ আমাদের

আসামে যে পাটকল আছে সেখানে এই বেগের জন্য রিকুইজিশন দেওয়া হয়েছিল অথচ এই সুগার মিলের প্রাক্তন ম্যানেজিং ডিরেক্টার কলকাতার কোন ফার্ম থেকে এই বেগগুলি নিয়ে আসেন, ফলে আমাদের আসামের জুট মিলে এই বেগগুলি আজও পচ্ছে। এই ধরণের কেলেংকারী আমরা শুনেছি। যদি মল্লিক সাহেবের রিপোর্টের হদিশ পাওয়া যায় তাহলে দেখবেন যে এই সুগার মিল নিয়ে কিভাবে সুইওলিং হয়েছে। কাছাড় সুগার মিলকে যদি বাঁচাতে হয় তাহলে ( যার জন্য কো-অপারেটিভ সেক্টরের এই শ্রমিকরা বর্তমানে ধর্ণা দিচ্ছেন যে এই শিলঘাটের পাটকলকে বাঁচাতে হবে ) তাহলে ৭ কোটি টাকার এই পাবলিক মানিকে নিয়ে সব রকমের ছিনিমিনি খেলা বন্ধ করতে হবে। আর আজ আমি আমাদের শিল্প মন্ত্রী মহোদয়ের নিকট দাবী করছি যে মল্লিক সাহেবের নেতৃত্বে যে কমিটী করা হয়েছিল তার প্রতিবেদন যেন এই সদনে উপস্থিত করা হয়। এই বলে আমি আমার বক্তব্য শেষ করছি।

* শ্রীরামেন্দ্র দে ঃ- উপাধ্যক্ষ মহোদয়, এই কাছাড় সুগার মিলে বর্তমানে যা চলছে তা একটা রহস্যজনক ব্যাপার। কারণ আমাদের মাননীয় শিল্পমন্ত্রী মহোদয় যখনই এই দপ্তরে আসেন—তখন হয় এই বিভাগে ক্ষতির পরিমাণ বাড়ে—না হয় শিল্প প্রতিষ্ঠানে ক্লোজার হয়, তিনি যখন কংগ্রেসে ছিলেন তখনও এই অবস্থা ছিল—আর যখন জনতায় এলেন এখনো সেই একই অবস্থায় আছে। ক্লোজার, ছাটাই, ক্ষতির পরিমাণ ইত্যাদি তিনি কংগ্রেস থেকে জনতায় নিয়ে এসেছেন।

( একটি স্বর :—এখন একটু বেশী নাকি ? )

একটু বোধহয় কমেছে। যাই হোক, সেদিন আনষ্টার্ড কোশ্চেন নং ৩৪-এর উত্তরে তিনি স্বীকার করেছিলেন যে কাছাড় সুগার মিলের উৎপাদন শক্তি ১২৫ মেট্রিক টন দৈনিক সুগারকেন ক্রাশিং কেপাসিটি। ১৯৭৬-৭৭ ইং তে সেই সুগার মিলের উৎপাদনের পরিমাণ মাত্র ৪৫ কুইন্টল। তার উপর সেই চিনির রং বাদামী। যেন বিলাতী চিনি আর কি ? ৭৬-৭৭ এবং ৭৭-৭৮ এই চিনির উৎপাদনের পরিমাণ মাত্র ৩৯ কুইন্টল। যেখানে কেপাসিটি হলো ৩৩৮১ কুইন্টল। আর সঙ্গে সঙ্গে ক্ষতির পরিমাণ ৭৬-৭৭ হলো ৩ লক্ষ ৫৯ হাজার টাকা। ৭৭-৭৮ ইং তে ক্ষতির পরিমাণ হলো ৯৫ লক্ষ, চিনির পরিমাণ বাড়ার সঙ্গে সঙ্গে ক্ষতির পরিমাণও কি ভাবে বাড়ে—সেই বোধশক্তি আমাদের নাই। সাধারণতঃ উৎপাদন বাড়লে ক্ষতির পরিমাণ কমে। কিন্তু আমাদের শিল্পমন্ত্রীর আমলে ( জনতা সরকারের আমলে ) ক্ষতির পরিমাণ বাড়লো ৩ গুণ, ৪ গুণ বেড়েছে। ব্যাপারটা কি ? তারপর সেই পরিমাণ আখ সেই মিলে যোগান ধরা হয় কি না বললে তিনি বললেন—"হয়"। অথচ আমরা বার বার বলেছি যে বাগ বাহারে যে সুগারকেন রয়েছে—সেগুলো এখন পচ্ছে। সেখানে মহিষ মিলে গুড় উৎপাদন করছে। অথচ সুগার মিলের ক্ষমতা নাই, জনতা সরকারের ক্ষমতা

*Speech not corrected

নাই একটা রাস্তা তৈরী করে এই গুলি যাতে মিলে নিয়ে আসতে পারে। এর কারণ কি? কারণ, মুনাফা। আমরা পরস্পর শুনলাম যে শুধু উচ্চ পদস্থ কর্মচারী নয়, এই ব্যাপারে নাকি মন্ত্রী মহাশয়ের সঙ্গেও যোগাযোগ আছে ঐ ১১·৪০ পয়সা থেকে পার কুইন্টল ৬ টাকা কম দামে ওদেরে বিক্রী করতে চাপ দেওয়ার ব্যাপারে।

**Shri M. Ibrahim Ali :-** Sir, this is a serious allegation against the Minister. This should be noted.

শ্রীরামেন্দ্র দে :- সেটা অবশ্য আমার শোনা কথা। কিন্তু যে অফিসার ১১·৪০ পয়সা যেখানে কুশিয়ারের কুইন্টেল প্রতি রেট আছে—সেখানে ৬ টাকা কম দামে কেনার সাহস সেই অফিসার পেলেন কোথায়? উপাধ্যক্ষ মহোদয়, সেখানে যথেষ্ট সন্দেহের অবকাশ আছে।

**Mr. Deputy Speaker :-** If the question covers 30 minutes it would not be possible for the Minister to reply. It should be finished within half an hour.

* শ্রীরামেন্দ্র দে :- আমার প্রশ্ন হলো, এই চিনি কলের যন্ত্র কোন কোম্পানী থেকে কেনা হলো? কোন সরকারের আমলে তা কেনা হয়েছিল? তখন শিল্পমন্ত্রী কে ছিলেন? এই সব ব্যাপারে সেই সময়কার শিল্পমন্ত্রীর কোন যোগাযোগ ছিল কি? এই সব ব্যাপার আমাদের জানা দরকার। আমি একদিন সেই সুগার মিলে গিয়েছিলাম। গিয়ে দেখি চুন আর সাবান দিয়ে মেসিনের লিক্ বন্ধ করা হচ্ছে। ৭৬ লক্ষ ৭৭ লক্ষ টাকা দিয়ে কেনা মেশিনে কেন যান্ত্রিক গোলযোগ থাকবে? আর যদি গোলমাল না থাকে তাহলে ১৯৭৭।৭৮ ইংতে কি ভাবে এত কম ক্রাশিং হতে পারে?

তাছাড়া উপাধ্যক্ষ মহোদয়, আমি বলতে চাই যে ফিডার রোড বলতে সেখানে কিছুই নাই। সমস্ত মাঠ, কোন রাস্তা নাই, যোগাযোগের কোন ব্যবস্থা নাই, আখ নিয়ে আসার কোন ব্যবস্থা নাই। সমস্ত টাকা আত্মসাৎ করা হয়েছে—যার জন্য কাছাড়ে কুশিয়ার চাষের আজ অবস্থা এই হয়েছে, আর এই শিল্পের এই দুরবস্থা হয়েছে।

মহোদয়, আপনার মারফত্ এই কাছাড় সুগার মিলের শুরু থেকে আজ পর্য্যন্ত সমস্ত দুর্নীতি এবং এই দুর্নীতির বিরুদ্ধে কি তৎকালীন ব্যবস্থা নেওয়া হচ্ছে—এই সমস্ত তথ্য যাতে আমাদের শিল্পমন্ত্রী উদ্ঘাটন করেন—এই দাবী রেখে আমি আমার বক্তব্য শেষ করছি।

*__Shri Jagannath Sinha__ (Minister)—Hon'ble Dy. Speaker, Sir, the Assam Sugar Mill has got a history, a peculiar and unprecedented history. The foundation stone of this Sugar Mill was laid by the then Chief Minister, Shri Mohendra Mohan Choudhury. As soon as the next Chief Minister, Shri Sarat Chandra Sinha was

* Speech not corrected

installed in power, after six months, through his pet, Shri Suranjan Nandy that foundation stone was lifted and placed somewhere else. Sir, there is a saying : as you sow, so you reap. This is the background of it. Now I would like to clarify two matters. One hon'ble member has brought allegation about Bagobahar and about this, the hon'ble member met me few days back and he mentioned about this and I assured him that the matter would be enquired into and I said that if the allegations are found to be true, drastic disciplinary action against the officers would be taken. As regards the stay order, I would say, one reason of this is—the result of the sugar mill is sabotage, and this information whatever is with the hon. member is nothing but sabotage. An application was put up by the labourers of the Lakshminarayan Tea garden making an allegation that the land on which they had been living for years together, other persons were being brought thereon. On that particular complaint, I passed an order for stopping the trouble, but I did not stay the entire proceedings or the entire operation. Sir, the Cachar Sugar Mills Ltd. was incorporated as a Public Ltd. Company on March, 1972. The Company has been promoted by Assam Industrial Development Corporation Ltd. with a crushing capacity of 1250 metric tons to produce white Crystal Sugar by double sulphitation process. Civil construction works in respect of the main factory building, machine foundations, guest house, spray pond was awarded to M/s. Assam Government Construction Corpn. Ltd. The order for supply, execution and erection supervision and commissioning of the plant was awarded to M/s. Saraswati Industrial Syndicate, Haryana and an agreement in this regard was drawn up on 23.7.73 between the Company and the said supplier.' Sir, at the material time, i.e., in the year 1971-72 I was the State Minister for Industries and in any case I was not connected with this. The Cabinet Minister for Industries at that time was Shri Biswadev Sarma and he was in charge of these industries. The total cost of the project which was originally assessed in October, 1975 at Rs. 540 lakhs has since gone up and the same is now estimated at Rs. 724.54 lakhs. In terms of the original plan, the factory was to be completed and commissioned in November, '76 but owing to floods with resultant disruption in means of communication and stoppage of erection work, delay in despatch of machinery items, delay in completion of civil construction work, financial constraints etc. the

original schedule for completion and commissioning the project could not be maintained. The project was formally inaugurated on the 8th March, 1977 even though erection of certain machinery items was yet to be completed. From 8th March, 1977 till 29th March, 1977, partial test/trial runs were conducted in order to watch the behaviour of machineries. During the period 660-65 M. T. cane was crushed and 39 quintals of brown sugar was produced. Sufficient cane could not be crushed as, by the time the sugar mill started its trial runs, bulk of sugarcane had been converted into juggery. In addition, the difficulties in the transportation of cane cropped up at the last moment as the trucks were requisitioned because of election and the contractors could not place the trucks for transportation of cane.

During the first phase of trial runs defects were noticed in the centrifugals and Turbo-alternator and these were rectified. The erection of remaining parts of machineries continued till 3rd week of December, 1977. The 2nd phase of test/trial runs were undertaken on 23.12.77 and these continued till 31.12.77. The factory started commercial production from 1.1.78 till 26.1.78. During the period from 23.12.77 till 26.1.78, 6334.33 M.T. sugarcane was crushed and 237.4 M.T white sugar and 100.7 M.T. brown sugar was produced. As a result, the cash losses during the year (1977-78) is 25.48 lakhs and anticipated further loss in the year (1978-79) is 100.00 lakhs. The performance was poor mainly because of (1) inadequate supply of cane and (2) defect in Machine particularly in cane carrier, centrifugal and turbo-alternator (3) non development of Feeder Road. Sir, the feeder roads are not perennial roads and these are only seasonal roads. Sugarcane in this area is grown on hillocks and many inaccessible areas from where transportation of cane to the factory is extremely difficult unless served by a net work of feeder roads. The company has in fact started construction of feeder roads in phased manner. The scheme taken by Cachar Sugar mill Ltd. for construction of feeder rood is as under :—

**Feeder Road—Fair weather.**

| | | |
|---|---|---|
| (a) | So far developed 1977-78 | 27 k. m. at an expenditure of Rs. 6 lakhs. |
| | 1978-79 | 50 k. m. at an expenditure of Rs. 10 lakhs. |
| (b) | Proposed to be developed during 1979-80 | 34 k. m. at an estimated expenditure of Rs. 10 lakhs. |

Things improved in 1978-79 and from 16.1.79 to 28.2.79 the Company could crush 20,621 M.T. of cane and produced 1555.8 M.T. of white sugar. It is expected to reach a level of 25,000/26,000 M.T. of crushing by the end of the season.

Brown sugar which is produced at the end of each season is reprocessed in the next season to produce white marketable sugar. This quantity of white sugar produced in a particular year includes production from brown of the previous year. The conversion of ratio of brown sugar to white sugar is about 75% to 80%.

The Mill can run upto its rated capacity of 1250 M.T. per day provided that the available cane can be brought to the factory by overcoming the transport difficulties. In fact the Mill has already crushed 20,621 M. T. upto 28.2.79 and may end up with 25,000/26,000 M.T. this season.

The company expects to crush a total quantity of 70,000 M.T. in the next year i.e. 1979-80.

The Company has made arrangement for cultivation on Ceiling Surplus Land allotted to it and also on growers' field. The area for next year is expected to be:

| | | Yield |
|---|---|---|
| 1. Package area— | 3300 acress | 67,000 M.T. |
| 2. Non-package area—6250 | " | 63,000 M.T. |
| | | 130,000 M.T. |

Out of the above, 70,000 M.T. of cane is likely to be received by the Mill in 1979-80.

The company has already received possession of 21,280 bighas of Ceiling Surplus land and allotment of further 13,900 bighas is under consideration. All these could happen because an efficient MD has been placed incharge of this Mill. The corrupt officers are being gradually removed.

The company took up captive cultivation in 500 acres of Ceiling Surplus land at Bidyanagar, Serispore and Maniknagar in 1977-78. The output of the captive farms suffered due to late planting, bad weather condition and other difficulties.

The total expenditure on the farms so far incurred Rs. 9,81,763,25. This was financed with loan assistance from United Bank of India (Rs. 8,51,031.85).

The value of output raised from the captive farm is Rs. 4,86,909.11.

(3) In course of discussion on the Call-attention motion on 1.4.75, an enquiry Commission into the matter relating to purchase of machineries for Cachar Sugar Mill was announced. Accordingly, Shri D. Das, Ex. Chief Secretary, Assam was entrusted with this enquiry by then Minister, Industries. But ultimately it was entrusted to Commissioner, Lower Assam Division. His report is being awaited.

**Shri Biresh Misra**—One clarification Sir.

**Mr. Deputy Speaker**—No clarification now.

**Shri Biresh Misra**—Regarding Mallik's report the Minister has not uttered a single word.

**Shri Jagannath Sinha** (Minister)—We will examine it.

**Shri Biresh Misra**—There is no question of examining it. Whether he will lay it.

**Mr. Deputy Speaker**—I cannot allow this any more. Now Mr. Soneswar Bora.

## STATEMENT BY MINISTER

* শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :- মাননীয় উপাধ্যক্ষ মহোদয়, আজি আগবেলা শিলঘাট মৰাপাট কলৰ কৰ্মীসকলে ধৰ্ণা দিয়াৰ বিষয়ত মাননীয় সদস্য শ্ৰীসন্দিকৈ ডাঙৰীয়াৰ দ্বাৰা উথাপিত বিষয়ৰ সম্পৰ্কত আমাৰ মন্ত্ৰীৰ কক্ষত আলোচনা হৈছিল। সেই আলোচনাৰ বিষয়ে সদনৰ আগত মই জনাব খুজিছোঁ।

এই আলোচনাত এটা সিদ্ধান্তলৈ আহি এইটো ঠিক কৰা হয় যে কলটোৰ সন্মুখত ঠিয় দিয়া খেলি-মেলিবোৰৰ খুটি-নাটিবোৰ বিচাৰ কৰিবলৈ এখন কমিটী নিয়োগ কৰিব লাগে যাতে এই কমিটীয়ে কলটোৰ সকলোবোৰ খুটি-নাটি বুজ লৈ ইয়াৰ এক প্ৰতিকাৰৰ ব্যৱস্থা কৰিব পাৰে।

কলটোৰ আদিতে হোৱা দুৰ্নীতি আৰু অভিযোগবোৰৰ অনুসন্ধান কৰিবৰ বাবে আৰু এখন কমিটি নিযুক্তি দিবলৈ সিদ্ধান্ত লোৱা হয়। এই কমিটিকেইখন এমাহৰ ভিতৰতে গঠন কৰা হ'ব।

মিলৰ শ্ৰমিকসকলৰ অন্যায়বিলাক দাবীৰ লগতে অন্তৰ্বৰ্তীকালীন সাহায্যৰ বাবদ বিচৰা মাহিলি ৩০ টকাৰ সম্পৰ্কৰ বিষয়টো সমবায় মৰাপাট কলৰ পৰিচালক মণ্ডলীৰ বিচাৰৰ বাবে পঠিওৱা হ'ব। কৰ্মীসকলক কলটো নিজৰ বুলি ভাবিবলৈ কলটোৰ আৰু কৰ্মীসকলৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ কাৰণে একেলগে মিলিজুলি কাম কৰি উন্নতি সাধন

*Speech not corrected.

কৰিবলৈ কৰ্মীসকলক অনুৰোধ জনাও। লগতে কৰ্মীসকলে কৰি থকা আন্দোলন পৰিহাৰ কৰিবলৈও অনুৰোধ জনালো।

**Mr. Deputy Speaker** :- The House stands adjourned till 10 A. M. tomorrow the 29th March, 1979.

## ADJOURNMENT

The House then rose at 5-35 P. M. and stood adjourned till 10 A. M. on Thursday, the 29th March, 1979.

DISPUR :
The 28th March, 1979.

**P. D. BARUA,**
Secretary,
Assam Legislative Assembly.